# শীতকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
### তাৰিখ ঃ ৪/১২/২০১৯ বুধবাৰ

**ইংৰাজী ০৪-১২-২০১৯ তাৰিখে ৰাতিপুৱা ৯.৩০ বজাত মাননীয় অধ্যক্ষ শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী দেৱৰ অধ্যক্ষতাত অসম বিধান সভাৰ পূৰ্বনিৰ্দ্ধাৰিত কাৰ্য্যসূচীমতে সদন আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ৮১। আবদুৰ ৰছিদ মণ্ডল। তাৰ আগতে এটা কথা আছে। মই প্ৰশ্নৰ পৰা ২ মিনিট লৈছো। যোৱা কালি আমাৰ সদনত এটা বিষয় সংঘটিত হৈছিল। সংঘটিত হোৱাৰ পিছত মই কৈছিলো যে আমি এই বিষয়টো খুৱ গুৰুত্ব সহকাৰে লৈছো আৰু গুৰুত্ব সহকাৰে লোৱা বিষয়টো আমি সেইকাৰণে প্ৰতিটো বিধায়িনী দলৰ দলপতি আৰু সন্মানীয় নিৰ্দলীয়া সদস্য পেগু ডাঙৰীয়া আমি সকলোৰে বহিছিলো। এনেকুৱা ধৰণৰ ঘটনা কেতিয়াও বাঞ্ছনীয় নহয় আৰু সেই কাৰণে আমি এই ক্ষেত্ৰত কঠোৰ সিদ্ধান্তৰ কথাই ভাবিছিলো। কিন্তু আমাৰ বৈঠকৰ প্ৰায় ৩০ মিনিট/ এক ঘন্টাৰ পিছত সন্মানীয় সদস্য কুৰ্মী ডাঙৰীয়াই মোলৈ এখন চিঠি দিছে, সেই চিঠিখন মই তেখেতক প্ৰথমে পাঠ কৰি দিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই লিখা চিঠিখন পাঠ কৰি দিবলৈ ওলাইছো।

To,

The Hon'ble Speaker,
Assam Legislative Assembly.

Respected Sir,

Believing in the Gandhi Ideology and in respecting the grief of the people of Assam and Assamese sentiment connected to both paper mills, Tea Garden & other Industry, I feel the way I protested was wrong, I could have took other measure of protest.

Sir, once again I admit I was wrong and such kind of protest I won't take in future.

I sincerely seek apology for my wrong.

Regards,
Rupjyoti Kurmi.

**মাননীয় অধ্যক্ষ ঃ** মই চিঠিখন পঢ়িলো। মই আকৌ এবাৰ পঢ়ি দিও, তেখেতে পঢ়ি দিয়াতে অকমান অসুবিধা হৈছিল। তথাপি শুদ্ধকৈ কৈছে।

Believing in the Gandhi Ideology and in respecting the grief of the people of Assam and Assamese sentiment connected to both paper mills, Tea Garden & other Industry, I feel the way I protested

was wrong, I could have took other measure of protest.Sir, once again I admit I was wrong and such kind of protest I won't take in future.

I sincerely seek apology for my wrong.

মই সকলোকে কৈছো যে আমাৰ বিধান সভাখন।

**শ্ৰী পিয়ুষ হাজৰিকা, মন্ত্ৰী ঃ** Sir, this is not Gandhi Ideology as Gandhi Ideology does not believe in violance. এইটো ভুল হৈছে।

**মাননীয় অধ্যক্ষ ঃ** তেওঁ wrong বুলি কৈছে। তেও Gandhi Ideology ৰে যাওতে ভুল পথৰে গৈছে বুলি কৈছে। I am not accepting that point but he sincerely said that was wrong on my part, I should have take other measure. Gandhi Ideology য়ে শান্তিপূৰ্ণ ভাৱে কৰিবলৈ কয়। সেই কাৰণে I could have took other measure of protest. তেখেতে শুদ্ধভাৱে কৈছে যে এইটো ল'ব নালাগিছিল। গতিকে তেওঁ এইটো আকৌ ভুল বুলি দ্বিতীয়বাৰ কৈছে।

**শ্ৰী নাৰায়ণ ডেকা ঃ** অধ্যক্ষ মহোদয়, যদি অনুমতি দিয়ে এটা কথা কওঁ।

**মাননীয় অধ্যক্ষ ঃ** এক মিনিট ৰ'ব, আপুনি ক'ব ৰ'ব। সেই কাৰণে মোৰ কথাটো হৈছে যে এই কথাটো তেওঁ ভুল বুলি কৈছে আৰু আগলৈ এনেকুৱা protest নকৰো বুলি কৈছে আৰু তেওঁ sincerely apology বিচাৰিছে। এতিয়া আপুনি কওঁক।

**শ্ৰী নাৰায়ণ ডেকা ঃ** অধ্যক্ষ মহোদয়, তেখেতে কৈছে যে এনেকুৱা protest ইয়াতে আকৌ নকৰে। বেলেগ protest কৰিব নেকি ? আমাৰ বিধান সভাখনত protestৰ কাৰণে ধৰ্না চলে নেকি ? পত্যেকটো দল সংগঠনৰ কাৰণে designated area আছে, ধৰ্না দিবৰ কাৰণে। বিধান সভাত ৰাইজৰ কথাখিনি উত্থাপন কৰা আৰু ইয়াত উপায় উদ্ভাৱন কৰাৰ বাবেহে। গতিকে তেখেতে কৈছে যে এনেকুৱা apology, এনেকুৱা protest নকৰো, তেনেহলে তেওঁ কি protest কৰিব ? গতিকে কোনো ধৰণৰ protest বিধায়কে বিধান সভাৰ মজিয়াত যাতে কৰিব নোৱাৰে তেনেকুৱা এটা উপায় কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, এইটো মোলৈ এৰি দিয়ক। মই বিচাৰিছো যে ক্ষমা আমাৰ পোষণ। মই ৰূপজ্যোতি কুৰ্মীক কৈছো যে আমি বিধান সভা খনত শাসক দলে আৰু বিৰোধীৰ বিধায়কে কথা কোৱাৰ অধিকাৰ আছে আৰু আমি অধিকাৰ দিছো। কিন্তু অধিকাৰ মানে এইটো নুবুজাই যে মোৰ যি মন যায় তাকে কৰিম। আমাৰ কিছুমান Rule & Regulisation আছে। মই অধ্যক্ষ হিচাপে বিচাৰো সকলোৰে শুদ্ধ ভাৱে বিধান সভাত অংশ গ্ৰহণ কৰি কাম কৰক। কিন্তু সেইটো হৈ উঠা নাই। এইটোৰ আৰু এটা কাৰণ মই যিটো বুজো মোৰ বিধায়কৰ অভিজ্ঞতাৰ পৰা, বিধান সভাত বিধায়ক প্ৰথমে বিৰোধীত বহিবলৈ সুযোগ পাব লাগে। সুযোগ পালে বিৰোধীৰ নিয়মটো কি তেতিয়া তেওঁলোকে বুজি পায়। কিন্তু শাসক দলত বহি থকাৰ পিছত বিৰোধীলৈ আহিলে কেতিয়াবা বুজিবলৈ অসুবিধা হয়, মই যিটো দেখিছো। মই এইটো কথাকে কৈছো যে ভৱিষ্যতলৈ এইবিলাক কথা আৰু হ'ব নালাগে আৰু apology যিহেতু দিছে, মই apologyটো গ্ৰহণ কৰিছো আৰু বিষয়টো ইমানতে সামৰিছো। এতিয়া প্ৰশ্ন নং ৮১। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী আব্দুৰ ৰছিদ মণ্ডল ঃ** অধ্যক্ষ ডাঙৰীয়া, উত্তৰ পাইছো আৰু কথাবিলাক মানি লৈছো যদিও

অলপমান দুখ প্ৰকাশ কৰিছো যে ২০১২ চনত work order দিয়াৰ পিছতো আজি ২০১৯ চনত এটা তিনিকোটি, আঢ়ৈ কোটি টকীয়া বিল্ডিং এতিয়াও যে হোৱা নাই, ইয়াত মাত্ৰ ৮০ শতাংশ পগ্ৰেছ বুলি কৈছে, এইটো মানিছো। কিন্তু এইটো কিমান দিনৰ ভিতৰত বিল্ডিংটো সম্পূৰ্ণ হ'ব তাৰ কাৰণে এটা আশ্বাস বিচাৰিছো। দ্বিতীয়, কথা হৈছে যিটো খৰমুজা শিক্ষা ক্ষেত্ৰত পিছপৰা খণ্ডৰ যিটো মডেল স্কুল আছিল সেই সয়মত গোটেই মাটি দিয়া হৈছিল আৰু মই জানো সেই সময়ৰ বিষয়া ডি চি সকল এতিয়া গুৱাহাটীত আছে কিন্তু আজিও সেই বিল্ডিংটো এতিয়ালৈকে টেণ্ডাৰে হোৱা নাই, টেণ্ডাৰ প্ৰচেছত আছে আৰু dealing টোৰ কথা কৈছে ২০১৫ চনত। কিন্তু আঁচনি আছিল ২০১২ চনৰ। অৰ্থাৎ তিনি বছৰ পিছতহে কেন্দ্ৰীয় চৰকাৰৰ dealing হৈছে, তিনি বছৰত আমাৰ অসমৰ যিবিলাক বিষয়া আছিল, তেওঁলোকে এই কামখিনি নকৰাৰ কাৰণে মই দূখ প্ৰকাশ কৰিছো। গতিকে এই কামবোৰ কেনেকৈ কৰিব তাৰ কাৰণে কিবা আশ্বাস দিব নেকি ?

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীসিদ্ধাৰ্থ ভট্টাচাৰ্য্য (শিক্ষা বিভাগৰ মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মাননীয় সদস্যই যিটো প্ৰশ্ন উত্থাপন কৰিছে, সেই প্ৰশ্নৰ উত্তৰ তদানীন্তন চৰকাৰৰ হেমাহিৰ বাবে এই গোটেই scheme খিনি সঠিকভাবে ল'ব পৰা নগ'ল। আমাৰ কেন্দ্ৰীয় চৰকাৰে ৮১ খন জিলাত এনেধৰনৰ Model School গঠন কৰাৰ বাবে তেখেতসকলে এটা প্ৰচেষ্টা হাতত লৈছিলে। পৰৱৰ্ত্তী সময়ত ২০ খন স্কুল complete কৰিব পৰা গ'ল। 26 খন স্কুল বিভিন্ন কাৰণত অৰ্দ্ধনিৰ্মিত হৈ থাকিল। মাননীয় বিধায়কগৰাকীয়ে কোৱাৰ লেখীয়াকৈ Lakhipur Development Block যিখন আছিলে সেইখন ৮০ শতাংশহে সম্পূৰ্ন হৈছে। চৰকাৰ অহাৰ পিছত ২৬ খন এনেকুৱা স্কুল আছে , সেই স্কুলবিলাকক সমাপ্ত কৰাৰ কাৰণে ৪৩ কোটি টকা লাগে। যিখন লক্ষীপুৰৰ বিদ্যালয় আছে, এই বিদ্যালয়খন ৮০ শতাংশ হৈছে আৰু ২০ শতাংশ বাকী আছিলে । গতিকে ২.৮৯ কোটি টকা আমি যদি দিও তেতিয়া হ'লে এই বিদ্যালয়খন সম্পূৰ্ন কৰিব পৰা যায়। আগৰ কনট্ৰেক্টৰে যিহেতু ৮০ শতাংশ কাম সম্পূৰ্ন কৰিছে নতুন কনট্ৰেক্টৰ দিব নালাগে। তেওয়ে ২০ শতাংশ কাম সম্পূৰ্ণ কৰিব পাৰিব। ২.৮৯ কোটি টকা আৱন্টণ কৰা হৈছে, সেইখিনি দিয়া হৈছে। মই আশা কৰো এই খিনি হৈ যাব , মই মাননীয় সদস্যগৰাকীকো অনুৰোধ কৰিম যাতে মনিটৰ কৰে যাতে ২০ শতাংশ কামটো সম্পূৰ্ণ কৰিব পৰা যায়।

**শ্ৰীআব্দুল ৰছিদ মণ্ডল (উত্তৰ গোৱালপাৰা) ঃ** অধ্যক্ষ মহোদয়, লক্ষীপুৰৰ যিটো মডেল স্কুলৰ কথা কোৱা হৈছে এইটো জনজাতীয় গাওঁত স্থাপিত। মন্ত্ৰী মহোদয় হয়তো জ্ঞাত নহ'ব পাৰে। যিজন ঠিকাদাৰ আছিলে তেখেতে আৰম্ভনীৰে পৰা এজন চাব ঠিকাদাৰক দিলে। তাৰ কাৰনে এই কামটো অলপ দেৰী হ'ল। কামৰ মানদণ্ড উন্নত নোহোৱা বাবে চাব ঠিকাদাৰ জনক বিভাগ বা উপায়ুক্তই ধমক দিয়া কথাটো জ্ঞাত। কিন্তু তেও এটা বিশেষ organisation ৰ মানুহ হোৱা বাবেও officer সকল কেতিয়াবা ৰৈ যাব লগা হয়। প্ৰকৃত কাম লোৱা ঠিকাদাৰ গৰাকী কিছু দিন আগতে মৃত্যু হ'ল। এতিয়া চাব ঠিকাদাৰ গৰাকী কাম কৰিবলৈ ভয় পোৱা হৈছে। গতিকে বিভাগে বিষয়টো Take Up কৰিব লাগে। গতিকে খুব কম দিনৰ ভিতৰত কামখিনি কৰিব লাগে। লগতে খৰমুজাৰ কামটোও সোনকালে হ'ব লাগে এইখিনি বিচাৰিছো।

**শ্ৰীসিদ্ধাৰ্থ ভট্টাচাৰ্য্য (শিক্ষা বিভাগৰ মন্ত্ৰী) ঃ** মোক বিষয়াসকলে জনাইছে যে ২০২০-২১ চনৰ ভিতৰতে লক্ষীপুৰৰ কামটো সম্পূৰ্ণ কৰিব পৰা যাব। খৰমুজাৰ যিটো কাম এতিয়ালৈকে আৰম্ভই হোৱা নাছিল। প্ৰাৰম্ভিক অৱস্থাতে থাকি গ'ল। এতিয়া কেন্দ্ৰীয় চৰকাৰে গোটেই মডেল স্কুলটো

ৰাজ্য চৰকাৰৰ ওপৰত জাপি দিছে। আমাৰ চৰকাৰৰ চিন্তা হৈছিলে যে যিখিনি কাম অৰ্দ্ধসমাপ্ত হৈ আছিলে - ক'বাত ৭০ শতাংশ হৈছে, লক্ষীপুৰত যেনেকৈ ৮০ শতাংশ হৈছে, ক'বাত ৬৫ শতাংশ হৈছে, এই যিবোৰ অৰ্দ্ধ সমাপ্ত স্কুল আছে প্ৰথম আমি ৪৩ কোটি টকা দিছিলো এই ২৬ খন স্কুলক সম্পূৰ্ণ কৰাৰ বাবে। কাৰণ আমাৰ সীমিত পুঁজিৰে গোটেইখিনি আমি একেলগে সাঙুৰী ল'ব নোৱাৰো। ২০ খন স্কুল চলি আছে, ২৬ খন স্কুল আমি ফাংশ্যনেল কৰিব খুজিছো আৰু বাকী যিখিনি থাকিব কিয়নো এই স্কুলবোৰ বৰ্ত্তমানে ৰাজ্য চৰকাৰৰ পুঁজিৰে এইবোৰ নিৰ্মান কৰিব লাগিব গতিকে আমাৰ সীমিত পুঁজি আছে আপুনি জানে গতিকে যিখিনি অলপ অলপ কামৰ বাবে খুলিব পৰা নাই গতিকে প্ৰথমে এই স্কুলৰ কামখিনি প্ৰথমে আমি সমাপ্ত কৰি ল'ব বিচাৰিছো। যিখিনি বাকী থাকি যাব সেইখিনি স্কুল আমি ফেইজৰাইচ কৰি গৈ থাকিম।

**মাননীয় অধ্যক্ষ ঃ** This is related to Goalpara West and Lakhipur & Kharmuja Development Block. so no other subsequent Question would allowed. আপুনি কওক যদি কিবা আছে।

**শ্ৰীআব্দুল ৰছিদ মণ্ডল (উত্তৰ গোৱালপাৰা) ঃ** অধ্যক্ষ মহোদয়, পুঁজিৰ অভাৱৰ কথাটো মানি লৈছো। কিন্তু এই মঞ্জুৰীটো যাতে বাতিল নহয়। Phase manner তে হৈ যাওঁক এই কথাত আপত্তি নাই। কিন্তু মঞ্জুৰীটো বাতিল হ'ব নালাগে। জলেশ্বৰত এটা আছে- সাজডোবা , এইটো টেণ্ডাৰ প্ৰচেচত আছে। মাটি, আবন্টন হৈ গৈছে। খৰমুজাৰ মাটি আবন্টন হৈ গৈছে। গতিকে মঞ্জুৰীটো বাতিল হ'ব নালাগে। ফেইজ মেনাৰতে হওক লাগিলে এই অনুৰোধ অধ্যক্ষ মহোদয়।

**মাননীয়অধ্যক্ষ ঃ** ঠিক আছে চাই দিব। Next question-82 Aminul Islam. Minister Please.

**শ্ৰীসিদ্ধাৰ্থ ভট্টাচাৰ্য্য (শিক্ষা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মজিয়াত দাখিল কৰা হৈছে।

**শ্ৰীআমিনুল ইছলাম (ধিং) ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যোৱা বিধান সভাত প্ৰতিশ্ৰুতি দিছিল যে, ভেন্সাৰ স্কুলসমূহ চলিত বিত্তীয় বৰ্ষতে প্ৰাদেশিকীকৰণ কৰা হ'ব। এই প্ৰশ্নৰ উত্তৰত Time Bound টো দিয়া নাই । কামটো চলি থকা বুলি কৈছে। আচলতে এই বিত্তীয় বৰ্ষত সম্পূৰ্ণ হ'বনে নাই? এই কামখিনি কৰিবলৈ (খ) নম্বৰত যিটো দিছে স্বীকৃতিৰ বাবে issue Date ৰ সমস্যা উচ্চ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ সংখ্যা ৫ জনলৈ বৰ্দ্ধিতকৰণৰ যিটো সমস্যা , টিউটৰক শিক্ষকৰ মৰ্যদা প্ৰদানৰ সমস্যা, প্ৰাৰম্ভিক নিযুক্তিক মান্যতা প্ৰদান। বিনাবেতনে অৱসৰ গ্ৰহণ কৰা বা মৃত্যেবৰণ কৰা শিক্ষকৰ পৰিয়ালক এককালীন আৰ্থিক সাহাৰ্য্য প্ৰদান, কলেজৰ উচ্চ শ্ৰেণীৰ গ্ৰেড -৪ পোষ্টৰ কাৰনে যিটো ১৫০জনৰ সীমা আছিল সেইটো ফাৰ্ষ্ট চেমিষ্টাৰলৈ চেঞ্জ কৰা ছাত্ৰৰ সংখ্যা আৰু যিবিলাক শিক্ষা মন্ত্ৰীয়ে কৈছিল যে এইটো আমি মানবীয়তাৰ দৃষ্টিত আগন্তুক অধিবেশনত এটা Amendment Bill অনাৰ বাবে ইংগিত দিছিল যোৱা সদনত। এইবাৰ আমি আশা কৰিছিলো কিন্তু সেই Amendment Bill টো এইবাৰ নাহিল। এইবাৰ যদি Next Budget Session ত আহে তেনেহ'লে নিশ্চয় এইবাৰ Financial Yearত সম্পূৰ্ণ নহ'ব গতিকে এই ক্ষেত্ৰত চৰকাৰৰ কিবা চিন্তা চৰ্চা আছে নেকি? মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰীসিদ্ধাৰ্থ ভট্টাচাৰ্য্য (শিক্ষা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেইদিনাখন যেতিয়া Cut Motion আহিছিলে বিদ্যালয়সমূহৰ নথি-পত্ৰ পৰীক্ষা নিৰিক্ষাৰ অন্ততঃ ৩০৬ খন যোগ্য

বুলি বিবেচিত হোৱা বিদ্যালয়সমূহক প্ৰাদেশীকিকৰণ কৰাৰ বাবে আমি পৰিপূৰক মঞ্জুৰী বিচাৰিছিলো। সেইটো আমাক মাননীয় সদনে আমাক দিছে। গতিকে এতিয়া আমি ২৫১৫ টা পদত আমি নিযুক্তি দিব পাৰিম। ইয়াৰ ওপৰি আমাৰ বিত্ত বিভাগে কিছু raised কৰিছিলে। Assam Education provincialisation of Services of Teachers and new organisation of Education institution Amendment Bill, 2018ৰ মতে জিলা আৰু ৰাজ্যিক নিৰিক্ষণ সমিতিৰ দ্বাৰা অপ্ৰাদেশীকৃত বিদ্যালয়ৰ নথি পত্ৰসমূহ পৰীক্ষা নিৰিক্ষা কৰাৰ অন্তত আমি ৩২০ খন যোগ্য বুলি বিবেচিত হোৱা বিদ্যালয়ক আমি এতিয়া তালিকা পাইছো । এতিয়া আমি চাৰ্টত ল'ম। বিদ্যালয়সমূহৰ ২৩৯৭ টা পদ ত আমি যিটো মঞ্জুৰী পাইছো সেইমতে ল'ব পাৰিম। মুঠ ২৫১৫ টা আৰু ২৩৯৭ টা এইখিনি লোৱা হৈছে। তেখেতে যিখিনি প্ৰশ্ন শুধিছে যে টিউটৰক শিক্ষকৰ মৰ্য্যদা দিয়াৰ কথাটো - এই ক্ষেত্ৰত আমাৰ এটা স্পষ্ট নীতি আছে, আমি কৈছো যিসকল অৰ্হতা নথকা শিক্ষক অপ্ৰাদেশীকৃত বিদ্যালয়সমূহৰ তেখেতসকলে যদি ৫ বছৰৰ ভিতৰতে প্ৰয়োজনীয় অৰ্হতা পাবলৈ সক্ষম হয় তেতিয়া হ'লে তেখেতসকলক শিক্ষক পদলৈ উন্নীতকৰণ কৰা হ'ব। অন্যথা তেওলোকে টিউটৰ হিচাপে থাকিব। অৰসৰ পৰ্য্যন্ত তেখেতে এই পদতে চাকৰি কৰি থাকিব পাৰিব। আমি তেখেতসকলক চাকৰিৰ পৰা আঁতৰাই নিদিও। তেখেতে কেইবাটাও প্ৰশ্ন কৰিছে- এটা কৈছে যে বিনা বেতনে অৰসৰ গ্ৰহণ কৰিলে বা মৃত্যু হোৱা শিক্ষকৰ ক্ষেত্ৰত। মই উত্তৰত দিছোয়েই কিন্তু তথাপি মই পৰিপূৰক হিচাবে কৈছো যে বিনা বেতনত অৱসৰ গ্ৰহণ কৰা শিক্ষকৰ তথ্য বৰ্তমানে বিভাগৰ হাতত নাই। মৃত্যু বৰণ কৰা শিক্ষকৰ ক্ষেত্ৰত যদিও চৰকাৰৰ সম্পূৰ্ণ সমবেদনা আছে কিন্তু এককালীন আৰ্থিক সাহাৰ্য্যৰ ক্ষেত্ৰত কোনো নিৰ্ধাৰিত নিয়মাৱলী বা তেনে কোনো ব্যৱস্থা নথকাৰ পৰিপ্ৰেক্ষিতত বিভাগৰ ফালৰ পৰা এককালীন আৰ্থিক সাহাৰ্য্য প্ৰদানৰ কোনো সুবিধা এতিয়ালৈকে নাই যদিও মানৱতাৰ খাতিৰত আমি এই ক্ষেত্ৰত কি পদক্ষেপ ল'ব পাৰো সেই সম্পৰ্কত চৰ্চা চলি আছে। ইয়াৰ উপৰিও তেখেতে আৰু এটা প্ৰশ্ন উত্থাপন কৰিছে যে টেট পৰীক্ষাৰ যিসকল আবেদনকাৰী আছিল তেখেত সকলৰ যিখিনিক এডমিট কাৰ্ডৰ আসোঁৱাহৰ বাবে দিব পৰা নগ'ল, তেখেত সকলক আমি অগ্ৰাহ্য কৰিছিলো আৰু তেখেত সকলে যিটো মাচুল জমা দিছিলে আবেদনকাৰীৰ মাচুলৰ ধন তেখেত সকলে মাচুল জমা দিয়া একাউণ্টত উভটাই দিবলৈ আমি ১৪ নবেম্বৰ তাৰিখে আমাৰ যিটো payment get way ব্যৱস্থা আছে এই payment get way ব্যৱস্থাৰ মাধ্যমেৰে আমি তেখেত সকলক এচ এম এচ দি জনাই দিছো আৰু তেখেত সকলে যি একাউণ্টৰ পৰা জমা দিছিলে সেই একাউণ্টতে পইচাটো আকৌ ঘূৰাই দিয়াৰ ব্যৱস্থা কৰা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** চাপলিমেণ্টৰী কিবা আছে নেকি ?

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, টেট পৰীক্ষাৰ কাৰণে যি সকলে আবেদন কৰিছিল তেওঁলোকক প্ৰথম যিটো এডভাৰটাইজ দিয়া হৈছিল যে তেওঁলোকে ডি এল এড নকৰাকৈ ও বহিব পাৰিব। সেইমতে তেওঁলোকে আঁচলতে এ প্লাই কৰিছিল। আবেদন কৰাৰ পিছতহে জনোৱা হ'ল যে ডি এল এড নথকা সকলক এলাউ কৰা নহয়। তাৰপিছত চৰকাৰে পইচাটো ঘূৰাই দিয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে কিন্তু কথাটো হ'ল তেওঁলোকে যিটো কেফেৰ পৰা অনলাইনত এপ্লাই কৰিছিল তেওঁৰ একাউণ্টৰ পৰাই গোটেই দিছিল। গতিকে পইচাটো এতিয়া সেই কেফে খনৰ একাউণ্টত হে যাব। যদি তেওঁলোকে ভালে ভালে ঘূৰাই দিয়ে তেতিয়া পইচাটো পাব আৰু যদিহে কেফেৰ গৰাকী জনে নাই পোৱা বা বেলেগ অসুবিধা কৰে তেতিয়া সমস্যা হ'ব। গতিকে ইনডিভিজুৱেল একাউণ্টত দিব পাৰিলে ভাল আছিলে। মাননীয় অধ্যক্ষ মহোদয়, মই এমেণ্ডমেণ্টৰ যিটো কথা

কৈছিলো, যি কেইটা সমস্যাৰ কথা মই উল্লেখ কৰিছিলো এইটো আচলতে শিক্ষামন্ত্ৰী মহোদয়ে পূৰ্বৰ সদনত কৈছিল যে এইকেইটা মৌলিক বিষয়ত আমি সংশোধনী অনাৰ চেষ্টা কৰিম। এইবাৰ যিহেতু সদনত নাহিল পিছৰ বাৰ সদনত আহিব নেকি?

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য (শিক্ষা বিভাগৰ মন্ত্ৰী) ঃ** পেমেণ্ট গেট ৱে হৈছে এটা ক'ৰপৰেশ্যন। তেওঁলোকৰ মাধ্যমেৰে আমাৰ যিবিলাক ডি বি টি থাকে তেখেত সকলৰ মাধ্যমেৰে আমি সম্পূৰ্ণ কৰো। বিভাগে যিহেতু এজন এজন ব্যক্তিৰ একাউণ্টলৈকে পইচা পঠোৱাটো সম্ভৱ নহয় সেয়ে আমি পেমেণ্ট গেট ৱে ক দায়িত্ব দিছো যে যিখিনি মাচুল তেখেত সকলে জমা দিছিলে সেই মাচুলবোৰ তেখেতে যিটো একাউণ্টৰ পৰা দিছিলে সেই একাউণ্টত টকাখিনি জমা হ'ব। আপুনি কৰা আশংকাটোৰ বিষয়ে মই আপোনাক আশ্বস্ত কৰিব বিচাৰিছো। কাৰণ এজন আবেদনকাৰীয়ে এটা একাউণ্টৰ পৰা তেখেতৰ মাচুলটো পঠিয়াইছিলে। গতিকে তেখেতে মাচুল দিয়া একাউণ্টৰ নাম্বাৰটো আমাৰ হাতত আছে। আমি সেই একাউণ্টলৈকে আকৌ সেই পইচাখিনি ঘূৰাই দিম। ইছলাম ডাঙৰীয়াই ইচ্ছ্যু ডেট আৰু ৰিক'গনেশ্যন ডেটৰ বিষয়ে এটা প্ৰশ্ন সুধিছিলে। এই সম্পৰ্কে আমি এতিয়ালৈকে কোনো সিদ্ধান্ত ল'ব পৰা নাই কিয়নো ইয়াৰ লগত যথেষ্ট সংখ্যক বিদ্যালয় যোগদান হ'ব। এই সম্পৰ্কে সিদ্ধান্ত লৈ হয়তো অহা বিত্তীয় বৰ্ষত কিবা এটা সিদ্ধান্ত লৈ আমি ব্যৱস্থা গ্ৰহণ কৰিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী মামুন ইমদাদুল হক চৌধুৰী।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, স্কুল বিলাক যেতিয়া প্ৰাদেশিকীকৰণ কৰা হ'ব বিশেষকৈ এম ই স্কুলৰ ক্ষেত্ৰত যোৱা চামাৰ চেচনত মই এটা প্ৰশ্ন কৰিছিলো আৰু মাননীয় মন্ত্ৰী মহোদয়ে মোক ভাৰবেলী উত্তৰ ও দিছিলে। উত্তৰটো পজিটিভয়েই আছিলে। যিবোৰ এম ই স্কুলত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বেছি তাত যাতে ৩ ৰ পৰা ৫ কৰা হয়। যিহেতু আমি পজিটিভলী লম গতিকে ষ্টেটাচটো জানিলে ভাল হ'ব। শেষত ঠিকা ভিত্তিক শিক্ষকৰ ক্ষেত্ৰত যিটো উত্তৰ এইটো আদালতত বিচৰাধীন হৈ আছে বুলি মাননীয় মন্ত্ৰী মহোদয়ে কৈছে। কিন্তু মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যিহেতু এই বিষয়টো বহু দিনৰ পৰা পেনডিং হৈ আছে গতিকে আপোনালোকে এটা ভাল সিদ্ধান্ত ললে এই মানুহখিনিৰ জীৱনলৈ সকাহ আহিব আৰু ফিক্স পে ৰ ক্ষেত্ৰত আদালতে ইতিমধ্যে ৰায় দিছে। যোৱা চেচনটো মই প্ৰশ্ন উঠাইছিলো আৰু চৰকাৰে উচ্চতম ন্যায়ালয়লৈ যাম বুলি কৈছিলে। গতিকে বুজাবুজিৰ মাজেৰে কিবা এটা কৰিলে ভাল হয়। মাননীয় মন্ত্ৰী মহোদয়ে যিটো ইচ্ছ্যু ডেট আৰু এফেক্ট ডেটৰ কথা কৈছে এইটো ক্লাৰিকেল মিচটেক। মাননীয় মন্ত্ৰী মহোদয়ে যোৱা চেচনত এইটোত সন্মতি প্ৰদান কৰিছে। গতিকে এই ক্ষেত্ৰত যদি পজিটিভলী কিবা ভাৱে মই ভাৱো তেতিয়া ভাল হ'ব।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, শিক্ষামন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিটো বিষয় উত্থাপন কৰিছে এই সম্পৰ্কে মই তেখেতক জনাব বিচাৰো যে যিটো ইচ্ছ্যু ডেট আৰু ৰিক'গনেশ্যন ডেট আছে এইটো সম্পৰ্কে সচাঁকৈ ক'বলৈ হ'লে মই ও অনুভৱ কৰো যিখিনি বিদ্যালয় ইয়াৰ দ্বাৰা এফক্টেড হৈছে তেখেত সকলৰ কোনো ধৰণৰ তেনেকুৱা দোষ নাছিলে। সময়মতে তেওঁলোকে যিখিনি আবেদন পত্ৰ দাখিল কৰিব লাগে তেওঁলোকে কৰিছিল। পৰৱৰ্ত্তী সময়ত তিনি বছৰৰ কাৰণে গোটেই বিষয়টো বন্ধ কৰি ৰখা হৈছিল। পিছত যেতিয়া আকৌ ইচ্ছ্যু কৰা হ'ল তেতিয়ালৈকে কিছু স্কুলৰ ক্ষেত্ৰত সময় পাৰ হৈ গৈছিলে। গতিকে এই ক্ষেত্ৰত মই অনুভৱ কৰো যে আমি সকলোৱে এটা ইতিবাচক দৃষ্টিভংগী লোৱাটো ভাল সেই হিচাবে বিভাগৰ ভিতৰতো আমি এটা ফাইল মুভ

কৰিছো আৰু আশা কৰো যে আমি গোটেই প্ৰক্ৰিয়াটো সম্পূৰ্ণ হোৱাৰ পিছত এই বিষয়টো আমি হয়তো সমাপ্ত কৰিবলৈ সক্ষম হ'ম। যি সমূহ বিদ্যালয় ইয়াৰ আঁওতাত নাহিলে এই ক্ষেত্ৰত কিন্তু তেওঁলোকৰ কোনো দোষ নাছিল। তেওঁলোকে সময়মতেই জমা দিছিলে। কিন্তু বিভাগীয় বিভিন্ন কাৰণতেই হওঁক যেতিয়া স্বীকৃতি দিয়া হ'ল সেই সময়ত দেৰী হোৱা বাবে কিছুমান স্কুল আওঁতাৰ বাহিৰত পৰি গ'ল। গতিকে তেওঁলোকৰ ক্ষেত্ৰত ইতিবাচক দৃষ্টিভংগী ল'বলৈ আমি চেষ্টা কৰি আছো।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইখন চৰকাৰৰ পূৰ্বৰ শিক্ষামন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই বিধান সভাত কৈছিলে যে ২০১৮ ৰ আগষ্ট মাহলৈকে যিবিলাক ভেঞ্চাৰ স্কুল এলিজিবল হয় সেই স্কুলবোৰ প্ৰাদেশিকীকৰণ কৰা হ'ব। মোৰ প্ৰশ্নটো হৈছে এইখন বিধান সভাত পূৰ্বৰ শিক্ষামন্ত্ৰীয়ে কৈছিল যদিও আজিলৈকে ইম্পলিমেণ্ট হোৱা নাই। নতুন আইন খন অহাৰ পিছত আমি এখনো স্কুল প্ৰাদেশিকীকৰণ কৰিব পৰা নাই। আইন প্ৰনয়ণ হোৱাৰ পিছতো ফিডবেক কিয় পোৱা নাই? লেহেমীয়া গতিত কিয় কাম হৈ আছে? গতিকে সেই স্কুল বিলাক প্ৰাদেশিকীকৰণ কৰিবৰ কাৰণে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি? এই বিষয়ে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিলো।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য (শিক্ষা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছো যে সিদিনাখন যেতিয়া আপোনালোকে কৰ্তন প্ৰস্তাৱ আনিছিলে মই কৈছিলো যে আমি এইবাৰ যিটো চাপলিমেণ্টৰী ডিমাণ্ড বিচাৰিছিলো সেইটো বিচাৰিছিলো স্কুল বিলাকক প্ৰাদেশিকীকৰণ কৰিবৰ কাৰণে। আমি এতিয়া প্ৰায় ৩০৬ খন স্কুলক প্ৰাদেশিকীকৰণ কৰিব পাৰিম কাৰণ তেওঁলোক সম্পূৰ্ণ যোগ্য। যিকোনো এখন স্কুলক প্ৰাদেশিকীকৰণ কৰাৰ লগে লগে বেতনৰ কথাটো আহি পৰিব।

..............................সদনত হুলস্থুল..................................

অধ্যক্ষ ডাঙৰীয়া, মই সময়সীমাটো কৈছো যিহেতু এইটো বিত্তীয় বছৰতে আমাক পইচাটো দিছে, গতিকে এই বিত্তীয় বছৰতে আমি কৰিব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Question No. 83, এতিয়া মাননীয় সদস্য শ্ৰী নৰেণ সোনোৱাল।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** অধ্যক্ষ ডাঙৰীয়া, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী নৰেণ সোনোৱাল, নাহৰকটীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো যে, আমাৰ নাহৰকটীয়াত কেইটামান গৰাখহনীয়াৰ সমস্যা আছিল তাৰ ভিতৰতে তেখেতৰ পৰা মই উত্তৰ পাইছো। গৰাখহনীয়া প্ৰতিৰোধৰ যাৱতীয়ব্যৱস্থা গ্ৰহনৰ ৩ খন আঁচনি বৰ্তমান SDRF ৰ শিতানত। ৰাজ্যিক দুৰ্য্যোগ ব্যৱস্থাপনা অধিকৰণৰ অনুমোদনৰ বাবে প্ৰেৰণ কৰা হৈছে। গতিকে কাম কেতিয়া হ'ব, মই জানিব বিচাৰিছো আৰু মই জানি ভাল পাইছো যে অনুমোদনৰ বাবে পঠিয়াইছে। কিন্তু এটা কথা বাকীকেইটা তেওঁ অস্থায়ীভাৱে মেৰামতি কৰিবলৈ বিচাৰিছে। মই জনাত সেই কেইটা যদি অস্থায়ীভাৱে হয়, লাভ নহ'ব। কাৰণ বাঁহ কেইটামান পুতিলৈয়ে ঠিকাদাৰে পইচাবোৰ আত্মসাৎ কৰে। ঠিকাদাৰৰ লাভ হয় কিন্তু ৰাইজৰ লাভ নহয়। মোৰ অনুৰোধ, স্থায়ীভাৱে কৰক, ৰাইজৰ লাভ হওঁক, মোৰ নাম হওঁক, মন্ত্ৰী মহোদয়ৰো নাম হওঁক। স্থায়ীভাৱে কৰিলেহে লাভ হ'ব বুলি মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় মন্ত্ৰী মহোদয়, তেখেতে যিটো প্ৰশ্ন কৰিছে মই তালিকাখন সংলগ্ন কৰি দিছো ইতিমধ্যে কোনকেইখন আঁচনি তাত গ্ৰহণ কৰা হৈছে। তাৰ আগতেও কেইখনমান

আঁচনি তাত গ্ৰহণ কৰা হৈছিলে। এইখিনি আঁচনি গ্ৰহণ কৰিলেও তাৰ উপৰিও তাত যথেষ্টখিনি বাকী থাকে। তাত আমি কাম কৰিবলৈ স্থায়ীভাৱে আঁচনি লৈছো, সেইখন দীৰ্ঘম্যাদী আঁচনি। দীৰ্ঘম্যাদী আঁচনিখন পোৱালৈ সদ্যহতে আমি প্ৰতিৰোধৰ ব্যৱস্থা কৰিছিলো। প্ৰতিৰোধ ব্যৱস্থাটো স্থায়ী বা অস্থায়ী নহয়। প্ৰতিৰোধৰ ক্ষেত্ৰত আমি অস্থায়ীভাৱে কাম কৰিলেও প্ৰতিৰোধটো স্থায়ীভাৱে হয়। গতিকে সেইকাৰণে মই আঁচনিখন উল্লেখ কৰি দিছো। মই আকৌ পঢ়ি দিবলৈ বিচৰা নাই। লগতে আৰু কেইবাখনো আঁচনি আমি technical কমিটিত ইতিমধ্যে পাচ কৰিছো, এইকেইখন আঁচনিও দিছো। গতিকে এতিয়া প্ৰক্ৰিয়াৰ ভিতৰত আছে। মই আশা কৰো তেখেতে বিচৰা ধৰণে ১০০ শতাংশ নহলেও বহুখিনি কাম এইবাৰ তাত সমাপ্ত হ'ব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কেইবাটাও Supplymentry ৰ কাৰণে notice পাইছো। কিন্তু প্ৰশ্নটো হৈছে নাহৰকটীয়া বিধানসভা সমষ্টিৰ আৰু বুঢ়ীদিহিঙৰ গৰাখহনীয়া। তাৰ লগত সম্পৰ্ক নথকা প্ৰশ্ন মই দিব নোৱাৰিম। তাৰ লগত সম্পৰ্ক থকা প্ৰশ্ন থাকিলে কওঁক।

**শ্ৰী প্ৰশান্ত ফুকন, ডিব্ৰুগড় ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক বিশেষ এখন আঁচনিৰ কথা ক'ব বিচাৰিছো। আমাৰ বুঢ়ীদিহিং বেচিন। আমাৰ বুঢ়ীদিহিং বেচিনত World Bank ৰ পৰা ৭৭৭.৯৫ কোটিৰ ১১ সমষ্টিক চুই যোৱাকৈ এখন আঁচনি লোৱাৰ ব্যৱস্থা এটা হৈছিল। সেই আঁচনিটো যদি হয়, প্ৰায় ২০০ কিঃমিঃ amendment হ'ব। ৰাস্তা হ'ব লগতে ২৯ কিঃমি protection work হ'ব। এতিয়া মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো এই বুঢ়ীদিহিং বেচিনৰ ৭৭৭.৯৫ ৰ World Bank ৰ যি আঁচনি এই বছৰৰ ভিতৰত আৰম্ভ হ'ব নেকি ?

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, বুঢ়ীদিহিং নৈ বুলি ক'লে আমাৰ তিনচুকীয়া আৰু ডিব্ৰুগড় দুয়োখন জিলাৰ প্ৰায় ১২ টা সমষ্টি। এই গোটেইখিনি সামৰি ব্ৰহ্মপুত্ৰত আহি বুঢ়ীদিহিঙত পৰিছেহি। গতিকে বুঢ়ীদিহিঙৰ দুয়োপাৰে আমাৰ ২১৯ কিঃমি মথাউৰি আছে। এই ২১৯ কিঃমি মথাউৰি থকাৰ উপৰিও আৰু যিটো খহনীয়াৰ কথা কৈছে তেখেতসকলৰ সকলোৰে অঞ্চল মিলি ৩৭ ঠাইত প্ৰব ল খহনীয়া হোৱাৰ ভাবুকি পাইছো। তাৰ পিছত ইয়াৰ লগতবুঢ়ীদিহিঙৰ সৰলীকৰণ টিৰাপ আৰু টিপলিং উপনৈ যি দুইখন তাতো প্ৰায় ১৭-১৮ কিঃমি মথাউৰি আছে। মাৰ্ঘেৰিটা সমষ্টিতো প্ৰায় ১১ কিঃমি আছে। গতিকে এই গোটেইখিনি সামৰি আমি Integrated Water Resource Management of Buridihing Basin. এইটোৰ ওপৰত এখন আঁচনি লৈছো। এই আঁচনিখন ইতিমধ্যে যথেষ্টখিনি আগবাঢ়িছে। আঁচনিখন সম্প্ৰতি State Share আৰু Loan দুয়োটা মিলাই ৬২৫ মিলিয়ন ডলাৰ। গতিকে এইটো ৪হাজাৰ ৫শ কোটি। এই ক্ষেত্ৰত Department of Economic Affairs ৰ যিখিনি ৯১ তম Screening কমিটি বহিছিল তেওঁলোকে এই কথাটো গৃহীত কৰিছে। এতিয়া CWC ত আছে। CWC য়ে কিছু অনুসন্ধান কৰিছে। অনুসন্ধান হোৱাৰ পিছত এইখিনি আমি World Bank ৰ লগতো কেইবাবাৰো আলোচনা কৰিছো। মাননীয় মুখ্যমন্ত্ৰীৰ পৰ্য্যায়তো World Bank ৰ বিষয়াৰ লগত ইয়াত আলোচনা হৈছে। ইতিমধ্যে আমি যথেষ্টখিনি আগবাঢ়িছো হলেও ADB বা World Bank ৰ ক্ষেত্ৰত আৰু জাইকাৰ Loan ৰ ক্ষেত্ৰতো আপোনালোকে সকলোৰে জানে যে এই ল'নৰ প্ৰক্ৰিয়াটো তেওঁলোকে খুৱ পুংখানুপুংখভাৱে চায়। In principle আমাৰ ইয়াত সকলোখিনি হৈছে কিন্তু ইয়াৰ প্ৰক্ৰিয়টো সম্পুৰ্ণ হওঁতে নিশ্চয় ১ বছৰমান সময় লাগিব। কাৰণ DPR কৰিব। এইটো

অকল বুঢ়ীদিহিংহে নহয় তাৰ লগত বেকী, মানস বা জীয়াধলৰ কেউপাৰৰ আমি অন্যান্য অঞ্চলো সামৰি লৈছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া চক্ৰধৰ গগৈ।

**শ্ৰী চক্ৰধৰ গগৈ (মৰাণ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিটোক বুঢ়ীদিহিং নদীৰ বেছি অংশই চুই গৈছে। বুঢ়ী দিহিং নদীৰ ফলত মোৰ সমষ্টিবাসীয়ে যিমান কষ্ট ভোগ কৰি আছে, সেইখিনি অন্য সমষ্টিত তুলনামূলক ভাৱে কম। আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে মোৰ সমষ্টিৰ নতুনবলাইৰ পৰা ইটাখুলীলৈকে প্ৰায় ৬-৭ খন মান ঠাইত খহনীয়া ইমান ভয়াৱহ ভাৱে হৈছে যে এই খহনীয়া ৰোধ কৰিবৰ বাবে মাননীয় মন্ত্ৰী মহোদয়ে কিবা নতুন ব্যৱস্থা লৈছে নেকি ? ইয়াৰ লগতে মই মন্ত্ৰী মহোদয়ক ধন্যবাদো জ্ঞাপন কৰিছো যে চৰকাৰখনৰ আৰম্ভণিৰ দিনৰ পৰাই তেখেতে মোৰ সমষ্টিত যথেষ্ট কাম কৰিছে কিন্তু তাৰ মাজতে বহুতো গৰাখহনীয়াৰ কাম কৰিব বাকী আছে। সেয়েহে, এই গৰাখহনীয়া ৰোধৰ কৰাৰ বাবে তেখেতে কিবা ব্যৱস্থা ল'ব নেকি ?

**শ্ৰী কেশৱ মহন্ত (জলসম্পদ বিভাগৰ মন্ত্ৰী)ঃ** মৰাণ সমষ্টিৰ সন্মানীয় বিধায়ক চক্ৰধৰ গগৈ ডাঙৰীয়াই জানে যে যোৱা বছৰ ডিব্ৰুগড় জিলাৰ আটাইকেইজন বিধায়কে মিলি কেইটামান আঁচনিত fund sanction কৰাটো বিচাৰিছিল কিন্তু, সেইটো কৰিব পৰা নগ'ল। সেয়েহে, এইটো বছৰত এই fund sanction কৰা হৈছে আৰু তেওঁলোকৰ সমষ্টিত মথাউৰি নিৰ্মাণ কৰি খহনীয়া ৰোধ কৰাৰ বাবে সম্পূৰ্ণ নহ'লেও সৰহ সংখ্যক fund দিয়া হ'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** Next Question No.85- আজিজ আহমদ খান।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য (শিক্ষা বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত উপস্থাপন কৰা হৈছে।

**শ্ৰী আজিজ আহমদ খান (দক্ষিণ কৰিমগঞ্জ)ঃ** মাননীয় অধ্যক্ষ মহোদয়,উত্তর আমি পেয়েছি। কিন্তু আমার সমষ্টিতে দীনদয়াল উপাধ্যায় আদর্শ মহাবিদ্যালযের বাউণ্ডারি ওয়ালের জন্য ৪৪ লক্ষ টাকা দেওয়া হয়েছিল। প্রায় তিন বছর হয়ে গেল **৫০০** মিটার কাজ হয়েছে কিন্তু **৪০০** মিটার কাজ এখনও বাকি আছে। অত্যন্ত দুঃখের বিষয় যে ৯০০ মিটার বাউণ্ডারি ওয়ালের মধ্যে মাত্র **৫০০** মিটার কাজ হয়েছে তিন বছরে। তাই আমি আপনার মাধ্যমে মন্ত্রী মহোদয়কে অনুরোধ করছি যে কাজটি যাতে তাড়াতাড়ি সম্পন্ন হয়।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য (শিক্ষা বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, RUSA ৰ কলেজ বিলাকলৈ আমাৰ যি fund আছে, সেইটো আমি transfer কৰি দিওঁ। কোন ঠিকাদাৰক কাম দিয়া হ'ব, কেনেকৈ দিয়া হ'ব, তেখেতসকলৰ লগত কি চুক্তি কৰা হ'ব, ইত্যাদি কথাবোৰ কলেজৰ Governing Body আৰু তাৰ নেতৃস্থানীয় ব্যক্তিসকল জড়িত হৈ থাকে। তেখেতসকলে এই ক্ষেত্ৰত সিদ্ধান্তটো লয়। ইয়াৰ লগত আমাৰ বিধায়কসকলো জড়িত হৈ থাকে। মাননীয় বিধায়ক গৰাকীয়ে যি উদ্বেগ প্ৰকাশ কৰিছে এই ক্ষেত্ৰত মই একমত। এই ক্ষেত্ৰত বিভাগীয়ভাৱে যি ব্যৱস্থা গ্ৰহণ কৰিব লাগে সেই ব্যৱস্থা গ্ৰহণ কৰিম। সন্মানীয় সদস্য গৰাকীয়ে তেখেতৰ সমষ্টিত যিহেতুকে পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয় এখন হোৱাটো বিচাৰিছে, সেয়েহে মই তেখেতক অনুৰোধ কৰিছো যে এই ৪০০ মিটাৰৰ কামৰ ক্ষেত্ৰত যাতে অলপ তদাৰক কৰে। কিয়নো বিভাগৰ ফালৰ পৰা আমাৰ ঠিকাদাৰ নিযুক্তি দিয়া নহয়। এই ক্ষেত্ৰত বিধায়ক ডাঙৰীয়াই যদি আমাক অলপ সহায় কৰে তেন্তে আমি কামখিনি সোনকালে কৰিব পাৰিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী আজিজ আহমদ খান (দক্ষিণ কৰিমগঞ্জ)ঃ** স্যার, এই কাজটি গৰ্ভনিং বডির মাধ্যমে হয়নি। কাজটি চলছে PWD Contractor এর মাধ্যমে।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য (শিক্ষা বিভাগৰ মন্ত্ৰী)ঃ** যদি PWD ৰ মাধ্যমেৰে কৰা হৈছে তেন্তে ই আপোনাৰ বাবে আৰু সুবিধা হ'ব কিয়নো PWD বিভাগটো এতিয়া সমষ্টিভিত্তিক হৈ গৈছে। Governing Body ৰ Presidentয়ে হয়তো আপোনাৰ কথা নামানিবও পাৰে। সেয়েহে, এই ক্ষেত্ৰত অনুগ্ৰহ কৰি আপুনি আমাক সহায় কৰক।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। Next Question No.86- Bhuban pegu.

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য (শিক্ষা বিভাগৰ মন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দাখিল কৰা হৈছে।

**শ্ৰী ভূবন পেগু (জোনাই)ঃ** অধ্যক্ষ মহোদয়, এই বিষয়টো আগৰ প্ৰশ্নটোত ইতিমধ্যে আহিছে। মই মন্ত্ৰী মহোদয় আৰু আমাৰ চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো যে এল.পি. স্কুল আৰু Upper primary ৰ Provincialization ৰ process টোৰ বাবে বাজেট ধৰি এইবাৰ SD ৰ বাবে আগবঢ়াই দিয়া হৈছে। কিন্তু, ইয়াৰ মাজতে এটা বিষয় আছিল যে, ০১-০১-২০১৬ ৰ আগৰ মহাবিদ্যালয়খিনি Provincialization ৰ processৰ আওঁতাত নাহিলে। যাৰ ফলত তেওঁলোকে খুব দুখ প্ৰকাশ কৰিছে। ইয়াত মই দেখিবলৈ পাইছো যে স্কুলৰ ক্ষেত্ৰত ৩২৬ খন স্কুল প্ৰাদেশিকীকৰণ কৰা হৈছে কিন্তু মহাবিদ্যালয়ৰ ক্ষেত্ৰত ৩০ খনতকৈ অধিক কলেজ Provincialization ৰ আওতাত থকা আমি দেখিবলৈ পোৱা নাই। সেয়েহে মহাবিদ্যালয়খিনি যাতে সোনকালে চৰকাৰী কৰণৰ আওতালৈ আনে তাৰবাবে মন্ত্ৰী মহোদয়ক আহ্বান জনাইছো।

দ্বিতীয়তে, ধেমাজি, ঢকুৱাখানা, জোনাই আৰু মাজুলী সমষ্টি ST reserved সমষ্টি, তাৰোপৰি মিচিং স্বায়ত্ত শাসিত পৰিষদৰ অধীনত পৰে। ইয়াত খুব দৰকাৰী ৫ খন মান মহাবিদ্যালয় যেনে বৰদলনি মহাবিদ্যালয়, সোৱণশিৰি মহাবিদ্যালয় ইত্যাদি মহাবিদ্যালয়বোৰ ইমান ধুনীয়াকৈ চলি আছে যে তাক ভেঞ্চাৰ মহাবিদ্যালয় বুলি কোনোৱে ক'ব নোৱাৰে। তাৰ আন্তঃগাঁথনি আৰু ছাত্ৰ-ছাত্ৰীৰ সংখ্যা Provincialized মহাবিদ্যালয়ৰ নিচিনা। মাত্ৰ প্ৰাদেশিকীকৰণ প্ৰক্ৰিয়াৰ কিছু দোষৰ বাবে অৰ্থাৎ concurrence পাওঁতে অলপ দেৰি হোৱা বাবে এই মহাবিদ্যালয়বোৰ আওঁতালৈ অহা নাই। অধ্যক্ষ মহোদয়, মাজতে যেতিয়া Provincialization Act pass হৈছিল, তেতিয়া মই মাননীয় মন্ত্ৰী মহোদয়ক এটা আহ্বান কৰিছিলো যে B.T.A.D., Karbi-Anglong, N.C Hills ক যেনেদৰে Provincialization Act ৰ পৰা ৰেহাই দিয়া হৈছে, ঠিক তেনেদৰে, সেই চাৰিটা সমষ্টি যিহেতুকে ST reserved constituency, লগতে Council ৰ অধীনত পৰে, ইয়াৰ এইকেইখন মহাবিদ্যালয়কো Provincialization Act ৰ বাহিৰত ৰাখি special consideration কৰি পৰৱৰ্তী ২০২০ চনৰ বাজেটত provincialization কৰিব পাৰি নেকিবুলি মোৰ মন্ত্ৰী মহোদয়লৈ অনুৰোধ থাকিল।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য (শিক্ষা বিভাগৰ মন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয়, প্ৰশ্নটো যিহেতুকে বিদ্যালয়ৰ ক্ষেত্ৰত আছিল সেয়েহে মহাবিদ্যালয়ৰ সঠিক তথ্য মই লৈ অহা নাই। কিন্তু থুলমুলকৈ তেখেতে যিটো বিষয় উত্থাপন কৰিছে, সেই বিষয়ত মোৰ যিমানখিনি মনত আছে তাৰ ভিত্তিত মই ক'ব বিচাৰিছো যে এই সম্পৰ্কত বিভাগতো আলোচনা কৰা হৈছে আৰু এই ক্ষেত্ৰত এটা সিদ্ধান্ত ল'বলৈ গৈ আছো। সিদ্ধান্তটো কেতিয়া ল'ম সেইটো হয়তো এতিয়া ক'ব নোৱাৰিম কাৰণ ইয়াত SD ৰ

কথা আহি পৰিব। আমি অহা বাজেটত হয়তো এইখিনি উত্থাপন কৰাৰ বাবে সুযোগ পাম। যিখিনি মহাবিদ্যালয় এই আইনৰ আওঁতাত আহিছে, সেইখিনি কলেজক চৰকাৰীকৰণ কৰিবলৈ আমি আইনগত ভাৱে প্ৰতিশ্ৰুতবদ্ধ আৰু সেয়া আমি পৰৱৰ্তী সময়ত কৰিম। এই বিত্তীয় বৰ্ষত আমি যদি SD পাওঁ, তেন্তে আপোনাৰ বিষয়টো তৰান্বিত কৰিম নহ'লে পৰৱৰ্তী সময়ত এই ক্ষেত্ৰত আমি পদক্ষেপ ল'ম।

**মাননীয় অধ্যক্ষঃ** এতিয়া ৰফিকুল ইছলাম।

**শ্ৰী ৰফিকুল ইছলাম (জনিয়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ভেঞ্চাৰ স্কুলৰ সম্পৰ্কত মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে যথেষ্ট positive response দিছে আৰু ইতিমধ্যে পদক্ষেপো লৈছে। তাৰ বাবে তেওঁক ধন্যবাদ জনাইছো। পেগু ডাঙৰীয়াই যিদৰে মহাবিদ্যালয়ৰ কথা ক'লে, তেনেধৰণেৰে আৰু বহুতো মহাবিদ্যালয় আছে।

**মাননীয় অধ্যক্ষঃ** আজি Collegeৰ কথা নানিব। Supplementary should always be related with the question. This question is related to provincialization of venture schools. গতিকে এজন সদস্যই ক'লে বুলিয়েই আপুনি আকৌ নুলিয়াব। বেলেগ প্ৰশ্ন আছে যদি কওঁক।

**শ্ৰী ৰফিকুল ইছলাম (জনিয়া)ঃ** ঠিক আছে অধ্যক্ষ মহোদয়। Provincialized হোৱা Venture M.E. Madrassa বোৰত হিন্দী আৰু আৰবী বিষয়টো লোৱা হৈছিল। সেয়েহে বৰ্তমানৰ Venture M.E. Madrassa বোৰতো হিন্দী আৰু আৰবী বিষয়টো লোৱাৰ বাবে বিবেচনা কৰিব লাগে। ইয়াৰ লগতে অধ্যক্ষ মহোদয়, ১৭৬ খন provincialized College ৰ ৭০০ টা পদ খালী হৈ আছে।

**মাননীয় অধ্যক্ষঃ** আপুনি এনেকৈ সময় নল'ব। This is not the right way of putting supplementary. I will not allow you. Please sit down.

মন্ত্ৰী ডাঙৰীয়া, আপোনাৰ ক'ব লগীয়া আছে নেকি ?

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য (শিক্ষা বিভাগৰ মন্ত্ৰী)ঃ** নাই অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষঃ** Next Question No. 87- Ganesh Kumar Limbu.

**শ্ৰী গণেশ কুমাৰ লিম্বু (বৰচলা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে মোৰ সমষ্টিত গৰাখহনীয়া আৰু বানপানী এক ভয়াৱহ সমস্যা। বিশেষকৈ ব্ৰহ্মপুত্ৰ নদীয়ে ত্ৰিশ কিলোমিটাৰ মান চুই গৈছে। প্ৰত্যেক বছৰে ইয়াত বানপানী আৰু গৰাখহনীয়া হয়। কিছুমান প্ৰশ্ন মই ইয়াত দাঙি ধৰিছিলো। ইয়াৰ উত্তৰসমূহো ইয়াত পাইছো। কিন্তু ইয়াত লিখা আছে যে বিশ্বনাথ পানপুৰ বান ব্যৱস্থাপনাত ৭৭.২৮ শতাংশ কাম আৰম্ভ হৈছে। বাকী কাম সম্পূৰ্ণৰূপে বন্ধ হৈ গৈছে। মই দেখিছো যে এই কাম সম্পূৰ্ণ নোহোৱাৰ বাবে এক বিস্তীৰ্ণ অঞ্চল ঝাৰণীৰ পৰা শিঙৰী, চিতলমাৰী লৈকে এক বৃহৎ অঞ্চল য'ত মথাউৰি নাই। যাৰ ফলত গৰখহনীয়া হয়, বানপানী সোমাই আৰু মানুহৰ মৃত্যু হয়। সেয়েহে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বিচাৰিছো যে ইয়াত যিধৰণে ব্যৱস্থা ল'ব বুলি কোৱা হৈছিল। কিন্তু সেইধৰণে শিঙৰী, ঝাৰণী, চিতলমাৰী আদি অঞ্চলৰ বাবে বিশেষ ব্যৱস্থা লোৱা হোৱা নাই। এই বিষয়ে জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়ক।

**শ্ৰী কেশৱ মহন্ত (জলসম্পদ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মনীয় বিধায়ক গৰাকীয়ে যি কথা উল্লেখ কৰিছে, তাত কিন্তু কিছু আঁচনি লোৱা হৈছে আৰু আঁচনিৰ তালিকাখন তেওঁক

দিছো। কিছুমান আঁচনিৰ কাম সম্পূৰ্ণ হৈছে আৰু কিছুমান আঁচনিৰ কাম বাকী আছে। এ এচ ডি এম এ, এচ ডি আৰ এফ ৰ কাৰণে যিটো অনুমোদন লাগে, সেই অনুমোদনৰ বাবে দিয়া হৈছে। আমাৰ কিছুমান কথা এনেকুৱা হৈছে যে তেখেতে পানপুৰৰ যিটো কথা কৈছে, যিটো এ এম পি সেই এই এম পিত আগৰ চৰকাৰে শ শ ঠিকাদাৰ দিছিল। যাৰ ফলত আজিৰ দিনত আমি শ শ ঠিকাদাৰক নিয়ন্ত্ৰণ কৰিব পৰা অৱস্থাত নাই। তাৰে কিছুমানে কাম কৰা নাই আৰু কিছুমানে কাম এৰি গুচি গৈছে। গতিকে কেন্দ্ৰীয় চৰকাৰে ইয়াৰ পুঁজিখিনি এই বছৰৰ ২০ মাৰ্চৰ পৰা বন্ধ কৰি দিছে। সেই কাৰণে আমি কৈছো যে যিখিনি লৈকে কাম কৰিছে সেইখিনিতে কাম বন্ধ কৰি আমাক দি দিব লাগে। এতিয়া এইটো পৰ্য্যায়ত আছে। গতিকে এফ এম পিৰ কাম কিছুমান স্থানত সম্পূৰ্ণ হৈছে। কিন্তু সকলো ঠাইত কাম সম্পূৰ্ণ কৰিব পৰা নাই আৰু ঠিকাদাৰ বিচাৰি পোৱাই টান হৈছে। আগৰ চৰকাৰৰ দিনত যি ঠিকাদাৰক কাম দিছিল সেইসকলে এতিয়া অলপ অলপ টকাৰ কাম পাইছে। মানে এশ কোটিৰ প্ৰজেক্টত কোনোবাই দহ লাখ বা বিশ লাখৰ কাম পাইছে। ঠিকাদাৰ সকলক বিচাৰি পোৱা নাযায়। গতিকে কামসমূহ এনেকুৱা হৈছে আৰু আমি বন্ধ কৰিবলৈ দিছো। বাকী শিঙৰী আৰু অন্যান্য ঠাইৰ কথা কৈছে। সেইখিনি কৰিবৰ বাবে আমি ব্যৱস্থা ল'ম। নতুন মথাউৰি নিৰ্মাণৰ ক্ষেত্ৰত তেখেতে যিটো জৰীপৰ কথা কৈছে সেইটো আমি জৰীপ কৰিছো আৰু এতিয়া পি এচ চিক দিম। নতুন মথাউৰি নিৰ্মাণৰ যোজনা বৰ্তমান নাই। সেই ক্ষেত্ৰত আমি বিশেষ ব্যৱস্থা ল'ম।

**মাননীয় অধ্যক্ষ ঃ** কিবা চাপ্লিমেণ্টৰী আছে নেকি ?

**শ্ৰী গণেশ কুমাৰ লিম্বু (বৰচলা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ অঞ্চলৰ বানপানী আৰু গৰাখহনীয়াৰ সম্পৰ্কত মই বিভাগীয় বিষয়াৰ লগত আলোচনা কৰিছো আৰু তাৰ কিছু সমস্যা সমাধানৰ বাবে মই মন্ত্ৰী মহোদয়ক লিখিছো আৰু আমাৰ যেতিয়া গৰাখহনীয়া হৈছিল আৰু বহুলোকৰ মৃত্যু হৈছিল। আমাৰ মাননীয় বিত্ত মন্ত্ৰী তালৈ গৈছিল আৰু ৰাইজক কিছুমান আশ্বাস দিছিল। সেয়েহে মই বিচাৰিছো যে মই যিটো প্ৰপোজেল পঠিয়াইছো, সেইটো বিভাগীয় বিষয়াৰ দ্বাৰা কাৰ্য্যকৰী কৰে। ধন্যবাদ।

**শ্ৰী কেশৱ মহন্ত (জলসম্পদ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই গোটেইখিনি কথা জানো আৰু তেখেতৰ লগত আলোচনা কৰিছো। তেখেতে লিখিত ভাৱেও মোক দিছে। আমাৰ মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াই তাত ভ্ৰমণ কৰি আহি মোক কৈছে যে তাত গুৰুত্ব দিব লাগে। মই অতি সোনকালে ইয়াৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মৌখিক প্ৰশ্ন নং-৮৮। হাফিজ বছিৰ আহমেদ ডাঙৰীয়াই কওঁক।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য (শিক্ষা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী হাফিজ বছিৰ আহমেদ (বিলাসীপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে জনোৱা মতে মহাবিদ্যালয়ৰ পৰা চিনিয়ৰ মাদ্ৰাছা, আৰবী কলেজ তথা নিম্ন প্ৰাথমিক বিদ্যালয়লৈকে প্ৰায় দুই লাখ একৈশ হাজাৰ পদ আছে। সেই দুই লাখ একৈশ হাজাৰ পদৰ ভিতৰত আজিৰ দিনত বিভাগৰ পৰা দিয়া তথ্য অনুসৰি ৪২,১৮৯টা পদ খালী হৈ আছে। প্ৰায় মুঠ পদৰ চাৰি ভাগৰ এক শতাংশ। ইয়াৰ ভিতৰত কলেজৰ শিক্ষক আছে ৮০৫ জন, কনিষ্ঠ মহাবিদ্যালয়ৰ, উচ্চতৰ মাধ্যমিক বিদ্যালয়-২১,৫৬২টা। প্ৰাক্-চিনিয়ৰ মাদ্ৰাছা চিনিয়ৰ মাদ্ৰাছা, টাইটেল মাদ্ৰাছা আৰু আৰবী কলেজ ৮০৭টা। এই ধৰণে প্ৰাথমিক শিক্ষা পৰ্য্যায়ত ৮,১৪১টা। নিম্ন বিদ্যলয়ত ১০,৮৭৪টা পদ খালী আছে। ঘৰ এটা দুদিন পিছত হ'লেও কোনো অসুবিধা নহয়। কিন্তু শিক্ষাৰ ক্ষেত্ৰত কোনো

ধৰণৰ কম্প্ৰ'মাইজ কৰিব নোৱাৰি। যদি এদিন শিক্ষক বিদ্যালয়লৈ নাহে তাৰ ক্ষতি পূৰণটো পৰৱৰ্তী সময়ত পূৰণ নহয়। সেই কাৰণে পৰৱৰ্তী সময়ত মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে এইবোৰ পূৰণ কৰাৰ বাবে কিছুমান পদক্ষেপ লোৱা বুলি জনাইছে। কিন্তু এই পদ খালী থকাৰ যিটো ইতিহাস সেইটো এক বছৰত হোৱা নহয়, সেইটো বিগত বছৰৰ পৰা আমি দেখি আহিছো একে পৰ্য্যায়তে আছে। সেয়েহে মাননীয় মন্ত্ৰী মহোদয়ক আহ্বান জনাম যে যিহেতু এইটো এটা চিৰিয়াচ বিষয় হয় আৰু এইটো নিৰাময় কৰাৰ বাবে তেওঁ কি কাৰ্য্যকৰী পদক্ষেপ গ্ৰহণ কৰিব এই সম্পৰ্কে মই জানিব বিচাৰিছো।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য (শিক্ষা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক ডাঙৰীয়াই যিটো উদ্বেগ প্ৰকাশ কৰিছে, সেই উদ্বেগৰ লগত মইয়ো এক মত। কিন্তু আমাৰ শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত আমি বহুতো বাধাৰ সন্মুখীন হৈছো। তাৰ ভিতৰত এটা মূল বাধা হৈছে- আমি নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰাৰ লগে লগে কোনোবা এজনে হাই কোৰ্টত গৈ ষ্টে অৰ্ডাৰ এটা লৈ আহে। মই উদাহৰণ স্বৰূপে কৈছো যে প্ৰাথমিক শিক্ষাৰ অধীনত ৯৫৩৬টা নিয়মীয়া শিক্ষকৰ পদ খালী হৈ আছে। এই পদসমূহ নিযুক্তি দিয়াৰ বাবে আমি যি জাননী বা বিজ্ঞাপন প্ৰকাশ কৰিব লাগে, সেইটো প্ৰকাশ কৰিলো। তাৎক্ষণিকভাৱে কোনোবা এজনে হাই কোৰ্টত গৈ ষ্টে অৰ্ডাৰ এটা লৈ আহে। পৰৱৰ্তী সময়ত আমি যিমান সোনকালে পাৰো হাই কোৰ্টত কেচটো শেষ কৰাৰ বাবে কোৰ্টে এটা অৰ্ডাৰ দিলে যে টেট পৰীক্ষা পাতক আৰু আমি টেট পৰীক্ষাও পাতিছো। টেট পৰীক্ষাৰ যেতিয়া ফলাফল ওলাব, তেতিয়াই আমি নিযুক্তি প্ৰক্ৰিয়াটো আৰম্ভ কৰিম। এইটো এটা মই উদাহৰণস্বৰূপে কৈছো। ঠিক তেনেকৈ প্ৰত্যেক বিভাগতে এইটো অৱস্থা হৈছে। সিদিনাখন মাদ্ৰাছা শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত ময়ো কৈছো যে হাই কোৰ্টক লৈ তেওঁলোকে প্ৰায় তিনি বছৰ গোটেই প্ৰক্ৰিয়াটো বন্ধ কৰি থলে। মই যিহেতু নিজেও অধিবক্তা আছিলো, সেয়েহে গোটেই বিষয়টো নিজাববীয়াকৈ চাই আমি কেচটো নিজৰ পক্ষলৈ আনিলো। তাৰ বাবে আপোনালোকে হয়তো আমাৰ শলাগ ল'ব। মাদ্ৰাছাত যিবোৰ পদ পূৰণ কৰিব পৰা নছিলোসেইখিনিও আমি পুৰণ কৰিব পাৰিম। আপুনি যিটো উদ্বেগ প্ৰকাশ কৰিছে সেইটোক ময়ো সমৰ্থন কৰো। যদি স্কুলত শিক্ষক নাথাকে, য'ত শিক্ষক নিযুক্তি দিব পৰা চৰকাৰৰ পদ আছে, কিন্তু এক মাত্ৰ বিভিন্ন কাৰণত আমি এই পদবোৰ পূৰণ কৰিবলৈ অসুবিধাত পৰিছিলো। লাহে লাহে আমাৰ এই আইনগত বাধাবোৰ যেনেকৈ ৯৫৩৬ টা পদ, এতিয়া ৯৫৩৬ টো গৈ ১৪হাজাৰ শিক্ষকক আমি এবাৰত নিযুক্তি দিব পাৰিম। তেখেতে যিটো উদ্বেগ প্ৰকাশ কৰিছে সেই উদ্বেগটোৰ লগত মই একমত।

( পইন্ট অব অৰ্ডাৰ )

**মাননীয় অধ্যক্ষ ঃ** I will allow everybody. শ্ৰী আব্দুৰ ৰহিম আজমল ।

**শ্ৰী আব্দুৰ ৰহিম আজমল (যমুনামুখ)ঃ-** Respected Speaker sir,

**মাননীয় অধ্যক্ষ ঃ** Whether it is a Point of Order or something else.

**শ্ৰী আব্দুৰ ৰহিম আজমল (যমুনামুখ)ঃ** Just one suggestion sir,

**মাননীয় অধ্যক্ষ ঃ** No suggestion. please. I will take point of order first then I will here you if necessary. Not now. point of order কাৰ কাৰ আছে?

**শ্ৰী প্ৰশান্ত ফুকন (ডিব্ৰুগড়) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি এই বিধান সভাৰ চৌহদৰ ভিতৰত আমি প্ৰত্যেকজন ব্যক্তিয়ে এটা কথা উপলব্ধি কৰিছো, আমাৰ যিটো network system BSNL

হওঁক বা বাকী বিলাকৰ দিনক দিনে দুৰ্বল হৈ গৈছে। Wifi লগাইছে যদিও ভাল হোৱা নাই। সেই ব্যৱস্থাটো আৰু উন্নতি কৰি পৰা যায় নেকি তাৰ কাৰনে আপোনাক দৃষ্টিগোচৰ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** আপুনি মোৰ চেম্বাৰলৈ আহিব, আমি অলপ কথা পাতি ল'ম। নিশ্চিত ভাবে It is a very important thing এতিয়া ড০ নোমল মমিন।

**ড° নোমল মমিন (বোকাজান) ঃ** অধ্যক্ষ মহোদয়, মোৰ তৰা চিহ্নিত প্ৰশ্ন নং ৯০ত কাৰ্বি আংলঙত এতিয়া বৰ্তমান হায়াৰ ছেকেণ্ডাৰী স্কুলত ৫২ গৰাকী শিক্ষকৰ পদ খালী হৈ আছে। গতিকে মই যিখন স্কুলত পঢ়িছিলো তাত মাত্ৰ এগৰাকী শিক্ষকে কাম কৰি আছে। এতিয়া টেট পৰীক্ষা পাতিব বুলি কৈছে, এইটো কেতিয়া পাতিব?

**মাননীয় অধ্যক্ষ ঃ** আপুনি মন্ত্ৰীৰ লগত কথা পাতিলে হ'ব। এইটো পইন্ট অব অৰ্ডাৰ নহয়। এতিয়া শ্ৰীবিমল বৰা।

**শ্ৰীবিমল বৰা (টিংখং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ভাল সামাজিক আচৰণৰ কাৰণে অসমীয়া জাতিৰ সুনাম চৌদিশে আছে। গনতান্ত্ৰিক আন্দোলনক আমি সন্মান কৰো। কিন্তু আজি কেই দিন মানৰ আগত গনতান্ত্ৰিক আন্দোলনৰ নামত আমাৰ মাননীয় মুখ্য মন্ত্ৰী সৰ্ব্বানন্দ সোনোৱাল ডাঙৰীয়াৰ বাসগৃহত এটা মাংগলিক অনুষ্ঠান চলি থকা অৱস্থাত তেখেতৰ উপস্থিতিৰ সময়তে এটা সংগঠনক অসামাজিক আচৰণ কৰা আমি দেখিবলৈ পাইছো। মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ সন্মুখত গনতান্ত্ৰিকভাৱে কিছু কথা কোৱাটো একো অপৰাধ নহয়। কিন্তু যেতিয়া এখন ঘৰত এটা ভাল পৰিবেশৰ মাজত মাংগলিক অনুষ্ঠান এটা হৈ আছে। যিহেতু ভাল আচৰণৰ কাৰণে অথবা ভাল চিন্তা-চৰ্চ্চাৰ কাৰণে সমগ্ৰ অসমত অসমীয়া জাতিৰ সুনাম আছে তেনে ক্ষেত্ৰত আমি ভাবো যে সকলোৱে সংযত হ'ব লাগে আৰু বিধান সভাৰ মজিয়াটো যাতে আমাৰ এনেধৰণৰ আচৰণৰ কাৰণে সমগ্ৰ অসমীয়া জাতি বিশ্ববাসীৰ আগত লজ্জানত হ'ব নালাগে। কাৰন বাতৰি কাকতত ইতিমধ্যে প্ৰকাশ হৈছে। এইটো অতি দুৰ্ভাগ্যজনক কথা। গতিকে এই ক্ষেত্ৰত মই ভাবো সামাজিক আচৰণৰ ক্ষেত্ৰটো বিধান সভাৰ মজিয়াত কিছু আলোচনা হোৱা ভবিষ্যতে প্ৰয়োজন আছে।

**মাননীয় অধ্যক্ষ ঃ** Thank you, not only this Chief Minister, he is the head of our state তদুপৰি আমাৰ বিধায়ক সকলৰ ঘৰতেই হওঁক বা অন্য আমাৰ যিখিনি সামাজিক ভাবে প্ৰতিষ্ঠিত ব্যক্তিসকলৰ ঘৰতো কেতিয়াবা যে এনেকুৱা ধৰণৰ আচৰণ হৈ থাকে কাৰণ protest টো সদায় থাকে, কিন্তু protest টো ক'ত কৰিব লাগিব কেনেকৈ কৰিব লাগিব জানিলে ভাল। আজি আমি বৃটিছ পাৰ্লিয়ামেন্টৰ, আপোনালোকে কেতিয়াবা চাই নে নাচাই নাজানো, বেক চিটক লৈ কিমান হুলস্থুল লাগিলে, এজন প্ৰধান মন্ত্ৰী গুছি যাবলগা হ'ল। নতুন প্ৰধান মন্ত্ৰী আহিল, কিন্তু তাত ডিবেট বিলাক এনেকুৱাকে হয় যে তাত যুক্তিৰেহে কাটে মেম্বাৰসকলক, কেতিয়াও অন্যধৰণে প্ৰথা নলয়। গতিকে আমি বহুত শিকিবলগীয়া আছে। I agree with you.এনেকুৱা যাতে ভবিষ্যতে নহয় তাৰ কাৰণে চিন্তা কৰিম। এতিয়া শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ তঁৰাবিহীন প্ৰশ্ন ২১৫ (ক) আমাৰ গুৱাহাটী উন্নয়ন বিভাগৰ বিষয়ে মাননীয় উত্তৰ দিছে যে ২০১৬-১৭ ত মই স্মাৰ্ট চিটি সম্পৰ্কত সুধিছিলো, ১৯৮ কোটি আৰু ২০১৭-১৮ চনত কোটি টকা, কি কোটি টকা, এইটো ছাৰ বুজি পোৱা নাই, আৰু এটা আছে যে মোৰ এটা প্ৰশ্ন আছিল, ২০১৭-১৮ আৰু ২০১৮-১৯ ত(ঘ) নং টোত ইয়াত দুয়োটা বছৰৰ পৰিশিষ্ট (ক) ত দাখিল কৰা বুলি কৈছে, এতিয়া দেখা গৈছে যে, ২০১৭-১৮ ৰ হে দাখিল কৰিলে। ২০১৮-১৯ ৰ কোনো তালিকা দাখিল কৰা নাই। সেয়েহে

মই অনুৰোধ জনাইছো মাননীয় মন্ত্ৰী মহোদয়ক দুদিন যি হেতু আমাৰ এচেম্বলি আছে, তালিকাখন দিলে ভাল হ'ব।

**মাননীয় অধ্যক্ষ** ঃ- ঠিক আছে। শ্ৰী চাহাবুদ্দিন আহমেদ।

**শ্ৰী চাহাবুদ্দিন আহমেদ (জলেশ্বৰ)** ঃ অধ্যক্ষ মহোদয়, মোৰ এটা প্ৰশ্ন আছিল, ২১৩ নং মই দিছিলো তৰাঁ চিহ্নিত প্ৰশ্ন কিন্তু আহি গ'ল তঁৰাবিহীন।

**মাননীয় অধ্যক্ষ** ঃ- এইটো কিয় আহিলে গম পাইনে, এইটো আহে ২০ টা প্ৰশ্ন মাত্ৰ লটাৰীত allow হয় তৰাঁ চিহ্নিত প্ৰশ্ন থাকিলেও যদি আমাৰ তঁৰাবিহীন প্ৰশ্ন কম থাকে, ৫০ টা প্ৰশ্ন তঁৰাবিহীন থাকিলে আমি তঁৰাচিহ্নিত যিবিলাক লটাৰীত নাহিল সেইখিনি আমি unstarred লৈ automatic transfer লৈ কৰি দিওঁ। সেই কাৰণে গৈছে অন্য কাৰণত নহয়।

**শ্ৰী চাহাবুদ্দিন আহমেদ (জলেশ্বৰ)** ঃ অধ্যক্ষ মহোদয়, মই যিটো প্ৰশ্ন আনিছিলো, ২১৩ নং ২০১৪-১৫ ত স্কীম এটা হ'ল। মঠউৰি ৩ কিঃমিঃ চিঙা আছিল, তাত যিখিনি মঠাউৰি বন্ধাৰ কাৰণে, তেতিয়া মই মন্ত্ৰী মহোদয়কা অনুৰোধ কৰিছিলো, তেখেত যোৱা নাছিল। কিন্তু বিভাগক অৰ্ডাৰ দিছিল, কামটো কৰাৰ কাৰণে, কামটো কৰিলো ছাৰ। তাৰে যিখিনি ৩ কিঃ মিঃ মঠাউৰি ৫ বছৰ ছিঙা আছিল, সেইটো বান্ধিলো। দুখীয়া মানুহৰ মাটি অধিগ্ৰহন কৰা হ'ল। কিন্তু সেইখিনি মানুহে এতিয়ালৈকে ১টকাওপোৱা নাই? দ্বিতীয়তে যি সকল ঠিকাদাৰে কাম কৰিছে, সেই ঠিকাদাৰ সকলে এতিয়ালৈকে পইচা পোৱা নাই। কিন্তু এইটো যিটো স্কীমত দিয়া হৈছিল, FMP 12 plan 14-15, ইয়াত ৮৯ জন ঠিকাদাৰক পইচা আদায় দিয়াটো দেখুওৱা হৈছে। কিন্তু যিখিনি মূল মাটি, মাটিৰ কাম কৰা ঠিকাদাৰ বা মাটি যিখিনি মানুহে দিলে, তেওঁলোকক এটা পইচাও নিদিলে। ক'ত ছাৰ, আৰ চি চি ৰ পেইন্ট, টাইলচ্ আদি কৰি বিষয়া সকলৰ অফিচ ৰূম সজাওতেই টকাখিনি খৰচ কৰিলে, কিন্তু যিখিনি দুখীয়া মানুহ, যিখিনি মানুহে কষ্ট কৰিলে, সেই সকল লোকে আজিলৈকে পইচা পোৱা নাই।

**মাননীয় অধ্যক্ষ** ঃ আপোনাৰ যিখিনি কথা আছে, মন্ত্ৰীক লগ কৰি ক 'ব। প্ৰশ্নৰ উত্তৰত আপোনাৰটো অসুবিধা হোৱা নাই। আপুনি কৈছে পইচাটো যিয়ে পাবলগীয়া আছে, পোৱা নাই। you please contract minister and then if you are unsatis fied then tell me.

**শ্ৰী চাহাবুদ্দি আহমেদ (জলেশ্বৰ)** ঃ হয় ছাৰ।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে, এতিয়া শ্ৰীআনোৱাৰ হুছেইন লস্কৰ।

**শ্ৰীআনোৱাৰ হুছেইন লস্কৰ (হাইলাকান্দি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা প্ৰশ্ন আছিল ২১৬ water Resource Department ৰ। SDRF ৰ যিবিলাক কাম হৈ আছে বা সম্পুৰ্ণ হৈছে, ইয়াৰ অফিচাৰ বিলাকে completion Report নিদিয়ে সময়ত। মন্ত্ৰীয়ে নিজে কৈ দিলে তাৰ পাছতহে দিব। তেওঁলোকে যিবোৰ চিচটেম লগাইছে, সেইটো ক'বলৈ টান লাগে। কিন্তু অফিচাৰ বিলাকে তেওঁলোকৰ যিটো percentage বিছাৰে ঠিকাদাৰে সেইটো ক'ৰ পৰা দিব? এনেকুৱা যদি হয়, কামেই নহ'ব।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। আপুনিও এবাৰ চাহাবুদ্দিন আহমেদৰ লগত যাব, মন্ত্ৰীক লগ কৰিব। যদি সন্তুষ্ট নহয় মোক জনাব।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, কথাটো হৈছে, এইবাৰ আমি দেখা পালো, আমাৰ প্ৰতিজন বিধায়কে তঁৰাচিহ্নিত বা তঁৰাবিহীন প্ৰশ্ন যিবিলাক কৰিছো, বেছিভাগ ঘূৰি যায়। কথাটো হৈছে, access 70 হোৱাৰ কাৰণে, এই যে আমাৰ ৭০ টা প্ৰশ্ন এইটো

বঢ়াই ১০০ টা কৰিব পাৰি নেকি ? যাতে আমাৰ প্ৰত্যেকৰ প্ৰশ্নটো আহে।

**माननীয় অধ্যক্ষ ঃ** ঠিক আছে। এইটো মই কৰা কথা নহয়, বি এ চি বহিব লাগিব। বিএচি ত আপোনালোকৰ লিডাৰক ক'ব। আমি আলোচনা কৰিম। কিন্তু কথা হৈছে আমি পাৰিলে ১০ টা প্ৰশ্ন তৰাচিহ্নিত কৰো নেকি, মই মই সেইটোহে ভাবি আছো। কাৰণ কোনো দিনে ১০ টা নাযায়। মানুহখিনিক আমি এনেই কৰাৰ নিচিনা হয়। বহুতে আশা কৰে। এইটো এটা বেলেগ বস্তু। আজমল আপুনি কি কৰ খুজিছিল এতিয়া কওঁক। মই আজি যিহেতু শেষৰ দিন কালিলৈ আমাৰ বিধান সভাত এই বিলাক নাথাকে মই সেই কাৰণে allow কৰিছো।

**Shri Abdur Rahim Ajmal, Jamunamukh:** Thank you Respected Speaker Sir. Along to save gurd the environment and specially when Prime Minister is giving so much important climate in change.We should initiate the process on this Assembly to go paper less and I believe, everybody knows how to operate tablet or anything. But some of the Members if they don't know how to do it. Then they should get the papers rest all of us who are comfortable with any kind of technogical advances we should go atleast paperless.

**Hon'ble Speaker :** Thank you. You should told me that this matter is related to my Assembly. I would have allowed you. This is a very good question. We are trying my level best to go paper less within a very short period of time and I would like to inform you that I have been made Chairman of a Committee all the State in Assembly with 7 Members to give the recommendation. I am very happy to tell you that I will submit the recommendation behalf of the Committee on 17th December at Dehradun where the Presiding Officers meet will held. And I am also hopeful that around 700 Crores has been sanctioned that Central Government. Now it is our duty to utilise those money not for us all the States. So, we are trying my our level best as you are very rightly put to one question. Some of us not very friendly with that system and some of us is very friendly. So, we will have to learn. Thank you very much for your suggestion. কি ক'ব খুজিছে শ্ৰীদেৱব্ৰত শইকীয়া।

**শ্ৰীদেৱব্ৰত শইকীয়া (নাজিৰা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ যিটো খুব short duration ৰ Session আৰু Time constrain আৰু বিভিন্ন pressure যিহেতু ল'ব লগা হৈছে মই তাক appreciate কৰিছো। তথাপিতো মহোদয়, আজিও মই এটা Zero Hour দিছিলো, আহিব নে নাহে মই নাজানো। এযাৰ কথা ক'ব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্নটো কিহৰ আছিল।

**শ্ৰীদেৱব্ৰত শইকীয়া (নাজিৰা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, Zero Hour দিছিলো, CAB আৰু NRC ৰ সন্দৰ্ভত এযাৰ ক'ব বিচাৰো এই বিষয়ে।

**माननीय अध्यक्षः** नकলে আপোনালোকে, মই দিছিলো। এতিয়া আজি কোৰা সময় নাই। মই একমিনিট দিছো।

**শ্ৰীদেৱব্ৰত শইকীয়া (নাজিৰা)ঃ** মহোদয় শ্ৰী অমিত শ্বাহ ডাঙৰীয়াই ২০ নৱেম্বৰ তাৰিখে যিটো ক'লে যে অসমত পুনৰবাৰ NRC হ'ব আৰু নাগৰিকত্ব সংশোধনী বিধেয়কখন আনিব। আমি এই নৱেম্বৰ মাহৰ শেষৰ সপ্তাহত সংবিধান দিৱস পাতিলো আৰু আমি ভাবো যে, যিখন নাগৰিকত্ব সংশোধন বিধেয়ক এইখন অসাংবিধানিক যিহেতু Article 14.

**माननीय अध्यक्षः** তেনেকৈ নক'ব এতিয়া। আপুনি Comment দিয়ক। কিন্তু এইটো debate হৈ যাব।

**শ্ৰীদেৱব্ৰত শইকীয়া (নাজিৰা)ঃ** আপোনাৰ জৰিয়তে কথাখিনি ক'ব বিচাৰো।

**माननीय अध्यक्षः** আপুনি বিৰোধী দলৰ দলপতি, মই সেইকাৰণে কৈছো। আপুনি এইটো দি দিয়ক। মই সেইখিনি চাই লম। I want to allow you discussion on adjournment motion. But you have left the House.

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, CAB ৰ বিষয়ে আলোচনা কৰিব দিয়ক।

**माननीय अध्यक्षः** Shri Rakibul Hussain, don't say, I am not coperating you. Please.

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, adjournment motion ত নিদিলে।

**माननीय अध्यक्षः** আপুনি নাজানে কাৰণে কৈছে। This is not the way. You must know when and how an adjournment motion is moved.

**শ্ৰীযোগেন মহন (মাহমৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্ন নম্বৰত ২০৫ ত ষ্টেম্প মাৰিলে। Not related to the Department. Tea Tribes Welfare Department এটা আছে।

**माननीय अध्यक्षः** আপুনি উত্তৰটো পাইছে নে মোক সেইটো কওঁক।

**শ্ৰীযোগেন মহন (মাহমৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয় উত্তৰে নাই।

**माननीय अध्यक्षः** কথা এটা হৈছে, মই আপোনালোকক কওঁ। ইয়াত চাহন জনজাতি কল্যাণ এই বিভাগৰ এই বিষয়টো নহয় বুলি হয়তো তেওঁলোকে আমালৈ উত্তৰ দিছে। আমি চাম, মোৰ ৰুমলৈ আহিব। কাৰণ এইটো সাধাৰণতে নকৰে। আজি এটা সাংস্কৃতিক পৰিক্ৰমা দপ্তৰৰ এটা প্ৰশ্ন তেনেকৈ defer কৰিছে। এই কাৰণে কৰিছে যে সাংস্কৃতিক বিভাগটো দুটা ভাগত ভাগ কৰিছে। যিজন মন্ত্ৰী আছিল সেইটো আজি নাছিল। গতিকে পৰৱৰ্ত্তী যি জনৰ হাতত আছিল, তেওঁৰ হাতত তথ্যটো নাছিল কাৰণে defer কৰিবলগা হ'ল। মই সেইটো চাম। এতিয়া শূণ্যকালীন ঘণ্টা।

**Shri Sherman Ali Ahmed, Baghbar:** Hon'ble Speaker Sir, before you start zero hour, I would like to mention one thing. I send a notice to you under Article 130 A for holding a discussion on Land Policy 2019.

**Hon'ble Speaker:** I have received another notice also. But we can discuss all these only on Tuesday and Friday. So, we have full of Business. If you want to extend it that will be a different matter. আমি

নোৱাৰিলো। বেয়া নাপাব। আমি Land Policy ৰ ওপৰত আলোচনা দিম। এমাহ বা দুইমাহৰ ভিতৰত হ'ব। আমি এইবাৰ নোৱাৰিম।

**Shri Sherman Ali Ahmed, Baghbar:** Sir, I will go through the provision of the Rule 1.

**माननीय অধ্যক্ষঃ** আপুনি মোক পিছত ক'ব। মই ক'লো যে মই নোৱাৰিম।

**Shri Sherman Ali Ahmed, Baghbar:** Sir, this is a serious issue.

**মাননীয় অধ্যক্ষঃ** মই আপোনাক ক'লো যে সময় নাই। নাই পৰা। আজি এটা মূল্য বৃদ্ধি হৈছে। যিকোনো উপায়েৰে মিলাইছো।

**Shri Sherman Ali Ahmed, Baghbar:** Rule টো put কৰিব দিয়ক।

**মাননীয় অধ্যক্ষঃ** Rule টো নালাগে। মই বুজি লম।

**Shri Sherman Ali Ahmed, Baghbar:** এই Rule ত কোনো কথা নাই নাই যে, কোন দিনা দিব।

**মাননীয় অধ্যক্ষঃ** Special Motion কেতিয়া আহে জানে নে নাই?। This is Special Motion. During Special Motion period I will place it. If you want to debate come to my chamber I will debate. I will not allow you.

**Shri Sherman Ali Ahmed, Baghbar:** Sir, please allow to me.

**মাননীয় অধ্যক্ষঃ** মই আপোনাক ক'লো এনেকৈ নহয়। আপোনাৰ যি মন যায় তাকে ইয়াত নক'ব। এই কথাটো আলোচনা কৰিম বুলি কৈছো। I am not allowing you. You must go through the Rules. Nothing will be allowed. We will allow this discussion in next time. This is my discretion. Don't question it. Now, Zero Hour, Shri Atul Bora. Please raise your question. I will see to it, you come to my room. I am telling you, please go to your seat. Don't obstract the proceeding. Please leave the room. Leader of the Opposition, what you are do. You cannot do that like that.

**শ্রীদেৱব্রত শইকীয়া, নাজিৰাঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি যিটো Ruling দিব বিচাৰিছে, মই পুনৰ বাৰ কৈছো।

**মাননীয় অধ্যক্ষঃ** মই Ruling দিছো, এইটো বিষয়ে আলোচনা হ'ব অহা Session ত। আমি এইবাৰ নোৱাৰিলো। This is too much violation. I suspended Shri Sherman Ali Ahmed from the House, please leave the House. Take him away. I have suspended you. Shri Atul Bora.

--- ( সদনত হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হয়)

অনুগ্ৰহ কৰি আপোনালোক সকলোৱেই বহক, মই এই বিষয়টো শান্তিপূৰ্ণ ভাৱে আলোচনা হোৱাটো বিচাৰিছো। ১৩০ (এ) এইটো হৈছে ৰুল। ৰুলত কৈছে - "Whenever any report of urgent public importance and of recent occurence is brought before the House, any member can move a motion for the discussion of that matter such a motion will get precedence over motions under

Rule- 131. The Speaker shall fix the time and date for discussion of such a motion." কথাটো ক্লিয়াৰ আৰু কৈছে - special motion to get precedence over other motions. Special motion যিয়েই নাহক, Resolution ৰ motion বিলাক মঙ্গলবাৰেহে আলোচনা হয়। এতিয়া মই দুখন ন'টিচ পাইছো। অকল শ্বেৰমান আলীৰ নহয়, দেৱানন্দ হাজৰিকাৰো পাইছো। মোৰ সমস্যা হৈছে যে - এইটো লিখা আছে, "The Speaker shall fix the time and date for discussion of such a motion." This is my discretionary power. কিন্তু দুৰ্ভাগ্যবশত এইবাৰ শীতকালীন অধিবেশন অতি কম দিনৰ বাবে বহিছে। মই দেবানন্দ হাজৰিকাকো কালি কৈছো যে এই বিষয়টো আহা বিধান সভাৰ Special Motion ত আলোচনা কৰিম। আজি আমাৰ সদন চলিব ৰুল এণ্ড ৰেগুলেচনৰ মতে। প্ৰতিটো বিষয়েই দৰকাৰী কিন্তু আমি সকলোবোৰ শূণ্যকালীন ঘণ্টাত দিব পাৰিছো জানো ? প্ৰতিটো প্ৰশ্নই গুৰুত্বপূৰ্ণ, কিন্তু আমি সকলোবোৰ প্ৰশ্নই এডমিট কৰিব পাৰিছো নেকি ? আগতেওঁ মই কৈছো যে প্ৰতিজন সদস্যৰ - Patience, Tolerence and mutual understanding থাকিব লাগিব। যোৱাকালি আমি দুখন বিল defer কৰি মূল্যবৃদ্ধিৰ বিষয়টো গুৰুত্বপূৰ্ণ কাৰণে অনুমতি প্ৰদান কৰিছো কিন্তু তেওঁলোকক অলপ কম সময় লব দিছো। মই দুখন বিল আজিয়েই আনি শেষ কৰি দিব পাৰিলোহেঁতেন, মই সদনত আলোচনা কৰিব বিচাৰো। এতিয়া ভূমিনীতিৰ ক্ষেত্ৰত কৈছো, It is a very important issue, everybody should express their grievance আৰু সেইকাৰণে শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতায়ে এটা কথা কৈছে - আগতে নাছিল, এতিয়া হৈছে। বেলেগ কথা কৈছে যদি সেইটো মই নিজে চাম আৰু প্ৰয়োজন বোধ কৰিলে প্ৰচিডিংচৰ পৰা গুচাই দিম। এতিয়াও যদি আপোনালোকে বেলেগ কথা আনিব বিচাৰিছে সেইটো মই দিম কিন্তু শূণ্যকালীন ঘণ্টাৰ বিষয়বোৰ শেষ হব দিয়ক। এতিয়া শ্ৰী অতুল বৰা।

**শ্ৰী অতুল বৰা (দিশপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২৮ আৰু ২৯ তাৰিখে দৈনিক কাকত বিলাকত এটা বাতৰি প্ৰকাশ পাইছিল যে - "ৰাজ্যৰ উচ্চ শিক্ষাধিকৰ্তাৰ বিৰুদ্ধে অসম কলেজ শিক্ষক সন্থাৰ গুৰুতৰ অভিযোগ। ভুৱা নথিৰে অধ্যক্ষ হোৱা সপোনটি বৰঠাকুৰক ৰক্ষণা বেক্ষণৰ চেষ্টা।" ডিমৰীয়া কলেজৰ প্ৰিঞ্চিপাল গৰাকীক প্ৰায় ৬ বছৰ ৬ মাহ ধৰি নিলম্বিত কৰি ৰখা হৈছিল আৰু তেওঁক যোৱা ৫ নবেম্বৰ তাৰিখে চি, জি, এম ক'ৰ্টে ৪ বছৰৰ কাৰাদণ্ড বিহিছে। যোৱা ৫ নবেম্বৰ তাৰিখে কাৰাদণ্ড বিহাৰ পাচতো সঞ্চালিকা গৰাকীয়ে এই মানুহজনক চাকৰিৰ পৰা বৰ্খাস্ত কৰা নাছিল, যোৱা ২৯ নবেম্বৰ তাৰিখেহে চাকৰিৰ পৰা বৰ্খাস্ত কৰে। মাজতে মই শিক্ষা মন্ত্ৰীক কৈছিলো যে - এই মানুহজনক নিলম্বন কৰি ৰাখিলে তেওঁৰ ঠাইত ডিমৰুৱা কলেজত বেলেগ এজনক স্থায়ী ভাবে নিযুক্তি দিব নোৱাৰি নেকি ? তেখেতে কৈছিল পাৰে। সেইকথাটো ভাবিয়েই নিলম্বিত হৈ থকা অৱস্থাতে হোজাই কলেজৰ প্ৰিঞ্চিপাল ডঃ বিমান ভট্টক চৰকাৰে ডিমৰীয়া কলেজলৈ বদলি কৰে। চৰকাৰে ডিমৰীয়া কলেজলৈ বদলি কৰাৰ পাচতো সঞ্চালিকা শ্ৰীমতী দিতীমণি ফুকনে সেই নিৰ্দেশ মনা নাছিল। তেওঁ কি কাৰণত এই সপোনটি বৰঠাকুৰক ৰক্ষণা বেক্ষণৰ চেষ্টা কৰিছে আপোনালোকে নিশ্চয় জানে। এই সপোনটি বৰঠাকুৰৰ বিৰুদ্ধে দুটা গোচৰ আছে, এটা দালালী কেচত ৪ বছৰ জেল খাটিছে আৰু আনটো দুৰ্নীতিৰ গোচৰত অভিযুক্ত হৈ আছে। anti-corruption & vigilance বিভাগে প্ৰায় ৬-৭ বছৰ ধৰি এই কেচটো নিস্পত্তি কৰিব পৰা নাই। এনেকুৱা অৱস্থাতে এতিয়া ডিচমিচ কৰাৰ পাচত হোজাই কলেজৰ প্ৰিঞ্চিপাল ডঃ বিমান ভট্টক ৰবীন্দ্ৰ নাথ ঠাকুৰ বিশ্ববিদ্যালয়ত ৰেজিষ্টাৰ হিচাপে দায়িত্ব অৰ্পন কৰিছিল। কিন্তু ৰেজিষ্টাৰ হিচাপে

দায়িত্ব লোৱাৰ পাচত সেই দায়িত্বৰ পৰা অব্যাহতি লৈ আহিব পাৰে। কিন্তু সপোনটি বৰঠাকুৰক বচাবৰ কাৰণেই এই গৰাকী শিক্ষাধিকৰ্তাৰ চেষ্টা চলি আছিল। আমাৰ মাধৱ দেৱ বিশ্ববিদ্যালয়ত এগৰাকী এচোচিয়েট প্ৰফেচাৰে দায়িত্ব লৈছে আৰু আমাৰ ভট্টদেৱ বিশ্ববিদ্যালয়তো এচোচিয়েট প্ৰফেচাৰে দায়িত্ব লৈছে। কিন্তু ডিমৰীয়া কলেজলৈ দেৱেন ভট্ট অহাত বাধা দিছে এই কাৰণেই সপোনটি বৰঠাকুৰৰ নিলম্বন প্ৰত্যাহাৰ হ'ব আৰু তেওঁ তাৰ প্ৰিঞ্চিপাল হব, কাৰণ তেওঁৰ বিৰুদ্ধে শ্ৰী ৰাম চৰণ ভড়ালীয়ে দিয়া কেইবা কোটি টকাৰ দুৰ্নীতিৰ কেচ এতিয়াও চলি আছে। অসম চৰকাৰৰ anti-corruption & vigilance বিভাগে আজিও সেই বিচাৰ সম্পূৰ্ণ কৰিব পৰা নাই। মই শিক্ষা মন্ত্ৰীক কৈছিলো যে আপোনাৰ কাৰ্যালয়ত মই ধৰ্ণা দিম, মোক অনুমতি দিবনে ? শিক্ষা মন্ত্ৰীয়ে কৈছিল আপুনি যিহেতু এম, এল, এ, আপুনি পাৰিব। তথাপিতো মই ধৰ্ণা দিবলৈ মানুহ লৈ যোৱা নাই। এই মানুহ গৰাকীৰ সন্মুখত ধৰ্ণা দিবলৈ মই অকলেই যথেষ্ট। তেওঁক মই কি ব্যৱহাৰ কৰিছো জনা খিনিয়ে জানিছে, মই বিধান সভাত ক'ব বিচৰা নাই। এই ধমক দি অহাৰ পাচত তেওঁ বিভাগীয় ভাৱে কাৰ্য ব্যৱস্থা আৰম্ভ কৰিছে। উচ্চ ন্যায়ালয়ে ছমাহৰ ভিতৰত ব্যৱস্থা গ্ৰহণ কৰিব কোৱাৰ পাচতো বিভাগীয় ভাৱে বিহিত কাৰ্য ব্যৱস্থা বহু পলমকৈ গ্ৰহণ কৰিছে, কাৰণ সপোনটি বৰঠাকুৰে প্ৰায় আঢ়ৈ, তিনি কোটি টকা ডিমৰীয়া কলেজৰ পৰা আত্মসাৎ কৰিছে আৰু সেই কাৰণে নাক ৰ পৰা **২০১৩** চনৰ পৰা আজি **২০১৯** চনলৈ ইমান বছৰ এইখন কলেজত এজন স্থায়ী Principal নোহোৱাৰ কাৰণে যিখিনি অসুবিধা হৈছে, সেই অসুবিধাখিনি কলেজখনে ভুগিব লগীয়া হৈছে। এই কাৰণে সপোনটি বৰঠাকুৰ বিৰুদ্ধে অসম কলেজ শিক্ষক সন্থাই গুৰুতৰ অভিযোগ আনিছে। এতিয়া এইগৰাকী মানুহৰ বিৰুদ্ধে ইয়াত লিখিছে ``অসম কলেজ শিক্ষক সন্থাই গুৰুতৰ অভিযোগ'' অসম চৰকাৰে যদিও দুৰ্নীতিৰ বিৰুদ্ধে শূণ্যসহনশীলতাৰ নীতি গ্ৰহণ কৰিছে, দূৰ্ভাগ্যক্ৰমে উক্ত নীতিয়ে উচ্চশিক্ষা সঞ্চালায়কলৈ দূৰ্নীতি আৰু অনিয়ম ৰোধ কৰাত সম্পূৰ্ণ ভাৱে ব্যৰ্থ হৈছে। ইয়াৰ লগতে তেওঁলোকে আৰু দিছে যে সকলো সমস্যা পূৰণ কৰাৰ পিছতো কলেজ শিক্ষকৰ চাকৰি কৰাৰ কালত কিয় বিভিন্ন ঠাইত বিনা কাৰণত মাহৰ পিছত মাহ আৰু বছৰ পিছত বছৰ বিভিন্ন চৰকাৰি নিৰ্দেশ, কাৰ্য্যালয়, স্মাৰক, জাননী , নিয়ম আইন উলংঘা কৰি উচ্চশিক্ষা সঞ্চালকালয়ক চলাই ৰখা হৈছে। এইটো বেলেগ এটা কথা মই টানি অনা নাই, পঢ়ি দিছো।

কিন্তু আচল কথা হ'ল ডিমৰীয়া কলেজৰ Principal ড০ বিমান ভট্টক নিযুক্তি দিব লাগে। সেই নিযুক্তিৰ order টো **১৭** চেপ্তেম্বৰ তাৰিখে দিছে আৰু সেই তাৰিখৰ পৰাই আজিলৈকে নিযুক্তি দিয়া নাই। তেওঁক এই কাৰণে নিযুক্তি দিয়া হোৱা নাই নেকি যে সপোনটি বৰঠাকুৰ আকৌ আনিব পাৰে নেকি ? মই এই কথা কৈ থৈ আহিছো যে High Court, Supreme Court ত যাওঁক তেওঁ ৰেহাই নাপাব। তেওঁ চাৰিবছৰ জেললৈ যাবই লাগিব। তেওঁ এইটো জালিয়তি কৰিছে যে নাগালেণ্ডৰ এখন কলেজত চাকৰি কৰিছো বুলি চাৰ্টিফিকেট আনি ডিমৰীয়া কলেজত Principal ৰ চাকৰিটো লৈছিলে। এইবোৰ কথা কবলৈ গলে দীঘলীয়া হব।

গতিকে মাননীয় অধ্যক্ষ মহোদয়, এই খবৰটোৰ ওপৰত আপোনাৰ নিজাকৈ কিবা কব পাৰে নে নোৱাৰে, মই আমাৰ শিক্ষামন্ত্ৰীক আগতেও বহু বাৰ কৈছিলো, এনেকুৱা লাগিছে যে শিক্ষামন্ত্ৰীৰ কথাও সেই সঞ্চালক গৰাকীয়ে নুশুনে। মই তেখেতক বাৰে বাৰে কৈছো আপোনাৰ কথাওঁ নুশুনে। কিন্তু মই অনুভৱ কৰিছো যে এই গৰাকী সঞ্চালক যদি ইয়াৰ পৰা আতঁৰাই দিয়া নহয়, তেতিয়া হ'লে বহুত অনিষ্ট হ'ব আৰু অনিষ্টৰ কাৰণে শিক্ষা বিভাগৰ বহুত ক্ষতি হ'ব আৰু শিক্ষামন্ত্ৰী মহোদয়ে ইয়াৰ উত্তৰটো দিলে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীসিদ্ধাৰ্থ ভট্টাচাৰ্য্য (শিক্ষা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক অতুল বৰা ডাঙৰীয়াই এটা গোচৰৰ কথা কলে। কিন্তু High Court ত আৰু এটা গোচৰ আছে, সেই গোচৰৰ কথাটো তেখেতে কোৱা নাই। যিটো গুৱাহাটী উচ্চ ন্যায়ালয়ৰ WP (C) 6392/2019 এই গোচৰৰ এটা stay order আছিল। মাননীয় অধ্যক্ষ মহোদয়, আপুনি নিজেও এজন অধিবক্তা আছিলে, আপুনি জানে যেতিয়ালৈকে High Court ৰ এটা stay order থাকে, তেতিয়া চৰকাৰে কোনো পদক্ষেপ লব নোৱাৰে যদিও তেখেত অন্য এটা গোচৰত দোষী সাবস্ত হৈছে। এইটো এটা সাধাৰণ ন্যায়িক প্ৰক্ৰিয়া। মই অনুভৱ কৰিছো আমাৰ বিধায়ক ডঙৰীয়াই যথেষ্ট অভিজ্ঞ ব্যক্তি,দীঘলীয়া তেখেতৰ সামাজিক জীৱনৰ অভিজ্ঞতা, গতিকে তেখেতে এই কথাটো উপলব্ধি কৰিব। যিটো উচ্চ ন্যায়ালয়ত অভিযোগ আছিলে, এই অভিযোগটোৰ ক্ষেত্ৰত আমাৰ চৰকাৰী অধিবক্তাৰ তৎপৰতাৰ বাবে ইং **১৩-০৯-২০১৯** তাৰিখে আৰু ইং **০৪-১১-২০১৯** তাৰিখে তেখেতক show cause notice দিছিলে। ইয়াৰ পিছত ইং **২৮** আৰু **২৯** নৱেম্বৰ **২০১৯** তাৰিখৰ আমাৰ অসম, অসমীয়া প্ৰতিদিন, অসমীয়া খবৰ, নিয়মীয়া বৰ্তা আৰু দৈনিক অসম বাতৰি কাকত প্ৰকাশিত উচ্চ শিক্ষাধিকৰ্তাৰ বিৰুদ্ধে ``অসম কলেজ শিক্ষক সন্থাৰ গুৰুতৰ অভিযোগ" শিৰোনামাৰ বাতৰিটো চৰকাৰক দৃষ্টিগোচৰ কৰিছে। উক্ত বাতৰি সন্দৰ্ভত উল্লেখ কৰা হ'ল যে মহামান্য উচ্চ ন্যায়ালয়ৰ WP(C) 6392/2019 গোচৰত ইং **১৩-০৯-২০১৯** তাৰিখে দিয়া নিৰ্দেশমৰ্মে উচ্চ শিক্ষা সঞ্চালকালয়ে নিৰ্ধাৰিত সময়ৰ ভিতৰত বিভাগীয় প্ৰক্ৰিয়া আৰম্ভ কৰে আৰু ইং **০৪-১১-২০১৯** তাৰিখে সপোনটি বৰঠাকুৰক কাৰণ দৰ্শোৱাৰ জাননি জাৰি কৰে। ইতিমধ্যে মহামান্য ন্যায়িক দণ্ডাধীশৰ প্ৰথম শ্ৰেণীৰ আদালতে ইং **০৫-১১-২০১৯** তাৰিখে দিয়া নিৰ্দেশমৰ্মে G.R. case no. 1859/2013 under section 465, 468, 471 of IPC ত সপোনটি বৰঠাকুৰক দোষীদ সাবস্ত কৰে। চৰকাৰৰ endorsement ত যিটো copy ইয়াত flag কৰি দিছে তাত The Assam Services Discipline and Appeal Rule, 1964, par 16 of appendix - 6 অনুসৰি উচ্চ সঞ্চালয়ত সপোনটি বৰঠাকুৰৰ বিৰুদ্ধে বিভাগীয় ব্যৱস্থা ল'বলৈ অনুমোদন জনোৱা হয়। যি কোনো প্ৰক্ৰিয়া বিশেষকৈ ন্যায়িক ব্যৱস্থাৰ লগত সংশ্লিষ্ট বিষয় এটাত আমি এটা প্ৰক্ৰিয়াৰ মাধ্যমেৰে আগবঢ়াই লৈ যাও আৰু তেখেতক আমি জনোৱাৰ পিছত সেই মৰ্মে উচ্চ শিক্ষা সঞ্চালয়কৰ আদেশ নং GB /AC 58/2012. 40 dated 29/11/ 2019 speaking order copy ইয়াত flag কৰি দিয়া হৈছে, সপোনটি বৰঠাকুৰক চাকৰিৰ পৰা বৰ্খাস্ত কৰে। গতিকে বিধায়ক মহোদয়ে যিটো অভিযোগ আনিছে সেইটো মই অনুভৱ কৰো, বৰ সঠিক নহয়। কিয়নো কথাটো চাবলৈ গলে এজন আমাৰ অধ্যক্ষক অভিযুক্ত কৰা গৈছে। তেখেত দোষী সাবস্ত হৈছে আৰু আমি যিটো প্ৰক্ৰিয়াৰ মাধ্যমৰে তেখেতক বৰ্খাস্ত কৰিব পাৰিম সেই প্ৰক্ৰিয়াটো সম্পুৰ্ণ কৰিব লাগিব। Due process of law আমি যদি নকৰো, তেতিয়া কালি he will get another opportunity to go to High Court and get a stay order গতিকে আমি নিবিচাৰো যে কোনোবা মানুহ দোষী হোৱাৰ পিছতো এটা পদত আশিন হৈ থাকক। কিন্তু তেখেতক শাস্তি দিবলৈ, তেখেতক বৰ্খাস্ত কৰিবলৈ যিটো প্ৰক্ৰিয়া, সেইটো সম্পূৰ্ণ কৰিবই লাগিব। কিয়নো আমি যদি due process of law নকৰো সেইটো due process of law নকৰাৰ বাবে তেখেতে stay order লৈ আহিব পাৰে। মই তেখেতক জনাব বিচাৰো যে এই চৰকাৰে শূণ্যসহনশীলতাৰ নীতিটোক নিঃসন্দেহে সম্পূৰ্ণ ভাৱে পালন কৰি আহিছে। কোনো এগৰাকী

ব্যক্তিক যি শাস্তি দিব লাগে, তেখেতক দিয়া হৈছে কিন্তু after following the due process of law। কোনোবাই এটা দাবী কৰিলে বুলিয়ে আমি তাৎক্ষণিক ভাৱে তেখেতক বৰ্খাস্ত কৰিব নোৱাৰো That will be arbitrary and that will lead to further consequences. গতিকে মই বিধায়ক মহোদয়ক অনুৰোধ কৰিম যে তেখেতে যিটো অভিযোগ আনিছে, অভিযোগটোৰ সম্পৰ্কে চৰকাৰৰ যিটো due process of law follow কৰাৰ প্ৰয়োজনীয়তা আছে সেইটো আমি পালন কৰিহে আমি তেখেতৰ সম্পৰ্কত পদক্ষেপ লৈছো। তেখেতে যিটো বিচাৰিছে, সেইটো কৰা হৈছে, ব্যক্তি গৰাকীক আমি 19/11/2019 তাৰিখে চাকৰিৰ পৰা বৰ্খাস্ত কৰিলো। গতিকে এই সংক্ৰান্তত তেখেতে নিসন্দেহে সন্তুষ্টি প্ৰকাশ কৰিব।

**শ্ৰীঅতুল বৰা (দিশপুৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিটো কৈছে সেইটো অসম কলেজ শিক্ষক সন্থাৰ গুৰুত্বৰ অভিযোগ। মই যিখিনি পঢ়ি দিছিলো, সেইখিনি শিক্ষক সন্থাৰ অভিযোগ। মই কব খুজিছো The Assam Services Discipline and Appeal Rule, 1964 ইয়াত কৈছে Government servent should be dismissed on conviction by the Lower Court that means immediately on the termination of the first trial.The termination of trial does not mean of decision of all the various appeal which are open to the accussed dismissal cannot be ordered retrospectively w.e.f. the date of arrest.

২৯ তাৰিখৰ পিছত তাৰ মানে তেওঁ ৫ তাৰিখে CJM য়ে ৰায়টো দিয়াৰ পিছত ৬ তাৰিখে তেওঁ কৰিব লাগে। তেতিয়া তেওঁ dismiss নকৰি ২৯ তাৰিখলৈ কিয় বাট চালে ।

**মাননীয় অধ্যক্ষ** ঃ কিমান দিন থাকিলে ?

**শ্ৰী অতুল বৰা (দিশপুৰ)** ঃ- ২৪ দিন। আৰু মই তেওঁক কৈ আহিছো যে আপুনি বৰঠাকুৰক গিফ্‌ট দিব খুজিছে দিয়ক।

**মাননীয় অধ্যক্ষ** ঃ আপোনাৰ পইন্টটো আপুনি উপস্থাপন কৰিছে ।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য (শিক্ষা বিভাগৰ মন্ত্ৰী)**ঃ মাননীয় অধ্যক্ষ মহোদয়, তেখেতে এনেকুৱা ধৰণৰ অভিযোগ অনাটো উচিত নহয়। কিয়নো তেতিয়াহ'লে মইও আনিব পাৰো । যদি মই কওঁ যে কোনোবা ব্যক্তি বিশেষৰ কাৰণে ওকালতি কৰিছে। এনেকুৱা ধৰণৰ ব্যক্তিগত অভিযোগ হ'ব নালাগে।

**মাননীয় অধ্যক্ষ** ঃ Please.

**শ্ৰী ৰঞ্জিৎ দাস (সৰভোগ)** ঃ অধ্যক্ষ মহোদয়, zero hours ত debate নাথাকে ।

**মাননীয় অধ্যক্ষ** ঃ আপুনি ভালকৈ কওঁক । আপুনি কিয় আক্ৰমণ কৰিছে ।

**শ্ৰী অতুল বৰা (দিশপুৰ)** ঃ মই আক্ৰমণ কৰা নাই । মই সঞ্চালক গৰাকীক কৈছো। তেখেতে কিয় গা পাতি লৈছে।

**মাননীয় অধ্যক্ষ** ঃ Please. আপুনি কৈছে যে সঞ্চালকে ২৪ দিন দেৰিকৈ কিয় দিছে ? এইটো সন্দেহ জনক । এইটোহে কথা । zero hours ত debate নহয়। আপোনাক ক'বলৈ দিছো আৰু নকব।

**শ্ৰী অতুল বৰা (দিশপুৰ)** ঃ- নিযুক্তি পত্ৰ দিয়াৰ পিছতো কিয় join কৰিব দিয়া নাই।

**মাননীয় অধ্যক্ষ** ঃ সেইটো ঠিক আছে । মন্ত্ৰী ডাঙৰীয়া এতিয়া আপুনি উত্তৰটো দিয়ক। কিন্তু debate নহয়।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য (শিক্ষা বিভাগৰ মন্ত্ৰী)**ঃ মাননীয় অধ্যক্ষ মহোদয়, আপুনিও জানে যে

কোনোবা ব্যক্তিয়ে কোনোবা এটা অনুষ্ঠান বা প্ৰতিষ্ঠানত নিযুক্ত হৈ থাকে, তেখেতে তাৰ পৰা ৰিলিজ অৰ্ডাৰ লৈহে  অন্য এখনলৈ আহিব পাৰে । এতিয়া সেই বিশ্ববিদ্যালয়ে তেখেতক কিয় ৰিলিজ কৰা নাই সেইটো শিক্ষামন্ত্ৰী  বা শিক্ষা বিভাগৰ  দায়িত্ব নেকি? তেখেতক Appointment দিয়া হৈছে, তেখেতে ৰিলিজ লৈ আহিব লাগে। নজনাকৈ কথাবোৰ ক'ব নালাগে।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া ৰেকিবুদ্দিন আহমেদ ।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, বিধায়ক** ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো । শূণ্যকালীন ঘন্টাত অসমীয়া প্ৰতিদিন কাকতৰ ১০ নৱেম্বৰ তাৰিখে প্ৰকাশিত প্ৰদূষিত মহানগৰ, National Air Quality Index ৰ সমীক্ষাত ১২২ নংত গুৱাহাটী। মাননীয় অধ্যক্ষ মহোদয়, এইটো খুবেই প্ৰদূষিত মহানগৰ । এইটো এটা খুবেই চিন্তাজনক বিষয়, অনাগত ভৱিষ্যতৰ কাৰণে। আমি সকলোৱে জানো যে দিল্লী মহানগৰত আজি প্ৰদূষণৰ কাৰণে এনেকুৱা এটা অৱস্থা হৈছে আৰু তেনেকুৱা অৱস্থা অনাগত দিনত আমাৰ ইয়াত যে নহ'ব এনেকুৱা কোনো কাৰণ নাই । গুৱাহাটী মহানগৰৰ কিছু কিছু অঞ্চলত প্ৰদূষণৰ পৰিমাণ ৬৪.৮০micron লৈ হয় । কিছু অঞ্চলত এই সংখ্যা ৬৯.৭০micron লৈ হয়। অধ্যক্ষ মহোদয়, আমি য'ত এতিয়া বহি আছো, গণেশগুৰি এই অঞ্চলত প্ৰায় ৬৯.৭০micron লৈ হয়। এইটো সঁচাকৈ চিন্তাৰ বিষয় । অধ্যক্ষ মহোদয়, আমাৰ মহানগৰত প্ৰদূষণৰ মাত্ৰা কিউ ৱাই হিচাপত দৈনিক ১০০ হ'ব লাগে। কিন্তু এই মাত্ৰা কেতিয়াবা কেতিয়াবা ১১১ লৈ হোৱা দেখা যায়। ইয়াত কেইটামান কাৰকে কাৰণ হৈ পৰিছে । আমাৰ গুৱাহাটীত যিটো ট্ৰেফিক ব্যৱস্থা, যেতিয়া জালুকবাৰী পাণ্ডু মালিগাও হৈ আহি, ভৰলুমুখ হৈ ছয়মাইল হৈ আহি ইয়ালৈকে পোৱালৈকে আমি যিমান খিনি সময় এখন গাড়ীত দিয়া হয়, যান-বাহনৰ কাৰণে এই সময় যথেষ্ট বেছি লয় । যাৰ কাৰণে যথেষ্ট বায়ু প্ৰদূষিত হয় । অধ্যক্ষ মহোদয়, এই প্ৰদূষণৰ কাৰণে hot iceland তৈয়াৰ হয় । যাৰ কাৰণে ওজন লেয়াৰৰ যথেষ্ট ক্ষতি হয় । যাৰ কাৰণে সম্পূৰ্ণ প্ৰদূষণৰ এটা ব্যৱস্থা হয় । অধ্যক্ষ মহোদয় আমি এই ক্ষেত্ৰত এনেকুৱা এটা ব্যৱস্থা ল'ব লাগিব যে গুৱাহাটীত মানুহ বাঢ়িছে, গাড়ী বাঢ়িছে। আমাৰ যিটো ৰাস্তা অধ্যক্ষ মহোদয়, জালুকবাৰীৰ পৰা জি এছ ৰ'ড আৰু চান্দমাৰী সংযোগ হয়  আৰু আমাৰ গুৱাহাটীৰ জনজীৱন এই ৰাস্তাৰে সংযোগ হয় । তাৰ বাবে আমি নতুনকৈ হ'লেও ৰাস্তা নিৰ্মাণ কৰিব লাগিব। অধ্যক্ষ মহোদয়, এখন গাড়ীয়ে ১ ঘন্টাত যিমান প্ৰদূষণ কৰে আৰু এই প্ৰদূষণৰ মাত্ৰা এটা সময়ত যথেষ্ট বিপদজনক হ'ব পাৰে। অধ্যক্ষ মহোদয়, আমাৰ যিখিনি পাহাৰ অঞ্চল আছে তাত যথেষ্ট প্ৰতিষ্ঠান হৈ আছে, যিখিনি অসম চৰকাৰৰ Land Act ত নপৰে, মেঘালয়ত পৰে । যাৰ কাৰণে তেওঁলোকে সহজে permission পায়। তেওঁলোকে তাত যথেষ্ট construction কৰি আছে। সেয়েহে, মেঘালয় আৰু অসমৰ মাননীয় মুখ্যমন্ত্ৰীদ্বয়ে বহি এটা আলোচনা কৰিব লাগে। কাৰণ বৰ্ডাৰৰ এই সমগ্ৰ zone টো গুৱাহাটী মহানগৰত যথেষ্ট প্ৰভাৱিত কৰে আৰু গুৱাহাটী মহানগৰৰ মানুহ খিনিয়ে সুবিধা দিয়ে এই পাহাৰ খিনিয়ে । যিহেতু তাত ডাঙৰ ডাঙৰ construction হৈছে আৰু এই construction খিনিৰ পৰা আমাৰ যথেষ্ট অসুবিধা আহিব পাৰে । গুৱাহাটী মহানগৰী খনৰ ওচৰে-পাজৰে ৭ খন সংৰক্ষিত বনাঞ্চল আছে। তাত সৰু সৰু কেইখন মান পাহাৰ আছে । যেনে-জাপৰিগোপ, গড়ভাঙা,  নুনমাটি ৰিজাৰ্ভ ফৰেষ্ট, নিলাচল, শান্তিপুৰ আদি।  এইখিনি social forest ৰ দ্বাৰা বন বিভাগে ইয়াক অনাগত দিনত আৰু অধিক কাৰ্য্যক্ষম কৰি তুলিব লাগিব । গুৱাহাটী মহানগৰৰ অন্তৰ্গত যিখিনি বিল আছে শিলসাঁকো, চোলা বিল, দ্বীপৰ বিল, পল্টনবজাৰ, বৰছলা আৰু কেইখন মান সৰু সৰু বিল আছে। ব্ৰহ্মপুত্ৰ নদীৰ যিটো বোৱতী সোঁতে আমাৰ গোটেই

অসম খনক এটা ফেজৰ পৰা লৈ গৈছে আৰু এই ব্ৰহ্মপুত্ৰ নদী খনে আমাৰ জনসাধাৰণৰ এটা সুখৰ কাৰণ। কিন্তু গুৱাহাটী মহানগৰৰ ভিতৰত যিখিনি সৰু-সৰু বিল আছে, সেই বিল সমূহে air quality টো মানুহৰ জীৱন-যাপনৰ কাৰণে এটা কিডনীৰ দৰে কাম কৰে । এই বিল খিনিৰ কাৰণে আমি আৰু কাৰ্য্যক্ষম উন্নত কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব । গুৱাহাটী মহানগৰীৰ মাজেৰে আৰু বিভিন্ন প্ৰান্তৰ ন'লা-নৰ্দমা ওলাই গৈছে। বাহিৰৰ ৰাষ্টাবোৰত এটা ব্যৱস্থা হৈছে যে আবৰ্জনা যোৱা ন'লা-নৰ্দমা বেলেগ আৰু বৰষুনৰ পানী যোৱা ন'লা-নৰ্দমা বেলেগ । কিন্তু আমাৰ গুৱাহাটী মহানগৰত আমাৰ দৃষ্টিগোচৰ হৈছে যে আমি নলা-নৰ্দমা বোৰত বহুত টকা খৰছ কৰি আছো । ভৰলু নদীৰ পৰা আৰম্ভ কৰি আমি বিভিন্ন ধৰণে টকা খৰচ কৰি আছো। বাহিৰৰ ৰাস্তা বোৰৰ দৰে আবৰ্জনা যোৱা নলা-নৰ্দমা বেলেগ আৰু বৰষুণৰ পানী যোৱা নলা-নৰ্দমা বেলেগ। এনে ধৰণৰ ব্যৱস্থা আমাৰ গুৱাহাটীত ল'ব লাগে। অসমৰ জলীয়বাষ্প বোৰত বৰ্তমান অধিক হাৰত প্ৰদূষিত হ'বলৈ ধৰিছে। ফলত অনাগত দিনবোৰত হয়টো দিল্লীতকৈ অধিক হাৰত হ'ব পাৰে। বৰ্তমান Pollution certificate দি থকা হৈছে। এতিয়া পৰিবহণ বিভাগে কঠোৰ নিয়ম কৰিছে যে Pollution certificate থাকিব লাগিব নহ'লে গাড়ীবোৰ চলাচল কৰিব নোৱাৰিব আৰু জৰিমনা ভৰিব লাগিব । কিন্তু আমাৰ মহানগৰত কিমান লক্ষ গাড়ী আছে আৰু কিমান Pollution centre আছে। ফাইনৰ পৰা আমি বাচিবলৈ আমি ডকুমেন্ট খিনি দি Pollution certificate খন লৈছো । কিন্তু Pollution centre টোৱে গাড়ী খন পৰীক্ষা কৰা নাই। অধ্যক্ষ মহোদয়, Pollution centre বোৰত ইমানেই লাইন হয় যে Pollution centre সমূহে সেই গাড়ী খন প্ৰদূষণ কৰে নে নকৰে তাৰ কাৰণে আমি চিন্তা কৰিছো নে নাই ? অধ্যক্ষ মহোদয়, তাৰ বাবে আমাৰো এটা দোষ আছে যে আমি স্মাৰ্ট চিটিৰ কথা ভাবিছো। কিন্তু আমি স্মাৰ্ট চিটিজেন হ'বলৈ শিকিছো নে নাই। এইটো এক বহুত ডাঙৰ কথা। কিন্তু অধ্যক্ষ মহোদয়, আমি মহানগৰীৰ বাসিন্দা সকলক স্মাৰ্ট চিটিজেন কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। অধ্যক্ষ মহোদয়, মহানগৰীত যিবোৰ বিল্ডিং হৈছে, বিভিন্ন প্ৰতিষ্ঠান হৈছে সেইবোৰ construction ত আমি কঠোৰ নীতি অৱলম্বন কৰিছো নে নাই । construction বোৰত পানী যোৱাৰ ব্যৱস্থা, লেতেৰা যোৱাৰ ব্যৱস্থা কৰিছে নে নাই তাৰ বাবে তেওঁলোকৰ ওপৰত আমি কঠোৰ ব্যৱস্থা চিন্তা কৰিছো নে নাই । দৈনিক মাত্ৰা ৰোধৰ ক্ষেত্ৰত স্মাৰ্ট ট্ৰেফিকিং চিচটেম আমি কৰিব লাগিব । ৰোড classification কৰাটো অত্যন্ত জৰুৰী। যদি এইটো নকৰো যথেষ্ট ক্ষতি কৰিব । এতিয়া আমাৰ অসম চৰকাৰে, ভাৰত চৰকাৰে গছ ৰোপণ কৰা ব্যৱস্থা লৈছে। মুখ্যমন্ত্ৰী মহোদয়ে বহুত আঁচনি লৈছে। কিন্তু সেইবোৰ সঁচাকৈ ৰূপায়ণ কৰিব পাৰিছো নে? আমাৰ যি সমূহ পাহাৰত খনন হৈ গৈছে, সেই সমূহত ভালকৈ কৰিব পাৰিছোনে ? ইয়াৰ কাৰণে চেষ্টা কৰিব লাগিব অধ্যক্ষ মহোদয়। গুৱাহাটী খনত কিছু অঞ্চলত ক'ভাৰ কৰে। এই ক'ভাৰ কৰা অঞ্চল সমূহক গ্ৰীলিজ চিচটেমৰ কাৰণে অনাগত ভৱিষ্যতৰ কাৰণে কৰিম নে নাই ? কিছু বিল আছে অধ্যক্ষ মহোদয়, ইমানেই লেতেৰা হৈছে ইয়াৰ কাৰণে গুৱাহাটী মহানগৰী আৰু ওচৰত যিমান খিনি অফিচিয়েলচ আছে, পৰিৱেশবিদ আছে তেওঁলোকক লগত লৈ এটা বিস্তৃত আলোচনাৰ প্ৰয়োজন আছে আৰু যিখিনি সংৰক্ষিত বনাঞ্চল আছে সেই খিনি কঠোৰ ভাবে আইনৰ ব্যৱস্থা আমি কৰিব লাগিব । দ্বিপাৱলীৰ সময়তো কিছু ব্যৱস্থা আমি নতুনকৈ আনিব লাগিব অধ্যক্ষ মহোদয়। আইনৰ ব্যৱস্থা আমি কৰিব লাগিব। দ্বিপাৱলীৰ সময়তো কিছু নতুন ব্যৱস্থা আমি আনিব লাগিব। গুৱাহাটীত আমাৰ যিমানবোৰ সংগঠন আছে তেওঁলোকক এই বিলাক ক্ষেত্ৰত আলোচনা কৰিব লাগিব। অধ্যক্ষ মহোদয়, মই আজি উত্থাপন কৰা বিষয়টো সচাকৈ এটা গুৰুত্বপূৰ্ণ বিষয়।

১৯৮৪ চনৰ এইখন মেপ (কাগজত থকা মেপখন মাননীয় অধ্যক্ষ মহোদয়ক দেখুৱাই) গুৱাহাটী মহানগৰীৰ। এইখন মেপ আমি চালে বুজি পাম এইখন কেনেকুৱা হৈছে আৰু এইখন (কাগজত থকা মেপখন মাননীয় অধ্যক্ষ মহোদয়ক দেখুৱাই) মেপ হ'ল ২০১৯ চনৰ, আজিৰ মেপ। মোৰ এইখিনি কথা দৃষ্টিগোচৰ কৰাৰ কাৰণ এটাই হৈছে কেইদিনমান আগতে চুপ্ৰিম কোৰ্টে তিনিজন মুখ্যসচিবক কৈছে দিল্লীৰ মানুহক চেম্বাৰত ৰখাতকৈ একেলগে হত্যা কৰক। অধ্যক্ষ মহোদয়, আজি গোটেই পৃথিৱীত জলবায়ু পৰিবৰ্তন হৈছে, বৃদ্ধি পাইছে গৃহ, এই ক্ষেত্ৰত এই বিষয়টো আলোচনা কৰিব দিয়াৰ কাৰণে অধ্যক্ষ মহোদয়, আপোনাক ধন্যবাদ জনাইছো। আমি এই ক্ষেত্ৰত সজাগ হ'ব লাগিব, পানীবোৰৰ ক্ষেত্ৰত আৱৰ্জনা আৰু পানীবোৰ যাতে একেলগে যাব নোৱাৰে, তাৰ কাৰণে আমাৰ নতুন প্লেন লাগিব। গুৱাহাটীৰ ভিতৰত থকা যিখিনি পাহাৰ অঞ্চল আছে তাক আৰু সুজলা সুফলা কৰি তুলিব লাগিব। পৰিবহন বিভাগটোত আমাৰ যিখিনি ট্ৰেফিক চিচটেম আছে সেইখিনি উন্নত কৰিব লাগিব। অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে বিভাগক দৃষ্টিগোচৰ কৰিব বিচাৰিছো এই বিষয়টো অত্যান্ত গুৰুত্বপূৰ্ণ হিচাপে লৈ অনাগত সময়ত দিল্লীতকৈ যাতে বিপদজনক স্থানত গুৱাহাটী গৈ নাপায় তাৰ কাৰণে চিন্তা কৰো আৰু এটা কঠোৰ ভাল ব্যৱস্থা, এটা আলোচনা যাতে লোৱা হয় তাৰ কাৰণে আহ্বান জনাইছো। ধন্যবাদ।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** চাৰ, মইও ৩০১ ত এইটো এটা দিছিলো। কিন্তু সেইটো নাহিল।

**মাননীয় অধ্যক্ষ ঃ** সেইটো নাহিল।

**ডাঃ নোমল মমিন ঃ** অধ্যক্ষ মহোদয়, আপোনাৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো, আমাৰ বিধান সভাৰ দুৱাৰদলিত অহাযোৱা কৰা পথত আমাৰে সদস্য কেইগৰাকীমানে শুই প্ৰটেষ্ট কৰিছে। যোৱা কালি এটা ঘটনা হৈ গ'ল।

**মাননীয় অধ্যক্ষ ঃ** আপুনি কিয় এইবিলাকলৈ গুৰুত্ব দি আছে।

**ডাঃ নোমল মমিন ঃ** অহাযোৱাত অসুবিধা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** এইবিলাক ইয়াত উঠামানে পেপাৰত যোৱা, নিউজত যোৱা। কোনে কি কৰিছে বাহিৰত, সেইটো পিছত চিন্তা কৰিম সবেই বহি। কলিতা ডাঙৰীয়া আপুনি যিহেতু ৩০১ ত নটিছ দিছিল মই দিব নোৱাৰিলো। অলপমান কমকৈ ক'ব, কাৰণ সময় কম।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ ঃ** মোৰ বিষয়টো শেষ হওঁক।

**মাননীয় অধ্যক্ষ ঃ** তেওঁ আপোনাৰ তাত যোগহে কৰিব খুজিছে।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** চাৰ, উত্তৰপূৰ্বা অঞ্চলৰ দুৱাৰ মুখ গুৱাহাটীত শেহতীয়াকৈ দ্ৰুতগতিত বৃদ্ধি পাইছে বায়ুপ্ৰদূষণ। আমি যদি বিগত দিনবোৰ চাওঁ তেনেহলে ক্ৰমশ গুৱাহাটী মহানগৰীত বিভিন্ন কাৰণত আজি বায়ুয়ে হওঁক বা মাটিয়ে হওঁক বা আজি জলেই হওঁক, বিভিন্ন ক্ষেত্ৰত আজি প্ৰদূষিত হৈছে। এতিয়া মহানগৰ খনত প্ৰতিদিনে বৃদ্ধি পোৱা যানবাহনৰ পৰা নিৰ্গত হোৱা ধোৱা, উদ্যোগ সমূহৰ পৰা নিৰ্গত হোৱা ধোৱা, বিভিন্ন ধৰণৰ নিৰ্মাণ কাৰ্য্য, পাহাৰৰ মাটি খনন, অবৈজ্ঞানিক জাৰৰ যোথৰ নিস্কাষণ আদিয়ে মহানগৰীত ভয়ানক ভাৱে বায়ু প্ৰদূষণৰ সৃষ্টি কৰিছে। ইয়াৰোপৰি আমাৰ গুৱাহাটী মহানগৰীত আগতে যিমান গছ-গছনি আছিল আজি সেই গছ-গছনি নোহোৱাৰ কাৰণেও আজি গুৱাহাটী মহানগৰী বায়ু প্ৰদূষণৰ কৱলত পৰিব লগা হৈছে। আমি যদি চাও শাৰদীয় দুৰ্গা পূজা যেতিয়া হৈছিল সেই পূজাৰ সময়ত আমাৰ মহানগৰ খনত প্ৰদূষণৰ পৰিমাণ আছিল 64.80 Micron আৰু দ্বীপাৱলীৰ সময়ত 68.05 Micron লৈ প্ৰদূষণৰ মাত্ৰা বৃদ্ধি পালে। দ্বীপাৱলীৰ দ্বিতীয় দিনটোত গুৱাহাটী মহানগৰীত বায়ু প্ৰদূষণৰ মাত্ৰা 69.75 Micron লৈ বৃদ্ধি

পোৰা বুলি প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ গুৱাহাটীয়ে প্ৰকাশ কৰিছে। অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদে গুৱাহাটী মহানগৰীত ৬ টা ভাগত বিভাক্ত কৰিছে। সেই অনুসৰি গনেশগুৰিত যিটো বানিজ্যিক স্থানত বায়ু প্ৰদূষণৰ মাত্ৰা সৰ্বাধিক 69.75 Micron, পানবজাৰ MMCH ৰ সমিপত 69.01 Micron, ৰিহাবাৰী কেন্দ্ৰত 78.85 Micron, আৰু বামুনীমৈদামৰ লগতে জালুকবাৰীৰ গোপিনাথ বৰদলৈ নগৰ কেন্দ্ৰটোত প্ৰদূষণৰ মাত্ৰা যথেষ্টভাৱে বৃদ্ধি পোৱা বুলি প্ৰদূষণ পৰিষদে ইতিমধ্যে অৱগত কৰিছে। মহানগৰ খনত প্ৰদূষনৰ মাত্ৰা দৈনিক AQI হিচাপত ১০০ হ'ব লাগে যদিও এই পৰিমাপ ১১১ লৈ বৃদ্ধি পাইছে। ৰাষ্ট্ৰীয় প্ৰদূষণ মাপক প্ৰতিষ্ঠানে বায়ু প্ৰদূষণৰ বিষয়টোত চলোৱা এক সমিক্ষা অনুসৰি দেশৰ ভিতৰতে গুৱাহাটী মহানগৰীৰ স্থান হৈছে ১২২। গুৱাহাটীৰ চিঠিবাছ সমূহৰ লগতে নলানৰ্দমা পৰিস্কৰণৰ পিছত পথৰ দাতিত জমা কৰা আৱৰ্জনা ৰ'দত শুকুৱাৰ বাবেও বায়ুপ্ৰদূষণ বৃদ্ধি পাইছে। ৰ'দত শুকুৱাৰ বাবে পথৰ দাতিত দমাই ৰখা গেলা পচা আৱৰ্জনা দূৰ্গেন্ধি বায়ুৰ সৈতে মিহলি হৈ ভয়াবহ ভাৱে বায়ু প্ৰদূষিত হৈ আহিছে। আনকি গেলা পচা আৱৰ্জনাৰ পৰা সৃষ্টি হোৱা।

**মাননীয় অধ্যক্ষ ঃ** Please, try to conclude. ফিগাৰ কেইটা কলে বেয়া নহয়।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** জীৱ জন্তুৰ বেমাৰোৰ পাদুৰ্ভাৱ হৈছে চাৰ। এতিয়া বিশেষভাৱে আমাৰ ইয়াতে যিবিলাক উদ্যোগ আছে, আজি মোৰ সমষ্টিতে কেইটামান অঞ্চলত উদ্যোগ স্থাপন কৰিছে য'ত সদায় ঢোৱা নিৰ্গত হৈ আছে। আমাৰ লখৰাৰ ওচৰত এটা উদ্যোগ হৈছে তাৰ পৰা যি ঢোৱা ওলাই আছে তাৰ পৰা বহু মানুহৰ বেমাৰ হৈছে। তাত যদি তদন্ত কৰে বহু মানুহৰ কেন্সাৰ ৰোগত আক্ৰান্ত হৈছে। এনে ধৰণে বহু ঠাইত।

**মাননীয় অধ্যক্ষ ঃ** ঠিকেই, এইটো ভয়াবহ।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** এইবিলাক উদ্যোগ যদি নিয়ন্ত্ৰণ নকৰে আৰু বিশেষভাৱে আমাৰ এতিয়া কি হৈছে কিছুমান slum area আছে, সেইবোৰত এতিয়া কেচা শৌচালয় আছে। এতিয়া কেচা শৌচাগাৰবোৰ নদীত পেলোৱা হৈছে আৰু যাৰ কাৰণে আজি পানীও প্ৰদূষিত হৈছে। গতিকে এনেধৰণে বিভিন্ন ক্ষেত্ৰত আজি গোটেই গুৱাহাটীখন প্ৰদূষিত হৈছে। আজি দিল্লীৰ অৱস্থা দেখিছে যদি আমি এই ক্ষেত্ৰত সজাগ নহাও আৰু এই ক্ষেত্ৰত যদি আমাৰ ৰাজ্য চৰকাৰে গুৰুত্ব সহকাৰে যদি কঠোৰ ব্যৱস্থা গ্ৰহণ নকৰে তেনেহলে দিল্লীৰ নিচিনা অৱস্থা গুৱাহাটীত হ'বৰ বেছিদিন নাই। গতিকে মই অনুৰোধ ৰাখিছো যে এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে এটা বিশেষ পদক্ষেপ গ্ৰহণ কৰিব।

**মাননীয় অধ্যক্ষ ঃ** সতৰ্কতা লবৰ সময় হৈ গ'ল। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীপৰিমল শুক্ল বৈদ্য (মন্ত্ৰী বন ও পৰিবেশ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি এটা শুন্যকালীন ঘন্টাত আমাৰ ৰেকিবুদ্দিন আহমেদ চাহেবে নটিছ এটা আমাক দিলে আৰু নটিছৰ জৰিয়তে, আমি আগতেও দেখিছো দৈনিক বাতৰি কাকত বহুল প্ৰচাৰিত এখন বাতৰি কাকত। অসমীয়া প্ৰতিদিনত প্ৰদূষিত মহানগৰ, National MBA ত air quality ৰ সমিক্ষা ১২২ নম্বৰত গুৱাহাটী। তেনেকুৱা এটা বাতৰি আহিছে। এই বাতৰিৰ লগত সংগতি ৰাখি ৰেকিবুদ্দিন চাহেবে ধুনীয়াকৈ কিছুমান কথা

কৈছে আৰু এই বাতৰিটোৰ লগত সংগতি ৰাখি আমাৰ মাননীয় ৰমেন্দ্ৰ নাৰয়ণ কলিতা ডাঙৰীয়াই কিছুমান কথা, যি কথা আমাৰ প্ৰতিজনৰ কাৰণে প্ৰয়োজনীয় সেই কথাবোৰ কৈছে। আমি আপোনালোক দুগৰাকীক আন্তৰিক ভাৱে ধন্যবাদ জনাইছো, এটা নেদেখা বস্তু এই বস্তুটোক লৈ আমি আজিয়ে

চিন্তা প্ৰকাশ কৰিছো, প্ৰকত কৰিছো সেইটোৰ কাৰণে ধন্যবাদ। নেদেখাৰ কাৰণে কৈছো, যে বতাহ আমি দেখিবলৈ নাপাও। কিন্তু কথাটো সচা, বতাহটো শুদ্ধভাৱে ৰাখিবলৈ হলে, বায়ুটো ভালকৈ ৰাখিবলৈ হলে আমাৰ কিছুমান কৰনীয় কাম আছে সেই কথাটো আপোনালোকৰ জৰিয়তে আৰু প্ৰত্যেকৰ জৰিয়তে আমাৰ ইয়াতে দৃষ্টিগোচৰ হৈছে।

মাননীয় বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়া ধুনীয়াকৈ শৌচালয়ৰ কথাটো কৈছে। স্বাধীনতাৰ ৭০ বছৰ পিছতো ভাৰতৰ প্ৰধান মন্ত্ৰী মহোদয়ে ক'ব লগীয়া হৈছে যে ঘৰে ঘৰে সৌচালয় লাগে। আজিৰ দিনত দেৰীকৈ হ'লেও মাননীয় বিধায়ক ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়াই এই কথাটো ধুনীয়াকৈ কৈছে যে গছ গছনি আমাক জীয়াই থাকিবৰ বাবে লাগে। আমি কোনো চৰকাৰ বা ব্যাক্তিক টাৰগেট কৰি কোৱা নাই। কিন্তু ভাৰতেই হওক বা অসমতে হওক Deforestation বহুত হৈছে। যদি গছ গছনি আমি সঁচাকৈ লগাব পাৰিলোহেঁতেন তেনেহ'লে আজিৰ দিনত তেনেকুৰা পৰিস্থিতিৰ মুখামুখি হব নালাগিলহেঁতেন। অধ্যক্ষ মহোদয়, আপুনি জানে মই বন বিভাগৰ দায়িত্বতো আছো। আমি কেতিয়াবা দেখো অনিয়ন্ত্ৰিত ভাবে বিভিন্ন ঠাইৰ পৰা বালি, পাথৰ আদি extract হয়। এইবিলাক য'তে ত'তে কোনো বৈজ্ঞানিক চিন্তা নকৰি বহাই দিয়ে আৰু এই যিবিলাক মিল আছে এইবিলাকৰ আঁৰত কোনোবা নহয় কোনোবা মানুহ জড়িত হৈ আছিল। সেই কাৰণে আমাক যিটো বিশুদ্ধ বতাহ লাগে সেইটো আজি দুষিত হৈছে। এনে অৱস্থা হৈ থাকিলে ভবিষ্যতে এনেকুৰা এটা দিন আহিব যে আমাক গ্ৰাস কৰিব। মোৰ তাত গৈ যদি কয় যে চৰকাৰী আঁচনিৰ কাম, কনচিডাৰ কৰিব লাগে, এই কামবিলাক আমি নিয়ন্ত্ৰণ কৰিব লাগে। মই একেবাৰে বন্ধ হ'ব লাগে বুলি ক'ব খোজা নাই। আজিৰ দিনত আমি বৈজ্ঞানিক ভিত্তিত কেনেদৰে কৰিলে ক্ষতি নহ'ব তাৰ বাবে চৰকাৰে কিছু নিয়ম বান্ধি দিলে। এই নিয়মত আমি যদি চলো তেতিয়াহ'লে নিঃসন্দেহে আমাৰ কাৰণে ভাল হ'ব। আজি বিজ্ঞান প্ৰযুক্তিৰ যুগ। আজি গুৱাহাটীতো যথেষ্ঠ পৰিমানে গাড়ী মটৰ চলি আছে। এজন মানুহৰ কাৰনে এখন অটো চলি আছে। মই এইটো বেয়া কথা বুলি কোৱা নাই। কিন্তু বিশেষ প্ৰয়োজন নোহোৱাকৈয়ে status maintain কৰাৰ কাৰণে এতিয়া ৩-৪ খন গাড়ী নহ'লে নহয়। কিছুমানৰ কাৰণে গাড়ীখন হয়তো নহ'লেও হয়। এইটো মোৰ কাৰণে কোৱা নাই বা ইয়াত কোনো বেয়া পাবও নালাগে। মই মন্ত্ৰী যদিও মই বেছি এচক'ৰ্ট পাইলট নলওঁ , মই ভাবো অপ্ৰয়োজনীয় ভাবে গাড়ী লৈ pollution কিয় বৃদ্ধি কৰো। এনেকুৰা এটা স্থিতি আমাৰ মনত আহিব লাগে যে যদি আমাৰ প্ৰয়োজনীয় তেন্তে আমি গাড়ী ল'ম নহ'লে নলওঁ। মাননীয় বিধায়ক ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়াই যিটো pollution Certificate দিয়াৰ কথা উল্লেখ কৰিছে, সেইখন আমি pollution Board য়ে নিদিও। Vehicles Department য়ে দিয়ে। তেওঁলোকে pollution অধিক নিয়ন্ত্ৰণৰ বাবে চেষ্টা কৰি আছে। মই সেইদিনা আপোনাৰ সমষ্টিৰ ফালে গৈছিলো তাত কিছুমান ট্ৰাক চলিছে, ট্ৰাকৰ Number Plate য়ে নাই, pollution Certificate বহু দুৰৰ কথা। আগতে বালি বিলাক মেনুৱেলি গাড়ীত উঠাইছিলে , এতিয়া মেচিন লগাই উঠোৱাৰ ফলত যিখিনি ধুলি বালি উৰে সেইখিনি বায়ুমণ্ডল দুষিত কৰিছে। কুলসীৰ ফালে এইবিলাক হৈ আছে সেইখিনি আপুনিও জানে। আপুনি যিটো প্ৰশ্ন উত্থাপন কৰিছে সেইটো গুৰুত্বপূৰ্ণ। ময়ো ভাবো যিটো হাৰত প্ৰদূষণ হৈ আছে এইটো আমাৰ সকলোৰে বাবে কাল হ'ব। যদি আমি এইটো নিয়ন্ত্ৰণ কৰিব নোৱাৰো, প্ৰতিজন ব্যাক্তি জাগৰিত নহওঁ আমি নিজৰ বিপদ নিজে মাতিম। মাননীয় বিধায়ক গৰাকীয়ে দীপৰ বিলৰ কথাও উল্লেখ কৰিছে। দীপৰ বিল মানে হাতীৰ বিল। হাতীয়ে তাত গা ধুবলৈ - পানী খাবলৈ আহে । সদনত হাতী মানুহৰ সংঘাতৰ

বিষয়টো বহু কেইবাৰ উত্থাপন হৈছে। আমি দীপৰ বিলৰ মাজেৰে ৰেলৰে ট্ৰেক আৰম্ভ কৰিলো। হাতী মানুহৰ সংঘাত এৰাই চলিবৰ বাবে আমাৰ বিভাগে তাত কাম কৰি আছো। যোৱা পৰহি on duty accident হৈ এগৰাকী মানুহ মৰিলে। এতিয়া দীপৰ বিলৰ পৰিবেশটো কি হৈ আছে আপোনালোকে সকলোৱে জানে। মাননীয় বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াক লগত লৈ মই কেইবাৰ মান তালো গৈছো। এতিয়া এই দীপৰ বিলখন কেনেকৈ প্ৰদূষণৰ পৰা মুক্ত কৰিব পাৰো তাৰ বাবে আমি সকলোৱে চেষ্টা কৰিব লাগে। দীপৰ বিলৰ আউট লেট বন্ধ হ'ল। কেনো বন্ধ কৰিলে, কেতিয়া কি হ'ল সেইটো বেলেগ কথা। এতিয়াও মানুহে তাত জাৰৰ পেলাই আছে। তাৰ ফলত pollution হৈয়ে আছে। কলিতা ডাঙৰীয়াই জানে যে এটা সময়ত দীপৰ বিলৰ মাছ বহু দামত হ'লেও মানুহে কিনি খাইছিল। কিন্তু আজি মানুহে দীপৰ বিলৰ মাছ কিনি নাখায় কাৰণ তাত pollutionৰ বাবে পানী দুষিত হৈছে। আমি গুৱাহাটীবাসী ৰাইজে এই কথাখিনি জানো। সকলোৱে মিলি আমি কামখিনি কৰিব লাগিব। সমাজখনক জাগ্ৰত কৰাৰ চেষ্টা কৰিব লাগিব। আপুনি যিটো প্ৰশ্ন আনিছে লগতে কলিতা ডাঙৰীয়াইও যিটো আনিছে, বা যিটো নোটিছ দিছিলে প্ৰদুষিত বায়ুৰ ওপৰত, এইটোৰ কাৰণে মোৰ এটা দায়িত্ব আছে বুলি ভাবিছো গতিকে এই কথাখিনি আপোনালোকক জনালো। এই সম্পৰ্কত মই লিখিত বিবৃতিটো পঢ়ি শুনাই দিছো।

" অসমীয়া প্ৰতিদিন কাকতৰ যোৱা ১০-১১-২০১৯ তাৰিখে প্ৰকাশিত " প্ৰদুষিত মহানগৰ নেচনেল এম্বিয়েন্ট এয়াৰ কোৱালিটি সমীক্ষা ১২২ নম্বৰত গুৱাহাটী " শীৰ্ষক বাতৰিটো তথ্যৰ ওপৰত আধাৰিত নহয়। ইয়াত Noise Level একক ভুলকৈ মাইক্ৰন বুলি দিছে যদিও প্ৰকৃততে ই ডেচিবল হ'ব লাগে । বাতৰিত উল্লেখ কৰা ধৰণে গুৱাহাটী স্থান ১২২ শুদ্ধ নহয়। যিহেতু কেন্দ্ৰীয় প্ৰদুযন নিয়ন্ত্ৰণ পৰিষদে বায়ুৰ গুনাগুনৰ ক্ষেত্ৰত নূন্যতম মানদণ্ডৰ ওপৰত থকা চহৰ (Non attainment City) সমূহৰ কোনো ক্ৰমিক মান নিৰ্ধাৰণ কৰা নাই। অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ নিজা মত তলত দাঙি ধৰিছো।

অসম প্ৰদুযন নিয়ন্ত্ৰণ পৰিষদে National Air Monitoring Programme ৰ অধীনত ৰাজ্যখনত ২৩ স্থানত বাহিৰৰ বায়ুৰ গুনাগুন নিৰীক্ষন কৰি আছে। এই নিয়ন্ত্ৰণ কেন্দ্ৰীয় প্ৰদুযন নিয়ন্ত্ৰণ পৰিষদৰ নিৰ্দেশনা মতে পৰিচালিত। এই ২৩ টা নিৰীক্ষণ স্থাৰ ৬ টা গুৱাহাটীত অৱস্থিত। এই স্থানকেইটা ক্ৰমে- বামুনীমৈদাম, খানাপাৰা, শান্তিপুৰ, গোপীনাথ নগৰ, বৰাগাঁও আৰু গুৱাহাটী বিশ্ব বিদ্যালয় ।ইয়াৰ ওপৰিও অসম প্ৰদুষণ নিয়ন্ত্ৰণ পৰিষদৰ গুৱাহাটীৰ বামুণীমৈদামত থকা মুখ্য কাৰ্য্যালয়ত এটা Continuous Ambient Air Quality Monitoring Station আছে। এই নিৰীক্ষণ কেন্দ্ৰসমূহৰ পৰা সংগ্ৰহীত তথ্যসমূহ কেন্দ্ৰীয় প্ৰদুষণ নিয়ন্ত্ৰণ পৰিষদৰ নিৰ্দেশনা মতে অনলাইন যোগে (vide web portal- EAQDES) কেন্দ্ৰীয় প্ৰদুষণ নিয়ন্ত্ৰণ পৰিষদলৈ পঠোৱা হয়। এই কেন্দ্ৰসমূহৰ পৰা সংগ্ৰহীত তথ্য পৰিমাপকৰ সৈতে পৰিশিষ্ট-১ ত গাঁঠি দিয়া হ'ল। আন এটা Continuous Ambient Air Quality Monitoring Station কটন বিশ্ববিদ্যালয়ৰ চৌহদত এই বছৰৰ ভিতৰতে স্থাপন কৰা হ'ব।

ভাৰত চৰকাৰৰ পৰিবেশ, বন আৰু জলবায়ু পৰিৱৰ্ত্তন মন্ত্ৰালয়ে ভাৰতবৰ্ষত ১২২ খন চহৰ- নগৰক বায়ুৰ গুনাগুনৰ ক্ষেত্ৰ ত নূন্যতম মানদণ্ডৰ ওপৰত থকা চহৰ (Non attainment City) হিচাপে চিনাক্ত কৰিছে। এই ১২২ খন চহৰ- নগৰৰ ভিতৰত ৫ খন চহৰ অসমত অৱস্থিত, এই কেইখন হ'ল- গুৱাহাটী, নগাওঁ, নলবাৰী, শিলচৰ আৰু শিৱসাগৰ। ঋতু পৰিৱৰ্ত্তনৰ লগে লগে বায়ুত পি এম- ১০ৰ মাত্ৰাৰ তাৰতম্য হয়। শুকান বতৰত ( শীত কালিত- নবেম্বৰৰ পৰা মাৰ্চ

মাহলৈ) পি এম ১০ৰ মাত্ৰা নিৰ্দিষ্ট মানতকৈ বেছি থাকে (AQ1 50-100) মানুহৰ স্বাস্থ্যৰ ওপৰত বায়ুৰ গুনমান শুচাংকৰ প্ৰভাৱৰ বিষয়ে পৰিশিষ্ট-১১ত গাঁঠি দিয়া হ'ল। এই চহৰ কেইখনৰ বায়ুৰ গুনাগুন নিয়ন্ত্ৰণৰ বাবে কাৰ্যসূচী প্ৰস্তুত কৰা হৈছে।

বিগত বছৰসমূহত পৰিষদে গুৱাহাটীত দীপাৱলীৰ সময়ত Ambient Air Quality and Ambient Noise Level নিৰীক্ষণ কৰি আহিছে। এই বছৰ পৰিষদে তিনি বিভিন্ন স্থান - গনেশগুৰি, উলুবাৰী, আৰু পানবজাৰত ২১-১০-২০১৯ (দীপাৱলীৰ আগত) আৰু ২৭-১০-২০১৯ (দীপাৱলীৰ দিনা)ত Noise Level নিৰীক্ষণ কৰিছে। এই নিৰীক্ষণৰ পৰা সংগ্ৰহীত তথ্য পৰিশিষ্ট 111(A), 111(B), 111(C)ত গাঁঠি দিয়া হ'ল। ইয়াৰ ওপৰিও গুৱাহাটীৰ আন ৬ টা স্থানত ঃ বামুনীমৈদাম, খানাপাৰা, শান্তিপুৰ, গোপীনাথ নগৰ, বৰাগাঁও আৰু গুৱাহাটী বিশ্ববিদ্যালয়, Ambient Air Quality নিৰীক্ষণ কৰা হৈছিল আৰু তাৰ তথ্য পৰিশিষ্ট - IV (A) , IV(B), IV (C), IV (D) ত গাঁঠি দিয়া হ'ল।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটীৰ অনাগত ভৱিষ্যতৰ কথা চিন্তা কৰি মই ভাৱো এটা গুৰুত্বপূৰ্ণ আলোচনা হৈছে। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যাতে এই বিষয়বিলাক কমিটি বনাই গুৰুত্ব সহকাৰে লৈ আলোচনা কৰে।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী দূৰ্গা ভূমিজ।

**শ্ৰী দুৰ্গা ভূমিজ ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২২ নবেম্বৰ ২০১৯ তাৰিখে দৈনিক অগ্ৰদূত কাককত প্ৰকাশিত 'এহেজাৰ চাহ বাগিচাৰ স্বাস্থ্য সেৱাৰ নিৰীক্ষণ কৰে মাত্ৰ দুজন বিষয়াই' এই বিষয়টো শূন্যকালীন ঘণ্টাত ক'বলৈ সুবিধা দিয়াৰ কাৰণে মই আপোনাক ধন্যবাদ জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, আচলতে ৰাজ্যত প্ৰায় এহেজাৰ সৰু বৰ চাহ বাগিচা আছে। চাহ বাগিচা সমূহৰ স্বাস্থ্য সেৱাৰ শোচনীয় ৰূপ উদঙাই দিছে ইয়াৰ চিকিৎসালয় সমূহে। চৰকাৰে বিভিন্ন সভা সমিতিয়ে চাহ শ্ৰমিকৰ সুৰক্ষা আৰু উন্নয়নৰ কথা কৈ অহাৰ পিছত বাগিচা অঞ্চলত স্বাস্থ্য সেৱাৰ এই শোচনীয় ছবিয়ে সচেতন নাগৰিকক চিন্তিত কৰি তুলিছে। এহেজাৰ চাহ বাগিচাৰ চিকিৎসালয় সমূহত দুজন মেডিকেল বিষয়াই নিৰীক্ষণ কৰাটো সম্ভৱপৰ নহয়। এহেজাৰ চাহ বাগিচাৰ ভিতৰত প্ৰায় ৫০০ বাগিচাৰ হস্পিটেলত ডাক্তৰ, নাৰ্চ আৰু ফাৰ্মাচিষ্ট নাই। একেবাৰে শোচনীয় অৱস্থাত চলি আছে আৰু কিছুমান চাহ বাগিচাত ঠিকা ভিত্তিত অৱসৰ প্ৰাপ্ত চিকিৎসক কৰ্মৰত অৱস্থাত আছে। কৰ'বাত কৰ'বাত একাংশ চাহবাগিচাত ফাৰ্মাচিষ্ট সকলে চিকিৎসা সেৱা প্ৰদান কৰি আহিছে। গতিকে ৰাজ্যৰ চাহ বাগিচাৰ চিকিৎসালয় সমূহৰ লগতে শ্ৰমিক সকলৰ স্বাস্থ্যজনিত বিষয়ত যথেষ্ট অৱনতি ঘটিছে। চাহ বাগিচাৰ আইন অনুসৰি প্ৰতিখন চাহ বাগিচাত এজন ডাক্তৰ, কেইবা গৰাকী নাৰ্চ আৰু ফাৰ্মাচিষ্ট থাকিব লাগে। বাগিচাৰ পৰিবেশ, নলা- নৰ্দমা, চিকিৎসালয়ৰ ঔষধ পাতি, লেব'ৰটৰী, স্বাস্থ্য জনিত বিভিন্ন দিশ চোৱা চিতা মেডিকেল বিষয়া জনে কৰে। কিন্তু এহেজাৰ খন চাহ বাগিচা দুজন মেডিকেল অফিচাৰৰ দ্বাৰা চোৱা-চিতা কৰাটো সম্ভৱপৰ নহয়। দুজন অফিচাৰ তেওঁলোক তেজপুৰ আৰু গুৱাহাটীত থাকে। তেওঁলোকে বাগিচালৈ নাযায় আৰু নিৰীক্ষণ নকৰে। উক্ত কাম-কাজ চোৱা চিতা কৰিবৰ কাৰণে প্ৰত্যেকখন বাগিচাত ইন্সপেক্টৰ থাকিব লাগে। কিন্তু এতিয়ালৈকে নিযুক্তি নিদিয়াৰ কাৰণে বাগিচাৰ বনুৱা সকলৰ স্বাস্থ্যৰ অৱনতি ঘটিছে। আজি দেখা যায় যে শ্ৰমিক সকলৰ ওপৰত শোষণৰ মাত্ৰা বাঢ়ি গৈছে। চৰকাৰে মালিক পক্ষক নিয়ন্ত্ৰণ কৰিব পৰা নাই। মালিকক ৰেহাই দিয়াৰ কাৰণটো বুজিব পৰা নাই। কেতিয়াবা কেতিয়াবা শ্ৰমিক সকল ক্ষোভিত হোৱা দেখা যায়। বহু সময়ত চাহ বাগিচাত ল' এণ্ড অৰ্ডাৰ পৰিস্থিতিৰ সৃষ্টি হোৱা দেখা যায়। গতিকে মাননীয় শ্ৰম মন্ত্ৰী

গৰাকীয়ে বাগিচাৰ চিকিৎসালয় সমূহৰ যিখিনি সমস্যা সেই সমস্যাখিনি সমাধানৰ ব্যৱস্থা কৰিব লাগে আৰু অন্ততঃ চিকিৎসালয়ত ২০০ বিধ ঔষধ থাকিব লাগে। কিন্তু বাগিচাৰ যিবিলাক চিকিৎসালয় তাত ৮০ বিধ ঔষধহে পোৱা যায়। গতিকে মই আশা ৰাখিছো আজি বাগিচা সমূহত যি বিলাক সমস্যা চলি আছে সেয়া উন্নত কৰিবৰ কাৰণে চৰকাৰে ব্যৱস্থা গ্ৰহণ নকৰিলে আগন্তুক দিনত আৰু অৱনতি ঘটিব আৰু যিখিনি উন্নত চিকিৎসা চাহ বাগিচাৰ লোক সকলে পাব লাগে সেইখিনি নাপাব বুলি ধাৰণা কৰিব পৰা গৈছে। গতিকে মই আপোনাৰ যোগেদি মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যাতে প্ৰতিখন জিলাৰ চাহ বাগিচাত মেডিকেল অফিচাৰ নিযুক্তি দি চিকিৎসালয় চোৱা চিতাৰ গভীৰ দায়িত্ব পালন কৰিব বুলি আশা কৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী ৰূপজ্যোতি কুৰ্মী ।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, শূন্যকালীন ঘণ্টাত চাহবাগিচাক লৈ মাননীয় বিধায়ক শ্ৰী দুৰ্গা ভূমিজ ডাঙৰীয়াই উত্থাপন কৰা বিষয়টো বিধান সভাত আলোচনা কৰিবলৈ সুবিধা দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। আমাৰ অসমত প্ৰায় ৪০ লাখতকৈ ও অধিক লোক প্ৰত্যক্ষ বা পৰোক্ষ ভাৱে চাহ বাগিচাৰ লগত জড়িত হৈ আছে। এই চাহ বাগিচাৰ শ্ৰমিক সকলক লৈ পবিত্ৰ বিধান সভাই ইতিমধ্যে আপোনাৰ উদ্বোগত চাহ শ্ৰমিক সকলৰ সমস্যাৰ সন্দৰ্ভত এটা গুৰুত্বপূৰ্ণ আলোচনা কৰিছিলো আৰু সদনেও এইটো বিবেচনা কৰিছিলে। ইয়াক লৈ ইতিমধ্যে এটা ৰিপোৰ্ট আহিছে যদিও আমি ভৰা ধৰণে সমস্যা বিলাক সমাধান হোৱাটো দেখিবলৈ নাপালো। চৰকাৰে ৰাস্তা বনোৱাৰ পৰা আদি কৰি কিছু পদক্ষেপ লৈছে সেইখিনিৰ বাবে আমি শলাগ লৈছো। আজি মাননীয় বিধায়ক শ্ৰী দুৰ্গা ভূমিজ ডাঙৰীয়াই উত্থাপন কৰা বিষয়টো লৈ যদি আমি চাওঁ তেন্তে Plantation Labour Act, 1951আছে। সেই অনুসৰি Plantation Labour Act, 1951ত সম্পূৰ্ণ লিখা আছে যে ৰাজ্য চৰকাৰে এই আইন খন ৰূপায়ণ হৈছে নে নাই চাব লাগে। কিন্তু আজি দেখা গৈছে চাহ উদ্যোগৰ লগত যিসকল মালিক পক্ষ জড়িত হৈ আছে তেওঁলোকে হয়তো চাহ শ্ৰমিকক লৈ ইমান চিন্তিত নহয়। যাৰ কাৰণে হয়তো যেনে ধৰণে ৮২০ খন পঞ্জীয়ণভুক্ত চিকিৎসালয়ত চিকিৎসক সকল থাকিব লাগে, প্ৰায় ৩০ শতাংশ চিকিৎসক থকা সম্পৰ্কে আমি অৱগত আৰু বাকী ৭০ শতাংশতে নাই। এইটো এটা খুব গুৰুত্বপূৰ্ণ বিষয়। আমি আশা ৰাখিছো আপোনাৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো আৰু বিষয়টোত গুৰুত্ব আৰোপ কৰিব। আমাৰ চাহ বাগিচাত চাহ শ্ৰমিক সকল প্ৰত্যক্ষ বা পৰোক্ষ ভাৱে চাহ বাগিচাৰ লগত জড়িত হৈ আছে যদিও চাহ জনজাতিৰ আদিবাসী সম্প্ৰদায়ৰ প্ৰায় ৮০ লাখত কৈও অধিক অসমৰ ৩ কোটি ২০ লাখ জনসংখ্যাৰ ভিতৰত বসবাস কৰি আছে আৰু এই লোক সকলৰ লগত জড়িত হৈ থকা যি বিভাগ চাহ জনগোষ্ঠী আৰু শ্ৰম বিভাগত আমি আজিলৈকে মন্ত্ৰী এজন নাপালো। যিহেতু বিভাগটো খুব গুৰুত্বপূৰ্ণ গতিকে উপযুক্ত এজন মন্ত্ৰীক সুকীয়া ভাৱে এই ৮০ লাখতকৈও অধিক লোকক পৰিচালনা কৰিবৰ বাবে নিযুক্তি দিব লাগে। এই ৮০ লাখতকৈও অধিক লোকক পৰিচালনা কৰিবৰ বাবে বিভিন্ন ধৰণৰ সুকীয়া বিভাগ আছে আৰু এই বিভাগ সমূহ লগত Assam Tea Welfare Directorate আছে, ইয়াৰ লগতে Assam Tea Corporation আছে। Assam Tea Corporation ৰ এখন সুকীয়া সমিতি আছে য'ত মাননীয় বিত্তমন্ত্ৰী মহোদয় এই সমিতিখনৰ সভাপতি। কিন্তু আজি প্ৰায় আঢ়ৈ বছৰ হ'ল য'ত Assam Tea Corporation ৰ এখন ও সভা অনুষ্ঠিত হোৱা নাই। য'ত মই ও সদস্য। কেতিয়াবা উদ্যোগ মন্ত্ৰীয়ে,

কেতিয়াবা বিত্তমন্ত্ৰীয়ে সময় দিব পৰা নাই বুলি কয়। অৰ্থাৎ চাহ বাগিচাৰ শ্ৰমিক সকলক লৈ যিটো বিভাগ এই বিভাগৰ মন্ত্ৰী নিযুক্তি দিবৰ বাবে আমি দাবী জনাইছো আৰু বিশেষভাৱে যিবোৰ সমস্যা আছে সেইবোৰ সমাধানৰ কাৰণে নিশ্চয় আমি এটা সুবিধা পাম। সেইবাবে পুনৰবাৰ দোঁহাৰি জনাই আপোনাৰ যোগেদি চৰকাৰক অনুৰোধ জনাব বিচাৰিছো যে ৮০ লাখতকৈও অধিক লোক জড়িত থকা এই শ্ৰম বিভাগ আৰু চাহ জনগোষ্ঠী বিভাগৰ লগত চাহ জনগোষ্ঠীৰ আদিবাসী সম্প্ৰদায়ৰ লোক সকলক সকাহ দিবৰ কাৰণে আৰু সু পৰিচালনাৰ কাৰণে এজন স্থায়ী মন্ত্ৰী অতি শীঘ্ৰে নিযুক্তি দিবলৈ আহ্বান জনাইছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ মন্ত্ৰী ডাঙৰীয়া।**

**শ্ৰী নৱ কুমাৰ দলে (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য দুৰ্গা ভূমিজ ডাঙৰীয়াই যোৱা ২২-১১-২০১৯ তাৰিখে দৈনিক 'অগ্ৰদূত কাকত'ত প্ৰকাশিত ১ হাজাৰ চাহ বাগিচাৰ স্বাস্থ্য সেৱাৰ নিৰীক্ষণ কৰে মাত্ৰ দুজন বিষয়াই। বিষয়টো দৃষ্টিগোচৰ কৰিছে। অধ্যক্ষ মহোদয়, বৰ্তমান অসমত চাহ বাগিচা শ্ৰমিক আইন ১৯৫১ ৰ অধীনত মুঠ ৮০০ খন পঞ্জীয়নভুক্ত চা হ বাগিচা আছে। এই আইনৰ নিয়ম অনুসৰি ৪৩৪ খন বাগিচাত বাগিচাৰ স্বাস্থ্যসেৱা আৰু ৫৮৬ খন ঔষধালয় আছে। প্ৰত্যেকখন বাগিচা স্বাস্থ্যসেৱাৰ চিকিৎসকৰ নিযুক্তি দিয়াৰ ব্যৱস্থা আছে যদিও বৰ্তমান কেৱল ২৭৯ জন চিকিৎসক নিয়োজিত হৈ আছে। শ্ৰম আয়ুক্তই বিভিন্ন সময়ত বিভিন্ন জিলা সমূহৰ শ্ৰম বিষয়া সকলক বাগিচা সমূহত চিকিৎসক নিযুক্তি কৰাৰ বাবে সময়ে সময়ে নিৰ্দেশ জাৰি কৰি আহিছে। ২০১৮-২০১৯ বৰ্ষত বাগিচা শ্ৰমিক আইন ১৯৫১ ৰ অধীনত বিভিন্ন দফাত মুঠ ৩৫ খন বাগিচাৰ বিৰুদ্ধে আইনী ব্যৱস্থা লোৱা হৈছে। বাগিচা সমূহত চিকিৎসা ব্যৱস্থা সমূহ সুচাৰুৰূপে চলাই নিয়াৰ বাবে আৰু পৰিদৰ্শনৰ বাবে বাগিচা চিকিৎসা পৰিদৰ্শক নিযুক্তি দিয়া হয়। বৰ্তমান শ্ৰম আয়ুক্ত অসমৰ অধীনত মুঠ ৮ টা অনুমোদিত বাগিচা চিকিৎসা পৰিদৰ্শকৰ পদ আছে। এই পদ যথাক্ৰমে নগাওঁ, যোৰহাট, শিৱসাগৰ, ডিব্ৰুগড়, তিনিচুকীয়া, শিলচৰ, তেজপুৰ আৰু বিশ্বনাথ চাৰিআলিত অৱস্থিত। প্ৰায় ৬ ৰ পৰা ১০ বছৰ ধৰি উক্ত পদসমূহ খালী হৈ আছে। বৰ্তমান ৮ টা পদৰ ভিতৰত মাত্ৰ দুটা পদতহে স্বাস্থ্য বিষয়া মকৰল কৰা হৈছে। তেওঁলোক ক্ৰমে ড° প্ৰদীপ কুমাৰ লহকৰ, Medical Inspector of Plantation Tezpur, আৰু ড° অপূৰ্ব কুমাৰ শৰ্মা, শিৱসাগৰ। উক্ত খালী পদসমূহ পূৰণৰ অৰ্থে বিভাগীয়ভাৱে যোৱা ৮ তাৰিখে পত্ৰৰ জৰিয়তে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ লগত যোগাযোগ কৰি থকা হৈছে। এই পদসমূহ স্বাস্থ্য বিভাগৰ ফালৰ পৰা মেডিকেল আৰু হেলথ্ অফিচাৰ হোৱাৰ পদমৰ্য্যদা হিচাপে Deputation পদ্ধতিত নিযুক্তি দিয়া হয়। ৰাজ্যৰ চাহ জনগোষ্ঠীৰ লোকসকলৰ উন্নত চিকিৎসা সেৱা প্ৰদান সুনিশ্চিত কৰাৰ বাবে মুকলি কৰা হৈছে ভ্ৰাম্যমাণ চিকিৎসা সেৱা লগতে বিনামূলীয়া দৰৱ লোৱাৰ নিয়ম কৰি থকা হৈছে। অসম চাহ নিগম অধীনস্থ বাগিচা সমূহত নিয়মীয়াকৈ চিকিৎসা নিয়োজিত কৰি উক্ত চাহ বাগিচা সমূহৰ অভাৱ বহু ক্ষেত্ৰত লাঘৱ হৈছে। বৰ্তমান চৰকাৰে ২০১৮ চনত আওপুৰণি ২০০ Draft List খন সংশোধন কৰি এখন নতুন Draft List যুগুত কৰি অধিসুচনা জাৰি কৰিছে। শ্ৰমিক সংশোধন সমূহৰ দীৰ্ঘদিনীয়া দাবী পূৰণ কৰি ২০১৯ চনত নিৰ্দিষ্ট Referal Hospital তালিকা প্ৰস্তুত কৰি অধিসূচনা জাৰি কৰা হৈছে। ইতিমধ্যে প্ৰায়বোৰ বাগিচাই উক্ত নিৰ্দিষ্ট Hospital ত স্বাস্থ্যসেৱা আগবঢ়াবৰ বাবে চুক্তিসাক্ষৰ কৰিছে। এই ক্ষেত্ৰত অৱশিষ্ট বাগিচাসমূহ চুক্তি সাক্ষৰ পৰ্য্যায়ক্ৰমে কৰি থকা হৈছে। শেহতীয়াকৈ অসম চৰকাৰৰ মূলত চা হ বাগিচাৰ শ্ৰমিকৰ উন্নত চিকিৎসা সেৱাৰ লক্ষ্য আগত ৰাখি চাহ বাগিচাৰ গৰ্ভৱতী মহিলাৰ বাবে মজুৰী ক্ষতিপূৰণ আঁচনি

শীৰ্ষক আঁচনি খন ৰূপায়ণ কৰি থকা হৈছে। চাহ বাগিচাৰ গৰ্ভৱতী মহিলা তথা গৰ্ভস্থ সন্তানৰ সুনিশ্চিত কৰাৰ উদ্দেশ্যে আঁচনি সমূহ ৰূপায়ণ কৰা হৈছে। উক্ত আঁচনিৰ অধীনত গৰ্ভস্থৰ পৰা প্ৰসৱৰ ৬ সপ্তাহলৈকে স্বাস্থ্যসেৱা গ্ৰহনৰ ভিত্তিত ১২ হাজাৰ টকা কিস্তি কিস্তিকৈ প্ৰদান কৰা হয়। এই ক্ষেত্ৰত চাহ বাগিচাৰ গৰ্ভৱতী মহিলা সকল উপকৃত হ'বলৈ সক্ষম হৈছে। তাৰোপৰি বৰ্তমান চৰকাৰে চাহ জনগোষ্ঠীৰ লোকসকলৰ আৰ্থ সামাজিক শিক্ষা আৰু অৰ্থনীতি সবল কৰিবৰ বাবে কল্যাণ বিভাগৰ জৰিয়তে বিভিন্ন কল্যাণমূলক আঁচনি গ্ৰহণ কৰা হৈছে আৰু সফল ৰূপায়ণৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰা হৈছে।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে উদ্যোগ লৈছে বুলি আমি জিলা উপায়ুক্তৰ পৰা ইতিমধ্যে গম পাইছো কৰিমগঞ্জ আৰু কাছাৰৰ ক্ষেত্ৰত। ইতিমধ্যে মালিক পলাই আছে বোনাচ, দৰমহা একো নিদিয়াকৈ। এই দুয়োখন বাগান চলোৱাৰ বাবে আমি চৰকাৰক আহ্বান জনাইছো। দ্বিতীয়তে, আমাৰ এজন স্থায়ী শ্ৰম মন্ত্ৰী কেতিয়া দিব?

**মাননীয় অধ্যক্ষ ঃ** আপুনি বাগান দুয়োখনৰ তথ্যখিনি মোক দিব। এতিয়া আজি কাৰ্য্যসূচী নং ২, জাকিৰ হুছেইন সিকদাৰ। আপোনাৰ Notice আছে। ---হুলস্থুল---- আজি Rule ৫২ যদি আনিব লাগে আমি আধা ঘন্টাত বাকীখিনি শেষ কৰিবলৈ যত্ন কৰিব লাগিব। ---হুলস্থুল-----

শ্ৰী ৰকিবুল হুছেইন, চামগুৰি ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ যিখন ভূমিনীতি দিয়া হৈছিলে সেই ভূমিনীতি সম্পৰ্কে আপুনি আলোচনা কৰিবলৈ দিম বুলি কৈছে। কেৱল দুখন কাগজৰ দুটামান লাইন পঢ়ি দিব বিচাৰিছো। যিজনক অসম চৰকাৰে commissioner হিচাপে এই কমিটিত দিছিলে। 'Committee for protection of Indegenous person' তেওঁ আছিল former Chief Election Comissioner Harisankar Brahma as its Chairman. তেখেত যেতিয়া Chairman হিচাপে তাত charge ল'লে তাত এটা inter- view হৈছিল Interview ত ক'লে Asked, Who would be the considered as indigenious people in the event of the Assam Assembly yet to decided on such people.Brahma said, Those people born & brought up in Assam before March 1971 as per the Assam the Accord and, I Indian Citizen would be considered indeginous people. মই মাথো আপোনাক দি দিছো। চৰকাৰে এইটো ৰাখিছেনে নে Change হৈছে? অগপ ফালৰ পৰাও দিছিলে সংবাদ মেলত অগপ বিধায়ক পবীন্দ্ৰ ডেকা ডাঙৰীয়াও ক'লে ১৯৭১ ৰ পূৰ্বে অহা অসমীয়া ভাষা সংস্কৃতি আঁকোৱালি লোৱা সকলেই হ'ল খিলঞ্জীয়া। মই এই দুয়োখন কাগজ আপোনাক দিলো।

--সদনত হুলস্থুল-

**মাননীয় অধ্যক্ষ ঃ** মই দুখন Notice পাইছিলো। এখন মাননীয় সদস্য শ্ৰী ৰকিবুল হুছেইন আৰু আনখন বিহপুৰীয়া বিধায়ক হাজৰিকাৰ পৰা। সময়ৰ অভাৱত দিয়া নহ'ল। আমাৰ মঙ্গলবাৰ আৰু শুক্ৰবাৰ Motion, Special Motion, Bill, Private Members Bill এই সকলোবোৰ সেইদিনাহে আহে। আমাৰ কালি শেষ হ'ল। আমাৰ চৰকাৰী পক্ষইয়ো আলোচনা হোৱাটো বিচাৰে। আমি সকলোৰে মিলি আলোচনা কৰিলেহে ঠিক হ'ব। সময়ৰ অভাৱত দিব পৰা নগল। যিহেতু আমি জানুৱাৰী মাহত আকৌ বহিম। বেচিদিন নাই গতিকে মই তেতিয়ালৈকে ৰাখিছো। মই House ক কৈছো যে যিখন Land Policy চৰকাৰে বিচাৰিছে এইটোৰ এটা

আলোচনা হওঁক। আমি যদি কাগজখন Lay কৰোতে প্ৰথমতে পালোহেতেন হয়তো আলোচনা হৈ গলহেতেন। Lay কৰোতে যিহেতু অলপ পলম হ'ল, গতিকে এতিয়া আমাৰ হাতত সময় নাই। সেইকাৰণে আমাৰ সন্মানীয় সদস্য শ্বেৰমান আলী ডাঙৰীয়া, তেখেতে Rule ৰ কথা কৈছে। Rule আপোনালোকে পঢ়ি চাব। মই অন্ততঃ Rule Break কৰি কাম নকৰো। মই Consession দিওঁ। সেইকাৰণে মই বিচাৰো এইটো এটা আলোচনা হ'ব। এটা শুদ্ধ পৰিবেশত কৰিব পাৰো তেন্তে বেছি ভাল হয়। তেখেতে rule ৰ কথা কৈছে। গতিকে, আপোনালোকে rule চাওঁক যে Private Members ৰ বাহিৰে Special Motion দিয়াৰ কথা ক'ত আছে। এতিয়া জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী ওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা)ঃ** অধ্যক্ষ মহোদয়, আপুনি BAC Meeting ত কৈছিল যে ইয়াৰ ওপৰত আমি আলোচনা কৰিম। কিন্তু, Land policy টো lay কিয় কৰিলে ?

(সদনত বিৰোধীয়ে প্ৰতিবাদ জনায়)।

**মাননীয় অধ্যক্ষঃ** আলোচনা কৰিবলৈ হ'লে lay কৰিবই লাগিব। Without laying the paper, how will we discuss? Govt. has a right to frame. তাত আপোনালোকে ক'লে নীতি বেলেগ হৈ যাব নেকি ? আপোনালোকে পৰামৰ্শ দিব পাৰে। শ্বেৰমান আলী আহমেদ ডাঙৰীয়াই মোৰ authority ক প্ৰশ্ন কৰিছে। মই rule মতে কৰা নাই বুলি কৈছে। সেইকাৰণে মই allow কৰিব নোৱাৰো। আপোনালোকে House ক disturb নকৰিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয়, বিষয়টো BAC Meeting ত আলোচনা কৰোতে ওয়াজেদ আলী চৌধুৰী ডাঙৰীয়াৰ লগত মইও আছিলো। এই Land policy টো আমি এইকাৰণে lay কৰিছো যাতে ইয়াৰ ওপৰত এটা thread-bare আলোচনা হয়। এই Land policy ত যদি আৰু কিবা নীতি include কৰিব লগা হয়, তেন্তে include কৰা হ'ব আৰু যদি কিবা নীতি exclude কৰিবলগীয়া হয় তেন্তে exclude কৰা হ'ব। চৰকাৰে বিচাৰে যে এই Land policy খনৰ ওপৰত অন্ন তন্নকৈ আলোচনা হওঁক আৰু সেইবাবেই এইখন lay কৰা হৈছে যাতে আপোনালোকে ইয়াৰ ওপৰত ভালকৈ অধ্যয়ন কৰি আপোনালোকৰ পৰামৰ্শ বা বক্তব্য ৰাখিব পাৰে।

**মাননীয় অধ্যক্ষঃ** এতিয়া জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)ঃ** অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ নিয়ম নং ১৪ ৰ অধীনত ২০১৯ চনৰ ১৫ নৱেম্বৰ তাৰিখৰ অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশিত ‘চৰকাৰৰ তথ্যত উন্মোচন চলিত বিত্তীয় বৰ্ষত ৰাজ্যৰ গ্ৰামোন্নয়ন স্বৰূপ' শীৰ্ষক বাতৰিটো, অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো।

অধ্যক্ষ মহোদয়, ভাৰতবৰ্ষৰ পৰা দৰিদ্ৰতা দূৰীকৰণৰ কাৰণে কোনো মানুহে কামৰ অভাৱত যাতে নোখোৱাকৈ থাকিব লগীয়া নহয়, নিজৰ কৰ্মৰ জৰিয়তে যাতে জীয়াই থাকিব পাৰে তাৰ বাবে ভাৰত বৰ্ষত ২০০৫ চনত NREGA নামৰ আঁচনিৰ প্ৰণয়ন কৰা হৈছিল। গাঁৱৰ অৰ্থনৈতিক ভেঁটি আৰু আন্তঃগাঁথনি মজবুত কৰি আধুনিক ভাৰত গঢ়াৰ সপোন ৰখা জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীৰ নামত MGNREGA নামেৰে আঁচনিখন নামাকৰণ কৰা হৈছিল। অধ্যক্ষ মহোদয়, ভাৰতবৰ্ষৰ ৩৪ খন ৰাজ্যৰ ৬৮৫ খন জিলাৰ ৬৮৬০ টা Block ত MGNREGA আঁচনিৰ

কাম চলি আছে। MGNREGA ৰ কাম কৰিবলৈ যাওঁতে প্ৰথমতে আমি Job Card বনাব লাগে, Job Card বনাই কামৰ বাবে demand দিব লাগে। তাৰ পিছত বিভাগ বা পঞ্চায়ত বা ব্লকে কামৰ আৱন্টন দিয়ে । ইয়াৰ পিছত GRS, J.E., A.E. ইত্যাদি বিষয়া সকলৰ জৰিয়তে Master Roll fill up কৰে আৰু তাৰ পিছতহে Job Card holder সকলে টকা পায়। অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে সন্মানীয় সদনত মই এটা তথ্য দাঙি ধৰিব বিচাৰিছো যে, চৰকাৰী তথ্য অনুসৰি অসমত বৰ্তমান ৪৪ লাখ ৩১ হাজাৰখন সক্ৰিয় Job Card আছে। আমি যদি চাওঁ, MGNREGA আঁচনিৰ অধীনত প্ৰত্যেকজন Job Card holder য়ে ৩৬৫ টা দিনৰ ভিতৰত ১০০ দিনৰ কাম নিশ্চিত কৰিছে। কিন্তু, অধ্যক্ষ মহোদয়, আপুনি জানি আচৰিত হ'ব যে, অসমৰ এই ৪৪ লাখ ৩১ হাজাৰ Job Card holder ৰ ভিতৰত মাত্ৰ ৩,৪৪৫ জন Job Card holder য়ে ১০০ দিনৰ কাম লাভ কৰিছে। আমি যদি গড় হিচাপত চাওঁ তেন্তে আমি দেখো যে সমূহ Job Card holder য়ে গড়ে মাত্ৰ ২৫ দিনৰহে কাম লাভ কৰিছে। গতিকে, অধ্যক্ষ মহোদয় যি উদ্দেশ্যত MGNREGA আঁচনিৰ প্ৰণয়ন হৈছিল, তেনে ক্ষেত্ৰত এনে ধৰণৰ তথ্যই আমাৰ ব্যৰ্থতাহে প্ৰমাণ কৰিছে। ইয়াৰ লগতে, মই আৰু এটা তথ্য দাঙি ধৰিব বিচাৰিছো যে চলিত বিত্তীয় বৰ্ষত বিভাগে ২ লাখ কাম হাতত লৈছিল, তাৰে মাত্ৰ ৪২, ১৪০ টা কাম ইতিমধ্যে সম্পূৰ্ণ কৰিছে। গতিকে, ইয়াৰ দ্বাৰা বিভাগ তথা বিভাগীয় বিষয়া সকলে কামৰ প্ৰতি কিমান মনোযোগ দিছে বা কিমান সদ্ ইচ্ছা প্ৰকাশ কৰিছে সেয়া সম্পূৰ্ণভাৱে বুজা গৈছে । অধ্যক্ষ মহোদয়, সেইদিনাও আপুনি Rule 50 ত আলোচনা থকা বাবে মোক চমুকৈ কোৱাৰ বাবে কৈছিল। সেয়েহে, বহলাই নকৈ তথ্যখিনি দাঙি ধৰিলো। ইয়াৰোপৰি মই দুটামান কথা জানিব বিচাৰিছো যে কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰলৈ MGNREGAৰ জৰিয়তে কিমান টকাৰ পুঁজি দিছে? মোৰ সমষ্টিত তিনিটা Block আছে, জিলাখনৰ বিভিন্ন Block ৰ বিভিন্ন কাম-কাজৰ সম্পৰ্কে district meeting ত আলোচনা কৰা হয়। ইয়োৰোপৰি, মাননীয় বৃন্দাবন গোস্বামী ছাৰৰ সভাপতিত্বত Estimate Committee ৰ জৰিয়তে আমি বৰাক উপত্যকা, বঙাইগাওঁ, গোৱালপাৰা আৰু ধুবুৰী জিলালৈ গৈছিলো আৰু এই কামবোৰ আমি চোৰা-চিতা কৰিছিলো। এই জিলা কেইখনৰ উপৰিও বৰপেটা জিলাত যেতিয়া বিভিন্ন গ্ৰামোন্নয়নৰ কথা আলোচনা কৰিছিলো তেতিয়া দেখিছিলো যে প্ৰত্যেকখন Block তে Job Card holder য়ে MGNREGA আঁচনিৰ কাম কৰিছে। কিন্তু, তেওঁলোকে টকা-পইচা পোৱা নাই। তেওঁলোকৰ demand বোৰ B.D.O. ই গ্ৰহণ কৰা নাই। Job Card holder য়ে কামৰ বাবে application কৰিছে, কিন্তু বিভাগে তেওঁলোকক কামবোৰ দিয়া নাই। গতিকে, অধ্যক্ষ মহোদয়, এনেধৰণে এটা ডাঙৰ বিত্তীয় খেলি-মেলি চলি আছে । আপোনাৰ জৰিয়তে মই মাননীয় মন্ত্ৰী মহোদয়ক ক'ব বিচাৰিছো যে আমি লোৱা বিভিন্ন আঁচনিৰ লগত MGNREGA আঁচনিক তুলনা কৰিলে আমাৰ ভুল হ'ব। MGNREGA এটা আঁচনি নহয়, ই আমাৰ বাবে এখন আইন, আমাৰ অধিকাৰ, আমি জীয়াই থকাৰ এক আইন, এক আঁচনি। এই আঁচনিৰ জৰিয়তে আমি গাঁৱৰ উন্নয়ন কৰিম। গাঁৱৰ উন্নয়ন হোৱাৰ লগে লগে ভাৰতবৰ্ষত এক উন্নয়ন ৰাজ্য হিচাপে স্থাপন কৰিব পাৰিম। এই আঁচনিৰ জৰিয়তে আমি জীয়াই থকাৰ বাট পাম, আমি কাম পাম, সংস্থাপন পাম। যিটো সময়ত শিক্ষিত যুৱক-যুৱতীসকলক আমি সংস্থাপন দিব পৰা নাই, সেই সময়ত যদি Job Card থকা দুখীয়া মানুহখিনিকো তেওঁলোকৰ কামৰ টকাখিনি দিব নোৱাৰো, তেনেস্থলত ইয়াতকৈ ডাঙৰ দুখ লগা কথা একো হ'ব নোৱাৰে। সেয়েহে, মই অনুৰোধ কৰিছো, অতি সোনকালে ইয়াৰ ওপৰত বিহীত

ব্যৱস্থা ল'ব লাগে। Review Meeting পাতিব লাগে। বিভিন্ন সময়ত Department য়ে Review Meeting পতা আমি দেখিছো কিন্তু তাৰ একো ফল দেখা নাই। বিভাগত B.D.O. ৰ পদেই হওঁক বা অন্যান্য বহু পদ খালী হৈ আছে, বিভিন্ন জনক ভাৰপ্ৰাপ্ত হিচাপে দি থৈছে। এই বিভাগত GRS, Panchayat Secretary, J.E., Computer Assistant ইত্যাদি বিভিন্নজন লোকে দীৰ্ঘদিন ধৰি বিভিন্ন কাৰ্যালয়ত কাম কৰি আছে। একেখন জিলা, একে বিভাগ কিন্তু সকলোতে বেলেগ বেলেগ ধৰণে নিয়ম বলৱৎ হৈ আছে। আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে এই লোকসকলৰ বদলিকৰণ কৰিব লাগে। এওঁলোকে কামৰ প্ৰতি অনীহা দেখুৱাইছে। তেওঁলোকে নিজৰ মতে আইন বনাই নিজৰ হিচাপত Block বোৰ চলাই আছে। বিভিন্ন Block ত wages ৰ টকাই হওঁক বা materials ৰ টকাই হওঁক, বহুত টকা পাবলৈ বাকী আছে। গতিকে, এই টকাখিনি অতি সোনকালে যাতে দিয়ে তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক এই কথাখিনি কৈ আগন্তুক সময়ত এই বিষয়বোৰত যাতে অধিক গুৰুত্ব প্ৰদান কৰে তাৰ বাবে অনুৰোধ কৰি মোৰ ক'বলগীয়া খিনি ইমানতেই সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। Minister please.

**শ্ৰী নৱ কুমাৰ দলে, মন্ত্ৰী, (পঞ্চায়ত আৰু গ্ৰমোন্নয়ণ বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যই শ্ৰী জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই Rule-54 ৰ যোৱা ১৫ নৱেম্বৰ অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশিত "চৰকাৰী তথ্যতে উন্মোচন চলিত বিত্তীয় বৰ্ষত ৰাজ্যৰ গ্ৰামোন্নয়ন স্বৰূপ" শীৰ্ষক বাতৰি সন্দৰ্ভত দৃষ্টি গোচৰ কৰিছে। ভাৰত চৰকাৰে পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ অধীনৰ এম জি এন ৰে গাৰ অন্তৰ্গত আঁচনি সমূহ ৰূপায়ণ কৰাৰ স্বাৰ্থত যোৱা বিত্তীয় বৰ্ষত ২০১৭-১৮ চনত ৫০০ লাখ কৰ্ম দিন আৰু চলিত বিত্তীয় বৰ্ষতো ৫০০ লাখ কৰ্ম দিন ধাৰ্য্য কৰি দিছিলো। ইয়াৰ বিপৰীতে ৰাজ্যখনে যোৱা বিত্তীয় বৰ্ষত ১০০ শতাংশতকৈ অধিক কৰ্ম দিন অতিক্ৰম কৰিবলৈ সক্ষম হয়। বাৰিষা কাল হোৱা স্বত্বেও চলিত বিত্তীয় বৰ্ষত বৰ্তমানলৈকে জব কাৰ্ডধাৰী শ্ৰমিক সকলক প্ৰায় ৭৩ শতাংশ কৰ্ম দিন প্ৰদান কৰিবলৈ সক্ষম হৈছে। জব কাৰ্ডধাৰী শ্ৰমিক সকলৰ দ্বাৰা ওপৰোক্ত কৰ্মদিন প্ৰয়োগৰ বিনিময়ত অসমৰে বিগত বিত্তীয় বৰ্ষত বৈ যোৱা আৰু চলিত বিত্তীয় বৰ্ষত লোৱা সৰ্বমুঠ প্ৰায় ২,২০,০০০ সংখ্যক কামৰ বিপৰীতে মাত্ৰ আঠ মাহতে ৪৩,৬১৬ সংখ্যক কাম সম্পূৰ্ণ কৰিবলৈ সক্ষম হৈছে।

২০১৭-১৮ বিত্তীয় বৰ্ষত এম জি এন ৰে গাৰ অধীনত অসম চৰকাৰে কেন্দ্ৰীয় অনুদান হিচাবে ২০০ (দুশ) কোটি টকা অগ্ৰিম ধনৰ অনুমোদন দিছিল। ২০১৮-১৯ বিত্তীয় বৰ্ষত অনুমোদন কৰা কেন্দ্ৰীয় পুঁজিৰ পৰা ৭.৬৫ কোটি টকা আৰু ২০১৯-২০ বিত্তীয় বৰ্ষত অনুমোদন কৰা ২১৯.২৩ কোটি টকাৰ পৰা ১৯২.৩৫ কোটি মুঠ ২০০ কোটি টকা অসম চৰকাৰক অগ্ৰিম ধনৰ বিপৰীতে পৰিশোধ কৰিব লগা হয়। উক্ত ধন উভতাই দিয়াৰ পিছত ৰাজ্যখনত ২০১৯-২০ বিত্তীয় বৰ্ষত মুঠ ২৬.৮৮ কোটি টকা কেন্দ্ৰীয় ধন হিচাপে সামগ্ৰীৰ শিতানত পৰ্য্যাপ্ত হৈছিল। এম জি এন ৰে গা আঁচনিৰ অধীনত সামগ্ৰীৰ অধীনত এই পৰ্য্যাপ্ত সৰ্ব মুঠ ৫৩৬.৩৬ কোটি টকা আদায় দিবলৈ বাকী আছে। বিভাগৰ তৰফৰ পৰা সকলো ধৰণৰ যাৱতীয় তথ্যপাতি যেনে ব্যৱহাৰিক যেনে বিত্তীয় প্ৰস্তাৱ ইত্যাদি কেন্দ্ৰীয় চৰকাৰক দাখিল কৰা হৈছে। আমি আশা কৰিছো যে পৰিশোধ কৰা উক্ত পুঁজিত অতি সোনকালে কেন্দ্ৰীয় চৰকাৰৰ পৰা আদায় পোৱা যাব। ভাৰত চৰকাৰৰ পৰা লাভ কৰা ধনৰ সু-ব্যৱহাৰ কৰি অসমৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগে মহাত্মা গান্ধী এন ৰে গা আঁচনিৰ

অধীনত উক্ত বিত্তীয় বৰ্ষত এই পৰ্য্যন্ত ৪৩,৬১৬ সংখ্যক আঁচনিৰ কাম সম্পূৰ্ণ কৰিবলৈ সক্ষম হৈছে। বিগত বৰ্ষতো ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্য কেইখনৰ ভিতৰত অসমে এম জি এন ৰে গা আঁচনিৰ অধীনতঅভিলেখ সংখ্যক আঁচনিৰ কাম সম্পূৰ্ণ কৰিবলৈ সক্ষম হৈছে। এম জি এন ৰে গা আঁচনিৰ অধীনত অসমত প্ৰত্যেক খন গাওঁ পঞ্চায়তে ধন খৰছ কৰা হৈছে। উক্ত বছৰত কিছু সংখ্যক দুৰ্গম পাৰ্বত্য অঞ্চল আৰু বি টি চি অঞ্চলত বৰ্ষাকাল হোৱা কাৰণে আঁচনিসমূহৰ কাম ভি চি ডি চিৰ পৰ্য্যায়ত সময় মতে আৰম্ভ কৰিব পৰা নগ'ল। যিহেতু অসমত নবেম্বৰ মাহৰ পৰা মাৰ্চ মাহলৈ আঁচনি ৰূপায়ণ কৰাৰ উপযুক্ত সময়, তেনে ক্ষেত্ৰত সকলো পৰ্য্যায়তে কামসমূহ দ্ৰুত গতিত চলি আছে। ইয়াৰ ফলত ধন খৰছ নোহোৱা ২৭ টা ভিচিডিচি গাওঁ পঞ্চায়তৰ কামৰ অগ্ৰগতিৰ ফলস্বৰূপে এই সংখ্যা ৪ লৈ হ্ৰাস পাইছে। অতি সোনকালে উক্ত ভিচিডিচি গাওঁ পঞ্চায়তসমূহতো এম জি এন ৰে গাৰ আঁচনি সমূহত ধন খৰছ কৰা ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এম জি এন ৰে গাৰ আঁচনিখন হ'ল এখন চাহিদা ভিত্তিক আঁচনি। য'ত বছেৰেকৰ ভিতৰতে এটি পৰিয়ালক ১০০ দিনলৈকে কৰ্ম প্ৰদান কৰাৰ নিয়ম আছে। বৰ্তমান বাৰিষা কাল হোৱা স্বত্বেও চাহিদা মাত্ৰ আঠ মাহৰ ভিতৰত সৰ্ব মুঠ ৪,৬০৩ সংখ্যক জব কাৰ্ডধাৰী পৰিয়ালক ১০০ দিনৰ কৰ্ম দিন দিয়া হৈছে। আনহাতে ১,০১, ৬৬০ সংখ্যক পৰিয়ালক ৬১ ৰ পৰা ৯৯ কৰ্ম দিন দিয়া হৈছে। চলিত বিত্তীয় বৰ্ষৰ শেষলৈকে চাহিদা অনুযায়ী উপৰোক্ত ১,০১,৬৬ সংখ্যক পৰিয়ালক অতি সহজে ১০০ দিনৰ কৰ্ম দান কৰাটো সম্ভৱ কৰা বুলি আশা কৰা হৈছে। আনহাতে এম জি এন ৰে গাৰ আঁচনিৰ সফলতা কেৱল ১০০ দিনৰ কাম কেইজনমান জব ধাৰীয়ে লাভ কৰাৰ ওপৰত নিৰ্ভৰ নকৰে। এই ক্ষেত্ৰত গড় মেন্ ডে বৰ গুৰুত্বপূৰ্ণ। যদি এটা গাওঁ পঞ্চায়তত ১০০ দিনৰ কাম লাভ কৰা ব্যক্তি এজনো নাথাকে আৰু সেই গাওঁ পঞ্চায়তৰ গড় মেন ডেৰ পৰিমাণ ৫০শতাংশ হয়, তেন্তে সেই গাওঁ পঞ্চায়তখন সফল গাওঁ পঞ্চায়ত হিচাপে পৰিগণিত হয়। আগতে উল্লেখ কৰা হৈছে যে যোৱা বছৰ আমি লক্ষ্যৰ কৰ্ম দিনতকৈ বেচি কৰ্ম দিন সৃষ্টি কৰিছো। এই বছৰতো আমি আমাৰ লক্ষ্য সহজতে অতি ক্ৰম কৰিব পাৰিম। পি এম ও ৱাই জি গৃহ নিৰ্মাণৰ ক্ষেত্ৰত অসমে চমকপ্ৰদ সফলতা লাভ কৰিছে। ২০১৮-১৯ বিত্তীয় বৰ্ষত প্ৰধান মন্ত্ৰী আৱাস যোজনা গ্ৰামীন আঁচনিৰ অধীনত ১৫৯০২০ টা গৃহ নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছে। এই বছৰ বিগত বছৰ সমূহৰ অসম্পূৰ্ণ গৃহৰ ভিতৰত ৮৬৯৪ টা গৃহ নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছে। এই বিত্তীয় বৰ্ষৰ ভিতৰত ১৫৮৬৬৪ টা গৃহ নিৰ্মাণৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে। আৰু আজিৰ দিনত ১৫৮৬৬৪ টা গৃহ নিৰ্মাণৰ কাম পূৰ্ণ গতিত চলি আছে। এতেকে ২ লাখ গৃহ নিৰ্মাণৰ বিপৰীতে এতিয়ালৈকে ৬২ টা ঘৰহে সম্পূৰ্ণ হৈছে। কথাযাৰ সমৰ্থন যোগ্য নহয়। উক্ত আঁচনিৰ অধীনত চলিত বৰ্ষত ২ লাখ লক্ষ্যৰ বিপৰীতে ১,৯৮,৯২২ টা গৃহ পঞ্জীয়নভুক্ত হৈছে। ইয়াৰে ১,৭৩,২৭২ টা গৃহ জি অ' টেগ কৰা হয়। ইয়াৰ বিষয়ে বিশদ তথ্য আমি জনাব বিচাৰিছো যে উক্ত আঁচনিত গৃহ ১,৫৯,৪৫৭ টা নথিভুক্ত কৰা হয়। এই গৃহ সমূহ ২০২০ চনৰ মাৰ্চ মাহৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব বুলি বিবেচনা কৰা হৈছে। ইয়াৰে প্ৰথম কিস্তি ১,৩৯,৪১৫ জনে পাইছে। গৃহ ভেটি নিৰ্মাণ কৰি দ্বিতীয় কিস্তি ৭১,৩২৭ জনে পাইছে আৰু ৬,৪২২ জনে তৃতীয় কিস্তিৰ জমা ধন পাবলৈ সক্ষম হৈছে। আনহাতে বাৰিষা কাল হোৱা স্বত্বেও ৩ মাহ মানতে এই আৱণ্টিত লক্ষ্যৰ ৪৬১ টা প্ৰধান মন্ত্ৰী আৱাস যোজনা সম্পূৰ্ণ কৰা হৈছে আৰু এই আঁচনিৰ কাম ক্ষীপ্ৰতাৰে কৰি থকা হৈছে। ইয়াৰোপৰিও পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে NSAP কুশল কোঁৱৰ বৃদ্ধ পেঞ্চন আঁচনি 14th Finance আঁচনিৰ অধীনত গ্ৰামাঞ্চলত বসবাস কৰা দুখীয়া ৰাইজক সহায় কৰিবলৈ সক্ষম হৈছে। ২০ লাখতকৈও অধিক উপভোক্তাই প্ৰতি মাহে DBT দ্বাৰা পেঞ্চন লাভ কৰিবলৈ সক্ষম হৈছে।

জনাব পাই সুখী হওঁ যে বিগত বিত্তীয় বৰ্ষত অসমে DBT ৰূপায়ণৰ কাৰণে ভৰতবৰ্ষৰ ভিতৰত প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হৈছে। বিত্তীয় বৰ্ষ ২০১৮-১৯ লৈ ভাৰত চৰকাৰৰ পৰা 14th Finance আঁচনিৰ অধীনত পাবলগীয়া সকলো পুঁজি লাভ কৰিবলৈ সক্ষম হ'ম বুলি আশা কৰিছো। 14th Finance ত নতুনকৈ সংযোজন হোৱা PFMS কাৰণে কিছু অসুবিধাৰ সন্মুখীন হৈছিল যদিও বৰ্তমান অৱস্থাত অসমে চতুৰ্থ তম স্থানলৈ অগ্ৰগতি লাভ কৰিছে। কনকলতা আঁচনিৰ অধীনত মুকলি কৰিবলগীয়া ধনখিনিও সময়মতে নিয়াৰিকৈ হিতাধিকাৰীসকলক প্ৰদান কৰা হৈছে। গ্ৰামাঞ্চলত বসবাস কৰা লোকসকলৰ আন্তঃগাঁথনি উন্নয়নৰ কাৰণে ল'বলগীয়া কামসমূহৰ পৰিকল্পনা তৃণমূল পৰ্য্যায়ত GPDP ৰ অধীনত কৰা হৈছে। উল্লেখ যোগ্য যে পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ আয়ুক্তৰ কাৰ্য্যালয়ৰ পৰা জিলা পৰ্য্যায়ত হোৱা কৰ্মচাৰী বদলিকৰণৰ ফলত উদ্ভৱ হোৱা খেলি-মেলি বিলাক ৰোধ কৰিবলৈ যোৱা ৭ ফেব্ৰুৱাৰী, ২০১৯ আৰু ৩১ মে', ২০১৯ তাৰিখে সেই মৰ্মে আয়ুক্তৰ দ্বাৰা পুনৰ সকলো জিলাৰ মুখ্য কাৰ্য্যবাহী বিষয়ালৈ ১২-৯-২০১৯ তাৰিখে CPRD/ 16/2019/7 নং চিঠি মৰ্ম্মে চৰকাৰী কৰ্মচাৰী তথা ঠিকা ভিত্তিক কৰ্মচাৰী সকলৰ ক্ষেত্ৰত আয়ুক্তৰ পৰা অনুমোদন নোলোৱাকৈ কোনোধৰণৰ বদলিকৰণ আৰু নিয়োগ কৰণৰ আদেশ নুলিয়াবলৈ নিৰ্দ্দেশ জাৰি কৰা হৈছে। কৰ্মচাৰী সকলৰ বদলিকৰণ প্ৰক্ৰিয়া হৈছে এটা স্বাভাবিক ঘটনা। ইয়াৰ দ্বাৰা স্বচ্ছতা আৰু পাৰদৰ্শিতা বৃদ্ধি পায়। সকলো বিভাগতে বদলিকৰণৰ প্ৰক্ৰিয়া আছে। এই মৰ্মে পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগো ইয়াৰ ব্যতিক্ৰম নহয় ।ইয়াৰ উপৰিও বদলি কৰণৰ ক্ষেত্ৰত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে কিছুমান নিৰ্দেশাৱলী জাৰি কৰিছে। এই নিৰ্দেশাৱলী সমূহ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত মানি চলা হয় ।পঞ্চায়ত আৰু গ্ৰামোন্নয়ন এটা বৃহৎ আৰু অত্যন্ত গুৰুত্বপূৰ্ণ বিভাগ। কৰ্মচাৰীৰ সংখ্যাও যথেষ্ট। আমাৰ বিভাগত HumanCapital Management System (HCMC) ৰ ব্যৱস্থা আছে। HCMC ৰ অধীনত data base তৈয়াৰ কৰা হৈছে। এই data base ৰ ফলত আমি কৰ্মচাৰী সকলক data যেনে data of Joining, place of posting, attendance ইত্যাদি লাভ কৰো। এই ব্যৱস্থা কেন্দ্ৰীয় ভাবে নিয়ন্ত্ৰণ কৰা হয়। এতেকে তৃণমুল পৰ্য্যায়ত যদি এজন কৰ্মচাৰীৰ বদলি হয়, তেন্তে এই খবৰটো HCMC ব্যৱস্থাৰ আওঁতালৈ তাৎক্ষণিক ভাবে আনোতে অসুবিধাৰ সৃষ্টি হয়। ফলত data base ৰ updating ত পলম হয়। সেই বাবে তৃণমুল পৰ্য্যায়ত বদলিকৰনৰ সিদ্ধান্ত ললে তাত উৰ্ধতম কতৃপক্ষৰ অনুমোদন জৰুৰী বুলি নিৰ্দেশ দিয়া হৈছে যাতে data base তৎক্ষণাত updating কৰিব পৰা যায়। মন কৰিবলগীয়া কথাটো হ'ল তৃণমুল পৰ্য্যায়ত বদলিকৰণৰ প্ৰক্ৰিয়া বন্ধ হোৱা নাই অৰ্থাৎ CEO সকলে বদলিকৰণ কৰিব পাৰে মাত্ৰ তাত উৰ্দ্ধতম কতৃপক্ষৰ অনুমোদনৰ হে প্ৰয়োজন। এনে ব্যৱস্থাৰে HCMC ক সঠিক ভাবে পৰিচালনা কৰাত সহায় কৰে। চৰকাৰী নিয়ম মতে নিযুক্তিৰ ক্ষমতা থকা বিষয়াৰ ওপৰত, অধীনত থকা কৰ্মচাৰী সকলৰ বদলিকৰণ আৰু নিয়োগৰ ক্ষমতা ন্যস্ত থাকে। এই ক্ষেত্ৰত নিযুক্তিৰ ক্ষমতা থকা বিষয়াই চৰকাৰী অনুমোদন ল'ব বিচাৰিলে তাত চৰকাৰী নিয়মৰ উলংঘন নহয়। ইয়াৰোপৰি পঞ্চায়ত আৰু গ্ৰমোন্নয়ন বিভাগৰ অন্তৰ্গত সকলো কৰ্মচাৰীৰ উপাদান সংগ্ৰহৰ Data Base উন্নিতকৰণৰ প্ৰক্ৰিয়া বৰ্তমান আয়ুক্তালয়ত চলি আছে। এই মৰ্মে প্ৰশাসনিক সুবিধাৰ্থে আৰু ৰাজহুৱা স্বাৰ্থজনিত কাৰণত ওপৰোক্ত নিৰ্দেশনা জাৰি কৰা হৈছিল। এই ক্ষেত্ৰত চৰকাৰী কোনো নীতি-নিয়মৰ উলংঘা হোৱা নাই। ওপৰত উল্লেখ কৰা বিশ্লেষণৰ পৰা এই কথা স্পষ্ট হৈছে যে অসমীয়া প্ৰতিদিন কাকতত যোৱা ১৫ নৱেম্বৰ **২০১৯** ইং তাৰিখত প্ৰকাশিত ৪৪,৩১ লাখ জৰকাৰ্ড ধাৰীৰ মাত্ৰ ৩৪৪৫ জনে পালে এশ দিনৰ কাম" শীৰ্ষক বাতৰিটো সত্যতাৰ ওপৰত

প্ৰতিষ্ঠিত নহয়। এই মৰ্মে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ তৰফৰ পৰা উক্ত বাতৰিটো অস্বীকাৰ কৰা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** Thank you এইবাৰ

**শ্ৰীআমিনুল ইছলাম (ধিং) ঃ** অধ্যক্ষ মহোদয়, যোৱা ১৬ নবেম্বৰত 'দৈনিক অসম' কাকতত প্ৰকাশিত 'নগাওঁত প্ৰধান মন্ত্ৰীৰ কিষাণ যোজনাৰ নামত বেংকৰ গ্ৰাহক সেৱা কেন্দ্ৰত কেলেংকাৰীৰ অভিযোগ' " ভূৱা কৃষকৰ নামত চৰকাৰী আঁচনিৰ ধন, বঞ্চিত প্ৰকৃত কৃষক" শীৰ্ষক বাতৰিটো অসম বিধান সভা পৰিচালনাৰ নীতি ৩০১ নং নিয়ম অনুসৰি মোক কবলৈ সুবিধা দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। অধ্যক্ষ মহোদয়, যিটো প্ৰধান মন্ত্ৰীৰ কিষাণ যোজনাৰ নামত ইতিপূৰ্বে কৃষক সকলক ৩ টা কিস্তিত, ২০০০ টকাকৈ কিছুমানে দুটা কিস্তি পাইছে বা কিছুমানে ৩ টা কিস্তিত কৃষক সকলে ধন লাভ কৰিছে, আৰু তাত আমাক বিধায়ক সকলকো কোৱা হৈছিল যে সমষ্ঠিত প্ৰত্যেক গাওঁ পঞ্চায়তত ২০০ গৰাকী marginal farmer এই কৃষক সকলৰ তালিকা দিবলৈ। সেই মতে আমিও তালিকা দিছিলো। কিন্তু সমস্যাটোৰ সৃষ্টি কৰিলে যেতিয়া প্ৰধান মন্ত্ৰীৰ কিষাণ যোজনাৰ তালিকা final কৰাৰ আগে আগে আকৌ আমাক এইটো কোৱা হ'ল, ইয়াত একাংশ ৰুলিং পাৰ্টীৰ তেওঁলোক কৰ্মী, তেওঁলোকে অফিচত গৈ দম দিলে তেওঁলোকক সুবিধা দিব লাগে, গতিকে আমাক কোৱা হ'ল আপোনালোকে আধা নাম দিয়ক আধা তেওঁলোকৰ ৰুলিং পাৰ্টীৰ কৰ্মী সকলে নামবিলাক দিওঁতে তেওঁলোকে একাউন্ট নং টো ভূৱা কৃষকৰ নামত কিছুমান জৰ কাৰ্ড দি দিলে। যে শ্ৰমিকৰ জব কাৰ্ড, শ্ৰমিকৰ বেংক একাউন্ট তাৰ লগতে ৰন্ধন গেছৰ যি একাউন্ট আছে, এইবিলাক একাউন্ট দি যিবিলাক কৃষকৰ একাউন্ট নাম্বাৰ নহয়। এই ভূৱা একাউন্ট নং দি তেওঁলোকে একাংশলোকৰ নাম জমা দিলে আৰু অফিচতে তেওঁলোকে কলে যে আমি ৰুলিং পাৰ্টীৰ হয়। গতিকে আমাৰ এই বিলাক ৰাখিব লাগিব। এনেকুৱা কৰোতে কিছুমান পঞ্চায়তত ২০০ যিটো টাৰগেট আছিল সেইটো বাঢ়ি গৈ ১১৩৬, ১৬১১, ১৩২৩,১০৫০,১২৫০,১৩৪৩ এনেদৰে কিছুমান পঞ্চায়তত লিমিট পাৰ হৈ গ'ল। পাইছে ভাল কথা। যদি কোনো পঞ্চায়তত ১০০০ ত কৈ অধিক লোক পাইছে, সেইটো ভাল কথা, সেইটো আমি ভাল পাইছো কিন্তু কথাটো হ'ল সেই সংখ্যাটো যদি প্ৰকৃত কৃষকে পালে হয়, তেতিয়া আমি ভাল পালো হয়। কিন্তু দেখা গ'ল এই যি সকল লোকৰ নাম দিয়া হ'ল, তেওঁলোক প্ৰকৃত কৃষক নহয়। এনেকুৱা ঘটনাও দেখা গ'ল অধ্যক্ষ মহোদয়, এখন গাৱৰ লোকক বেলেগ পঞ্চায়তত বেলেগ গাৱৰ কৃষক বুলি দেখুৱাই ভূৱা কৃষক সজাই তেওঁলোকৰ নাম তাত দি দিছে। এই বাতৰিটোত বহুত কেইগৰাকী ব্যক্তিৰ নাম দিয়া হৈছে, নামবিলাক মই পঢ়িব খোজা নাই, তেওঁলোকৰ ঘৰ ক'ত একাউন্ট নং কি আৰু তেওঁলোক কোন গাওঁ পঞ্চায়তত দেখুওৱা হৈছে, ইয়াত প্ৰায় ৪০-৫০ জন কৃষকৰ নাম দিছে মই নাম বিলাক নকওঁ। নিশ্চয় এইটো মন্ত্ৰী মহোদয়ে পাইছে। কিন্তু কথাটো হ'ল এইটোৱেই প্ৰমান কৰিছে যে এখন পঞ্চায়তৰ লোক, বেলেগ পঞ্চায়তত তেওঁলোকক কৃষক দেখুওৱা হৈছে। সেই কৃষকজনৰ বেংক একাউন্ট নংটো নিদি জৱকাৰ্ড বা অন্য একাউন্টত দিয়া হৈছে, এই কাৰণেই যে সেই বিলাক কিছুমান বি চি চেন্টাৰ, কিছুমান বেংক একাউন্ট বা বি চি চেন্টাৰত যিবিলাক কোনো দালাল প্ৰকৃতিৰ লোকে, আগতে তেওঁলোকে নিজে finger print দি একাউন্ট বিলাক খুলিছিল। বহুত জৱকাৰ্ড এনেকুৱা আছে যে অৰজিনেল জৱকাৰ্ড যাৰ নামত আছে, তেওঁ নিজৰ finger print দি একাউন্ট বিলাকখোলা নাই এজন দালালে বা কোনোবা আগৰ প্ৰতিনিধিও আছিল। যিজনে ২০০-৩০০ finger print দি একাউন্টবোৰ খুলি থৈছিল। এতিয়া সেই কৃষকৰ ভুৱা তালিকাখন যেতিয়া সেই একাউন্টবোৰ সুমুৱাই দিলে, তেতিয়া কৃষকজনে গমেই

নাপায় যে নিজৰ finger print আনি পইচাটো তেওঁ ২০০-৩০০ মানুহৰ টকাটো তেওঁ নিজেই উঠাই ল'ব পাৰে, নিজে আত্মসাৎ কৰিব পাৰে। গতিকে সেই কাৰণেই সেই ভূৱা একাউন্টবোৰ তাত দিলে। কিন্তু ইয়াত কথাটো হ'ল সেই মানুহ বিলাক selected কেনেকৈ হ'ল? district Officer আমাকো কৈছে যে ইয়াত আপোনালোক বিধায়ক সকলে আধা দিয়ক আৰু বাকী আধা ৰুলিং পাৰ্টীৰ কৰ্মীসকলক দিব লাগিব। ইয়াত মই মন্ত্ৰী মহোদয়ক এটা কথা জনাব বিচাৰিছো সেই লোক সকল আচলতে কোন দলৰ, আমিও ভালকৈ নাজানো। আগতে দেখিছিলো, পূৰ্বৰ চৰকাৰৰ দিনত তেওঁলোকক সিফালে দেখিছিলো, এতিয়া আকৌ এই ফালে। আচলতে তেওঁলোক নিৰ্দিষ্ট কোনো দলৰেই নহয়। কিন্তু তেওঁলোক যেতিয়া কোনো মন্ত্ৰীৰ ওচৰত যায়, কোনোবা বিধায়কৰ ওচৰত যায়, গৈ কয় যে আমি ৰুলিং পাৰ্টীৰ মানুহ। আমাক অলপ দিয়ক। তেখেতসকলেও চিনি নাপায় আচলতে তেওঁলোক কোন দলৰ? তেওঁলোক কোনো নিৰ্দিষ্ট দলৰেই নহয়। তেওঁলোক দালাল দলৰ। কিন্তু এই কথাটো কিন্তু মন্ত্ৰী বিধায়ক সকলে বুজিব লাগিব যে তেওঁলোক কোনো দলৰ নহয়, তেওঁলোকে কেৱল জনসাধাৰণৰ টকাবিলাক আত্মসাৎ কৰিবৰ কাৰণেহে সদায় দল বাগৰে। গতিকে তেওঁলোকক যিটো সুবিধা দিয়া হ'ল দেখা গ'ল তাত আধাতকৈ বেছি কৃষকে নাপালে, তেওঁলোকে ভূৱা একাউন্ট দি সেইখিনি কাম কৰিলে। গতিকে মাননীয় অধ্যক্ষ মহোদয়, আপনার মাধ্যমে মন্ত্রী মহোদয়কে আমি একটা অনুরোধ করতে চাই , আমি এখন বাংলাতে বলতে চাই কারণ আগামী দিনে ক্যেব চালিত হতে যাচ্ছে। ক্যেব পালিত হলে বিধান সভায় আগামী দিনে বাংলাতেই বলতে হবে। সারা অসমে তখন হয়ত বাংলাতেই কথা বলতে হবে। সেইজন্য আমি এখন সব কথাগুলো বাংলাতেই বলতে চাই। এখানে বেশি যে দেওয়া হয়েছে তা হল রূপহী হাট সমষ্টি, নগাঁও সদর, বটদ্রবা ও ধিং এর কিছু জায়গায়। প্রথমে আমি মন্ত্রী মহোদয়কে এই অনুরোধ করব তদন্ত করে তাদের ধরতে হবে। মন্ত্রী মহোদয়কে বলতে হবে যে, তারা অফিসারকে রোলিং পার্টির বলে দাবী আদায় করছে। তাদেরকে যখন আমি জিজ্ঞাসা করলাম তোমরা কেন ভূয়া জব কার্ড দিয়ে এই কাজটা করলে? তখন তারা একজন নেতার কথা বলেছে যিনি আমাদের এখানে যুব মোর্চার কমিটি বানিয়েছেন। উনাকে ১ লাখ টাকা না দিলে কাজ হয় না। এই কথারও তদন্ত হতে হবে। আপনি আমাকে বলার সুযোগ দেওয়ার জন্য ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ আপুনি এইটো details ত মন্ত্ৰীক লিখি দি দিব। minister please

**শ্ৰী অতুল বৰা (কৃষি বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৬ নবেম্বৰ ২০১৯ তাৰিখে দৈনিক অসম কাকতত এটা বাতৰি প্ৰকাশ পাইছিল। সেই বাতৰিটো আছিল এনেধৰণৰ " নগাৱত প্ৰধান মন্ত্ৰীৰ কিষাণ যোজনাৰ নামত বেংকৰ গ্ৰাহক সেৱা কেন্দ্ৰত কেলেংকাৰী" কিছু ভূৱা কৃষকৰ নামত চৰকাৰী আঁচনিৰ ধন, বঞ্চিত প্ৰকৃত কৃষক এই বাতৰিটো সন্মানীয় সদনৰ দৃষ্টিগোচৰ কৰি এই সন্দৰ্ভত কিছু তথ্য সন্মানীয় সদনক জনাবলৈ আমাক সুবিধা দিয়াৰ বাবে মই সন্মানীয় বিধায়ক আমিনুল ইছলাম ডাঙৰীয়াক ধন্যবাদ জনাইছো। অসম চৰকাৰে প্ৰধান মন্ত্ৰী কিষান সন্মানজ্যোতি আঁচনি ৰূপায়ণত খেলি-মেলি হোৱা বুলি উত্থাপিত অভিযোগক যথেষ্ট গুৰুত্ব সহকাৰে গ্ৰহণ কৰিছে আৰু এই সন্দৰ্ভত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰো নিৰ্দেশ দিছে। এই বিষয়টো বাখ্যা কৰাৰ আগেয়ে এই আঁচনিখনৰ সৈতে জড়িত থকা কিছু কথা, আৰু আঁচনিখন কেনেদৰে পৰিচালনা কৰা হৈছে এই সম্পৰ্কত মই সন্মানীয় সদনক জনাবলৈ বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, প্ৰধান মন্ত্ৰী কিষান সন্মান নিধি চমুকৈ PM-Kishan নামৰ আঁচনিখন কেন্দ্ৰীয় চৰকাৰৰ আঁচনি আৰু যোৱাবছৰ অৰ্থাৎ ২০১৮ বৰ্ষৰ ১ ডিচেম্বৰ তাৰিখৰ পৰা সমগ্ৰ দেশৰ লগতে অসমতো এই আঁচনিখনৰ ৰূপায়ণৰ

কাম আৰম্ভ কৰা হৈছে। এই আঁচনিখন যাতে সফলভাৱে ৰূপায়িত কৰিব পৰা যায়, তাৰ কাৰণে আমি পাৰ্য্যমানে চৰকাৰৰ তৰফৰ পৰা প্ৰচেষ্টা অব্যাহত ৰাখিছো। তৎসত্বেও কেতবোৰ অনিয়ম হৈছে, মই অস্বীকাৰ নকৰো। কৃষি ভূমিৰ অধিকাৰী সকলো শ্ৰেণীৰ কৃষককে উপাৰ্জনত সহায়ক হোৱাকৈ বছৰি ৬০০০ টকা আৰ্থিক সাহাৰ্য্য এই আঁচনিখনৰ জৰিয়তে আগবঢ়োৱা হৈছে। এই পৰিমাণৰ ধন বছৰি তিনিটাকৈ কিস্তীত, প্ৰতিটো কিস্তিত ২০০০ টকাকৈ, চাৰি মাহৰ অন্তৰে অন্তৰে কৃষকৰ বেংক একাউণ্টত প্ৰত্যক্ষভাৱে জমা দিয়া হয়। এই আঁচনিখনৰ ৰূপায়ণৰ সময়ত দেশৰ আধাৰ কাৰ্ড থকা কৃষককে আঁচনিখনত অন্তৰ্ভূক্ত কৰাৰ ব্যৱস্থা আছিল যদিও আমাৰ ৰাজ্যখনৰ প্ৰতিজন কৃষকৰ এতিয়াও আধাৰ কাৰ্ড লাভ কৰা নাই। সেয়ে অসম চৰকাৰৰ বিশেষ অনুৰোধত কেন্দ্ৰীয় চৰকাৰে ক'লে যে, অসমত আধাৰ কাৰ্ড নাথাকিলেও কৃষকৰ নাম PM Kishan সন্মাননিধি অধীনত সামৰি ল'ব পৰা যাব। উৎপাদন বৃদ্ধিৰ জৰিয়তে আয় বৃদ্ধি হোৱাত সহায়ক হোৱাকৈ কৃষকে যাতে উপযুক্ত সময়ত খেতি পথাৰত প্ৰয়োজন হোৱা বিভিন্ন কৃষি সামগ্ৰী ক্ৰয় কৰিব পাৰে, সেয়াই আঁচনিখনৰ মূল উদ্দেশ্য। দেশৰ মাননীয় প্ৰধান মন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই ২০২২ চনক লক্ষ্য হিচাপে লৈছে, যাতে দেশখনৰ কৃষকৰ উপাৰ্জন দুগুণ কৰিব পৰা যায় আৰু তাৰ বাবে আমাৰ ৰাজ্যখনতো এই আঁচনিখনৰ লগতে বিভিন্ন আঁচনি, কেন্দ্ৰীয় চৰকাৰৰ আঁচনি, মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ লোৱা আঁচনিখিনি সফল ভাৱে ৰূপায়িত কৰিবলৈ আমি আন্তৰিকতাৰে প্ৰচেষ্টা হাতত লৈছো। বহু সময়ত দেখা যায় যে, কিছু সংখ্যক কৃষকে খেতিৰ সময়ত মাটি চাহ কৰা, বীজ আদি ক্ৰয় কৰাৰ ক্ষেত্ৰত প্ৰয়োজন হোৱা তেওঁলোকৰ যি ধন, গাওঁৰ মহাজন কিছুমান থাকে বা আদ্যবন্ত লোক থাকে, সেই সকলৰ পৰা সুতত ধাৰলৈ ল'বলগীয়া হয় আৰু আমি অনুভৱ কৰিছো যে, এই আঁচনিখনে তেনেধৰণৰ কৃষকসকলক যথেষ্ট সকাহ দিছে। এতিয়া বেংক বিলাকতো KCC লোন দিয়াৰ ব্যৱস্থা আছে যদিও প্ৰকৃত কৃষকে কিন্তু সেই লোনবিলাক লাভ নকৰে। গতিকে এই আঁচনিখনে যথেষ্টখিনি সকাহ দিব বুলি আমি আশা ৰাখিছো। প্ৰধান মন্ত্ৰী কিষান সন্মান নিধি আঁচনিখন ৰূপায়ণ কৰাৰ সময়ত আমাৰ ৰাজ্যখনত কেইখনমান জিলাত হিতাধিকাৰীৰ নাম অন্তৰ্ভূক্ত কৰাৰ ক্ষেত্ৰত কেতবোৰ অনিয়ম হোৱা বুলি যেতিয়াই আমি অভিযোগ পাইছিলো আৰু আমি বিভাগীয় নীতি নিয়মৰ আধাৰত আমি ব্যৱস্থাও লৈছো। উদাহৰণ স্বৰূপে মৰিগাওঁ জিলাত আমি যেতিয়া অভিযোগ পাইছিলো, তেনে কেতবোৰ অনিয়ম হেৰা বুলি। আমি অনুসন্ধান কৰি মৰিগাওঁ জিলাৰ District Agriculture Officer ৰ লগতে আৰু অন্য এগৰাকী বিষয়া AJO গৰাকীক নিলম্বনো কৰিছো। বৰপেটাত এনে অনিয়মৰ বাবে পুলিচৰ ওচৰত এজাহাৰো আমি দাখিল কৰিছো। এনেদৰে অনিয়ম হোৱা অভিযোগ উত্থাপন হোৱা অন্য জিলাসমূহতো আমি তদন্ত কৰি দোষীসাব্যস্ত হোৱা বিষয়া বা অন্য লোকৰ বিৰুদ্ধে আমি অনুশাসনমূলক বা আইনী ব্যৱস্থা গ্ৰহণ কৰাৰ কাৰণে পদক্ষেপ গ্ৰহণ কৰিম। প্ৰধান মন্ত্ৰী কিষান সন্মান নিধি আঁচনিখন ৰূপায়ণ কৰাৰ সময়ত হিতাধিকাৰীৰ নাম অন্তৰ্ভূক্ত কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ নিয়ম অনুসৰি এই আঁচনিখনৰ নিৰ্দিষ্ট Web Portel ৰ জৰিয়তে অন লাইন ব্যৱস্থাৰ সহায় লোৱা হয়। এইটো এটা সম্পূৰ্ণ কাৰিকৰী বিষয়। প্ৰথমতে এই আঁচনিখনৰ ৰাজ্যিক Nodel Officer তথা কৃষি সঞ্চালক গৰাকীয়ে নিজৰ নাম, মোবাইল নম্বৰ আৰু ই-মেইল ব্যৱহাৰ কৰি নিজস্ব User ID আৰু Pass word সৃষ্টি কৰি লয়। ৰাজ্যিক Nodel Officer গৰাকীৰ ID Portel টো গ্ৰহণ কৰাৰ বাবে তেওঁৰ মোবাইল নম্বৰত এটা OTP প্ৰেৰণ কৰা হয় আৰু Portel ত Log in কৰাৰ বাবে এই OTP টো ২৪ ঘণ্টাৰ বাবে সক্ৰিয় হৈ থাকে। ৰাজ্যিক Nodel Officer তথা কৃষি সঞ্চালক গৰাকী User ID ৰ সৃষ্টিৰ

প্ৰক্ৰিয়াটো কেন্দ্ৰীয়  চৰকাৰৰ দ্বাৰা পৰিচালিত হয়। ৰাজ্যিক Nodel Officer গৰাকীয়ে তেওঁৰ ID ৰ জৰিয়তে জিলা কৃষি বিষয়া তথা জিলা Nodel Officer সকলৰ বাবে জিলা পৰ্য্যায়ত ব্যৱহাৰ কৰিবলৈ তেওঁলোকৰ নাম, মোবাইল নম্বৰ আৰু ই-মেইল ব্যৱহাৰ কৰি  ID সমূহ সৃষ্টি কৰে। প্ৰথম এই কামটোত State Level National Information Centre চমুকৈ NIC ৰ সহায় লোৱা হৈছিল। এনেদৰে জিলা পৰ্য্যায়ৰ  ID সমূহ সৃষ্টি কৰাৰ লগে লগে জিলা কৃষি বিষয়া তথা জিলা Nodel Officer গৰাকীয়ে তেওঁৰ নাম, পদবী, মোবাইল নম্বৰ আৰু ই-মেইল ID ব্যৱহাৰ কৰি লাভ কৰা OTP আৰু Pass word ৰ সহায়ত Portel ত গম পায়। জিলা পৰ্য্যায়ৰ এই User ID একমাত্ৰ জিলা কৃষি বিষয়া তথা জিলা Nodel Officer গৰাকীৰ বাবে সংৰক্ষিত হৈ থাকে। অৰ্থাৎ একমাত্ৰ এই বিষয়া গৰাকীয়ে এই  User ID ৰ গৰাকী। কিন্তু ২০১৯ চনৰ ২৪  ফেব্ৰুৱাৰীত ৰাষ্ট্ৰ জুৰি এই আঁচনি ৰূপায়ণ হৈছিল আৰু এই আঁচনি খনৰ অধীনত নিৰ্দ্দিষ্ট সময়সীমাৰ ভিতৰত লক্ষ্য নিৰ্ধাৰিত যথেষ্ট সংখ্যক হিতাধিকাৰীৰ নাম  অন্তৰ্ভুক্ত কৰিবলগীয়া হয় সেইবাবে এই কামটো কেৱল জিলা কৃষি বিষয়া গৰাকীৰ দ্বাৰা কৰাতো সম্ভৱ নোহোৱাত আঁচনিখনৰ সফল ৰূপায়নৰ দৃষ্টি ৰাখি ৰাজ্যিক আৰু জিলা পৰ্য্যায় এন আই চিৰ বিষয়া সকলৰ সহায় ল'ব লগা হয়। তেওঁলোকক জিলা কৃষি বিষয়া গৰাকীৰ বাবে সৃষ্টি কৰা User ID ৰ গৰাকী আৰু Pass word ব্যৱহাৰ কৰি সংশ্লিষ্ট জিলাৰ কৃষি বিষয়া সকলক সহায় কৰিবলৈ নিৰ্দেশ দিয়া হয়। অৰ্থাৎ প্ৰথম পৰ্য্যায়ত জিলা কৃষি বিষয়া সকলৰ বাবে সৃষ্টি কৰা ৩১ টা ID জিলা পৰ্য্যায়ৰ এন আই চি বিষয়া সকলক যোগান ধৰি জিলা কৃষি বিষয়াৰ মোবাইল নম্বৰ আৰু Pass word এইসকলে এন আই চি বিষয়াক ব্যৱহাৰৰ বাবে দিয়ে। মাননীয় অধ্যক্ষ মহোদয়, আৰম্ভণিতে অকল জিলা কৃষি বিষয়া তথা জিলা  Nodel Officer গৰাকীয়ে হিতাধিকাৰীৰ নাম অন্তৰ্ভুক্ত কৰাৰ  কামতো ক্ষীপ্ৰতৰ কৰি তোলাৰ বাবে তেওঁৰ কাৰ্য্যালয় এগৰাকী বিষয়াৰ বাবে আৰু এটা User ID ৰ সৃষ্টি কৰে। কিন্তু Pass word দুৰ্ভাগ্যজনক ভাৱে জিলা পৰ্য্যায়ৰ এন আই চি বিষয়াই ব্যৱহাৰ কৰা মোবাইল নম্বৰ আৰু ই-মেইল ID ব্যৱহাৰ কৰি জিলা কৃষি বিষয়া তথা জিলা পৰ্য্যায়ৰ Nodel Officer ৰ নামত বহুতো User ID সৃষ্টি হোৱা পৰিলক্ষিত হয়। মাননীয় অধ্যক্ষ মহোদয়, যদিও ব্লক পৰ্য্যায়ৰ User ID সৃষ্টি কৰাত মুখ্যত জিলা কৃষি বিষয়া তথা Nodel Officer সকলেই দায়বদ্ধ। তথাপিও অধিক সংখ্যক ক্ষেত্ৰত দেখা গৈছে যিহেতু আন আই চি জিলা পৰ্য্যায়ৰ বিষয়া সকলৰ হাতত জিলা কৃষি বিষয়া তথা জিলা Nodel Officer গৰাকীৰ User ID আৰু Pass word ব্যৱহাৰ কৰাৰ সুবিধা থাকে। গতিকে তেওঁলোকেও ব্লক পৰ্য্যায়ত বা অন্য  ক্ষেত্ৰত এনেদেৰে User ID আৰু Pass word সৃষ্টি কৰিব পাৰে। যাৰফলত অসমত থকা ২১৯ টা ব্লকৰ ভিতৰত ৫৭৭ টা  User ID আৰু Pass word সৃষ্টি হ'ল।

পৰ্য্যবেক্ষণ কৰি গম পোৱা গ'ল যে ব্লক সমূহত এনেদৰে ইউজাৰ আই,ডি আৰু পাচৱৰ্ড ব্যৱহাৰ কৰিয়েই অস্বাভাৱিক সংখ্যক হিতাধিকাৰীৰ নাম কিছু কিছু ঠাইত ধুবুৰী, মৰিগাওঁ, দৰং, নগাওঁ এনেবোৰ ঠাইত অন্তৰ্ভুক্ত কৰা হৈছে। এনে অনিয়ম পৰিলক্ষিত হোৱাৰ লগে লগে ৰাজ্যিক ন'ডেল বিষয়া গৰাকীয়ে এনে বহুতো ব্লক পৰ্যায়ত সন্দেহজনক ইউজাৰ আই,ডি আৰু পাচৱৰ্ড বন্ধ কৰি দিয়ে। কিন্তু এনে ব্যৱস্থা গ্ৰহণ কৰাৰ পিচতো পি, এম, কিষাণ পোৰ্টেলত ভিজিব'ল নোহোৱা বহুতো ইউজাৰ আই,ডি হিতাধিকাৰীৰ তথ্য পোৰ্টেলত সন্নিৱিষ্ট কৰি থকা পৰিলক্ষিত হয়। অধ্যক্ষ মহোদয়, এই বিষয়টো আমি কেন্দ্ৰীয় চৰকাৰকো যথাসময়ত অৱগত কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, পি, এম, কিষাণ পোৰ্টেলটো আমি কিছুমান আসোৱাহ প্ৰত্যক্ষ কৰিছিলো। পি. এম. কিষাণ

আঁচনিখন মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই মুকলি কৰি দিয়াৰ পিছত কিছুদিনলৈকে অৰ্থাৎ ২৮ ফেব্ৰুৱাৰী, ২০১৯ পৰ্য্যন্ত জিলা পৰ্য্যায়ত ইউজাৰ আই,ডি আৰু পাচৱৰ্ড নিৰীক্ষণ কৰিব পৰা ফিল্টাৰৰ ব্যৱস্থা কৰা হোৱা নাছিল। উল্লেখযোগ্য যে এই জিলা পৰ্য্যায়ৰ ফিল্টাৰৰ জড়িয়তে একোখন নিৰ্দিষ্ট জিলাৰ জিলা কৃষি বিষয়া তথা জিলা ন'ডেল বিষয়া গৰাকীৰ আই, ডিৰ জড়িয়তে মাথো সেইখন জিলাতহে ব্লক লেভেল ইউজাৰ আই, ডিৰ সৃষ্টি কৰিব পৰা যায়। প্ৰতিখন জিলাৰ বাবে নিৰ্দিষ্ট এই ফিল্টাৰৰ জড়িয়তে অন্য জিলাত কোনো আই, ডি কৰিব পৰা নাযায়। ডাটা এন্ট্ৰি অপাৰেটৰ সকলে হিতাধিকাৰীৰ নাম তথা অন্য তথ্য আপলোড কৰা তালিকাখন পৰ্টেলত তাৎক্ষণিকভাৱে জিলা ন'ডেল বিষয়া, উৰ্ধতম কৰ্তৃপক্ষই পৰ্টেলত চোৱাৰ সুবিধাও নাই। কিন্তু ইউজাৰ আই, ডিৰ পৰা কোন ঠাইত কিমান সময়ত এই তথ্য সমূহ আপলোড কৰা হৈছে, সেইয়া অকল কেন্দ্ৰীয় চৰকাৰৰ এছ, কিউ, এল চাৰ্ভাৰতহে উপলদ্ধ হয়। হিতাধিকাৰীৰ তথ্যৰ সন্দৰ্ভত কোনো সন্দেহ হলে যদিহে পৰ্টেলটোত ষ্টপ-পেমেন্ট মোডত আপলোড কৰা যায়, তেতিয়া হিতাধিকাৰীৰ সম্পৰ্কে সবিশেষ তথ্য লাভ কৰিব পাৰি। এই কাম অকল ৰাজ্যিক ন'ডেল বিষয়া গৰাকীৰ দ্বাৰাই হে সম্ভৱ, যিটো কাম জিলা পৰ্যায়ৰ ন'ডেল বিষয়া সকলে কৰিব নোৱাৰে। সেয়েহে, এই বিসংগতি থকা হিতাধিকাৰীৰ নাম তথা তথ্য সমুহ কোন ইউজাৰ আই, ডিৰ জড়িয়তে আপলোড কৰা হৈছে সেইয়া বহুত পলমকৈ দৃষ্টিগোচৰ হৈছে। যিকোনো ইউজাৰ আই, ডিৰ ব্যৱহাৰ কৰি উৰ্ধতম কৰ্তৃপক্ষই ডি-এক্টিভ কৰিলেও সেই ইউজাৰ আই, ডি ব্যৱহাৰ কৰোতা জনে এক্টিভেট একাউণ্ট অপচনলৈ গৈ পুনৰ এক্টিভেট কৰি লব পাৰে। আনহাতে অ. টি, পি বেচ্ ড পৰ্টেল একছেজটো ২৪ ঘণ্টালৈকে সক্ৰিয় হৈ থাকে। ফলত উৰ্ধতম কৰ্তৃপক্ষই কোনো এটা ইউজাৰ আই, ডি, ডি-এক্টিভেট কৰিলেও সেই ইউজাৰ আই, ডি, ব্যৱহাৰকাৰীজনে এক্টিভেট একাউণ্ট অপচনলৈ গৈ ২৪ ঘণ্টাৰ ভিতৰত পুনৰ এক্টিভেট কৰি লব পাৰে। গতিকে জিলা ন'ডেল বিষয়াই ডি-এক্টিভেট কৰিলেও ব্লক পৰ্য্যায়ত এক্টিভেট কৰি লব পাৰে। মাননীয় অধ্যক্ষ মহোদয়, বহুদিনলৈকে অৰ্থাৎ ২০১৯ চনৰ ২২ আগষ্ট তাৰিখলৈকে কেন্দ্ৰীয় চৰকাৰৰ পৰ্টেলৰ ব্যৱহাৰ সম্পৰ্কীয় প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হোৱা নাছিল। মই ভাৱো যে - আজি সদনৰ

মজিয়াত মই যিখিনি কথা উত্থাপন কৰিছো সন্মানীয় সদস্য গৰাকীয়ে ইয়াৰ পৰা তেখেতে গোটেই কথাটো সঠিক ভাৱে হৃদয়ংগম কৰিবলৈ সক্ষম হৈছে। কেৱল এই আঁচনিখনেই নহয়, মূখ্যমন্ত্ৰীৰ কৃষি সা-সঁজুলি যোজনা, মূখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা আদি আছে। ইয়াৰ হিতাধিকাৰী বিলাক বাচনি কৰোতে যাতে সাৱধানতা অবলম্বন কৰে আৰু সকলো ফালে দৃষ্টি ৰাখে তাৰবাবে মই সদনৰ সন্মানীয় সদস্য সকলক বিনম্ৰতাৰে অনুৰোধ জনালো।

মাননীয় অধ্যক্ষ মহোদয়, যোৱা দিন কেইটাত আমি কাৰ্য্যভাৰ লোৱাৰ পাচত সঁচা অৰ্থত কৃষিক্ষেত্ৰখনত যথেষ্ট পৰিবৰ্তন আহিছে। আমি জনাবলৈ পালে সুখী হম যে - ভাৰত চৰকাৰে ২০১৭-১৮ চনত সৰ্বমুঠ খাদ্যশস্যৰ উৎপাদনত সন্তুষ্টি প্ৰকাশ কৰি ২০১৯-২০ বৰ্ষত এক কোটি টকাৰ বঁটা কৃষি বিভাগক প্ৰদান কৰে। মই ভাৱো এইটো আমাৰ কাৰণে এটা ভাল খবৰ। কৃষিক্ষেত্ৰখনলৈ আমূল পৰিৱৰ্তন আনিবৰ কাৰণে মাননীয় সৰ্বানন্দ সোনোৱাল ড্যাঙৰীয়াৰ নেতৃত্বত আমাৰ চৰকাৰে যিবোৰ কাৰ্যব্যৱস্থা গ্ৰহণ কৰিছে,কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যচৰকাৰে যিবিলাক আঁচনি লৈছে, সেই আঁচনি বিলাকৰ সফল ৰূপায়ণত আপোনালোক সকলোৰে সহযোগ কামনা কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**আইটেম নং- ৪ (ক)**

মই মাননীয় শিক্ষামন্ত্ৰীক "The Assam Women's University (Amendment) Bill, 2019" খন সদনত বিবেচনাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**সিদ্ধাৰ্থ ভট্টাচাৰ্য্য (শিক্ষা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Women's University (Amendment) Bill, 2019" খন দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনৰ মজিয়াত উত্থাপন কৰিলো ।প্ৰস্তাৱটো হৈছে- "The Assam Women's University (Amendment) Bill, 2019" be taken in to consideration. যি সকল মাননীয় সদস্য-সদস্যাই প্ৰস্তাৱটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়', যিসকলে বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হৈছে।

**এতিয়া কাৰ্যসূচী নং-৪ ( খ)** বিধেয়কৰ ২ নং দফাটোত সংশোধনী প্ৰস্তাৱ নাই। মই বিধেয়কৰ ২ নং দফাটো সদনত উত্থাপন কৰিলো। ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য-সদস্যাই প্ৰস্তাৱটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়', যিসকলে বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে ২ নং দফাটো বিধেয়ক খনৰ অংশ হৈছে। বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোদনীৰ প্ৰস্তাৱ নাই, এতিয়া মই বিধেকখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ সদনৰ মজিয়াত ডাঙি ধৰিলো। প্ৰশ্নটো হৈছে - বিধেকখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়ক খনৰ অংশ হব। যি সকল মাননীয় সদস্য-সদস্যাই দফাটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়', যিসকলে বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। বিধেকখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়ক খনৰ অংশ হ ল। এতিয়া মই মাননীয় শিক্ষা মন্ত্ৰীক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**সিদ্ধাৰ্থ ভট্টাচাৰ্য্য (শিক্ষা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Assam Women's University (Amendment) Bill, 2019 বিধেয়কখন পাৰিত কৰাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত ডাঙি ধৰিলো।

প্ৰস্তাৱটো হল - "The Assam Women's University (Amendment) Bill, 2019" পাৰিত কৰা হওঁক। যি সকল মাননীয় সদস্য-সদস্যাই প্ৰস্তাৱটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়', যিসকলে বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। গতিকে প্ৰস্তাৱটো পাৰিত কৰা হল, বিধেয়কখনো পাৰিত কৰা হল।

**এতিয়া কাৰ্য্যসূচী নং - ৫ (ক)** "The Assam Contingency Fund (Augmentation of Corpus) Bill, 2019" খন আৰম্ভ কৰিব বিচাৰিছো। ৰাজভৱনৰ পৰা বিধেয়কখন সদনত বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ এটা বাণী পঠাইছে। মই বাণীটো পঢ়ি দিছো। Under the provision of Article 207 Sub-clause (3) of the Constitution of India, I Prof. Shri Jagdish Mukhi, Governor of Assam recommend

that "The Assam Contingency Fund (Augmentation of Corpus) Bill, 2019" be taken into consideration by the Assam Legislative Assembly.

মই বিত্ত মন্ত্ৰী ডাঙৰীয়াক এই বিলখন সদনত বিবেচনাৰ বাৰে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ মাননীয় বিত্ত মন্ত্ৰীৰ হৈ "The Assam Contingency Fund (Augmentation of Corpus) Bill, 2019" খন বিবেচনাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত ডাঙি ধৰিব বিচাৰিছো। প্ৰস্তাৱটো হৈছে - "The Assam Contingency Fund (Augmentation of Corpus) Bill, 2019" খন বিবেচনাৰ বাবে লোৱা হওঁক। যি সকল মাননীয় সদস্য-সদস্যাই প্ৰস্তাৱটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়', যিসকলে বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, প্ৰস্তাৱ গৃহীত হৈছে। এতিয়া বিধেয়ক খনৰ ২ নং দফাত মাননীয় সদস্য হাফিজ বছিৰ আহমেদৰ লগতে তেখেতৰ সহযোগী সকলৰ এটা সংশোধনী আছে। মই এই ক্ষেত্ৰত আপোনালোকৰ যদি কিবা কবলগীয়া আছে, কবলৈ অনুৰোধ কৰিলো।

**শ্ৰী অমিনুল ইছলাম, ধিং ঃ** Hon'ble Speaker Sir, I beg to move in clause 2 of the proposed Bill in between the words 'rupees' and 'out' occurring in line 3, the words 'in addition to existing one hundred crores' shall be inserted. Hon'ble Speaker Sir, এই bill খনত আমি দেখা পালো contingency fund ত State Government ক ১০০ কোটি টকা বিচৰা হৈছে, আৰু ১০০ কোটি টকা contingency fund লৈ আহিব। কিন্তু আমি জনা মতে ১০০ কোটি টকা existing পাই আছে। এইটো খুব সম্ভৱ আৰু ১০০ কোটি টকা বাঢ়িব অৰ্থাৎ contingency fund ২০০ কোটি টকা হ'ব। সেইকাৰণে সেই বস্তুটো স্পষ্ট কৰিবলৈ আমি ভাৱিছো in addition to existing one hundred crores লগাই দিলে বস্তুটো স্পষ্ট হব।

**Shri Chandra Mohan Patowary, Hon'ble Minister, Parliamentary Affairs etc:** Hon'ble Speaker Sir, আচলতে Bill খনত যিটো আছে আৰু সন্মানীয় বিধায়ক গৰাকীয়ে যিটো কৈছে in addition to existing one hundred crores another one hundred crores, আচলতে বিলখনত যিটো ২০০ কোটি টকা অনা আছে, সেইটো spirit তোয়ে instead of one hundred crores contingency fund ত two hundred crores লাগে। কাৰণ আমাৰ unforseen expenditure বহুত হয়, বানপানী হৈ গ'ল, আমাক বহুত পইচা লগা হ'ল। অন্যান্য situation হলেও আমাক পইচা লগা হৈ যায়। ঠিক তেনেধৰণে আমাৰ centrally sponsered scheme ত Central ৰ grant আহে। ইফালে Budget ত আমাৰ সেই provision নাথাকিলে, তেতিয়া আমি এই Central grant তৰ পৰা draw কৰাৰ কাৰণে আমি এই contingency ৰপৰা দিব লগীয়া হয়। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিটো contingency fund এইটো আৰম্ভ হৈছিলে 1950 চনৰ পৰা আৰু প্ৰায় ৩৫ লাখ টকাৰে গৈ গৈ এতিয়া ১০০ কোটি টকা হ'ল। যিহেতু এই চৰকাৰৰ দিনত উন্নয়নতো যথেষ্ট পৰিমানে হৈছে বিভিন্ন ক্ষেত্ৰত, সেই কাৰণে উন্নয়নৰ স্বাৰ্থত

এই contingency fund তো বঢ়াব লগীয়া হৈছে। গতিকে মাননীয় সদস্য গৰাকীয়ে যিটো সংশোধনী আনিছে, সেইটো নানিলেও The spirit of the bill, the spirit of the Act যে আমাৰ ১০০ কোটি টকা আছিল, এতিয়া ২০০ কোটি টকা লাগে। গতিকে সেই সংশোধনীতো in addition to one hundred crore সেই শব্দটো নলগালেও the spirit of the bill as such we need two hundred crores. গতিকে মই নাভাৱো যে এইটোৰ এটা সংশোধনী লাগে। সেই কাৰণে মই ভাৱো মাননীয় সদস্যগৰাকীয়ে এই কথাটো বুজিব আৰু appreciate কৰিব যে চৰকাৰখনে উন্নয়ন কৰাৰ স্বাৰ্থত বহুখিনি কাম কৰিব লগীয়া হোৱা কাৰণে centrally sponsered scheme ত matching grant দিবলগীয়া হোৱাৰ কাৰণে unforseen কিছুমান expenditure হয় যেনে বানপানী হৈ গ'ল, যোৱা বাৰ বানপানীত যদি আমি ৫০ কোটি টকা খৰছ কৰিবলগীয়া হৈছিল, এইবাৰ যদি ১০০ কোটি টকা খৰছ কৰিব লগীয়া হৈ যায়। গতিকে মই ভাৱো মাননীয় সদস্যগৰাকীয়ে যিটো সংশোধনী আনিছে, সেইটো নকৰিলেও হয়।

**মাননীয় অধ্যক্ষ** ঃ এইটো পিছৰ পৰা ২০০ কোটি টকাই থাকিব আৰু নবঢ়াই। মই ভাৱো এইটো ঠিকে আছে।

**শ্ৰীআমিনুল ইছলাম (ধিং)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো ভাল পাইছো। এটা কথা কব বিচাৰিছো মানে এই টকাতো আমাৰ প্ৰত্যেক জিলাৰ উপায়ুক্ত সকলৰ হাততো থাকিলে ভাল হয়। কাৰণ কেতিয়াবা কৰবাত আকস্মিক দুৰ্ঘটনা ঘটি গলে, তেতিয়া তেওঁলোকে এই contingency টকাতোৰ পৰা সহায় কৰিব পাৰিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)**ঃ মাননীয় অধ্যক্ষ মহোদয়, এই যিবিলাক unforseen expenditure হয়, কোনোৱা জিলাতো যদি হয়, তাতো পাব। কিন্তু কথা হৈছে যে জিলাবিলাকত উপায়ুক্ত সকলৰ contingency fund টো এটা বেলেগ বস্তু আৰু এইটো contingency fund অলপ বেলেগ। এইটো হ'ল গোটেই ৰাজ্যখনৰ over all development আৰু unforseen expenditure যদি হৈ যায় তাৰ কাৰণে। আমাৰ য'ত বাজেটত provision নাই, suppose কালি central fund এটা দিলে, central fund ত এটা matching grant ত দিব লাগে। কিন্তু আমাৰ ধৰক বাজেটতো provision নাই যে তাত matching grant দিব পাৰিম। matching grant নেদিলে তাৰে central fund টো draw কৰিব নোৱাৰো। মাননীয় অধ্যক্ষ মহোদয়, যেতিয়া আমি central fund টো draw কৰিব নোৱাৰো, তেতিয়া আমি contingency fund ৰ পৰা draw কৰি লওঁ, যাতে আমি ভাৰত চৰকাৰক দেখুৱাব পাৰো যে আমাৰ centrally sponsered scheme ত ইমান পইচা আছে, আপোনালোকক ইমান matching grant দিব পাৰো। গতিকে এইটো just to show। গতিকে DC ৰ contingency fund ৰ লগত ইয়াৰ কোনো সম্পৰ্ক নাই। এইটো unforseen expenditure as a whole for the state. সেইকাৰণে মাননীয় অধ্যক্ষ মহোদয়, financial memorandum ত এইটো কথা আছে the propose Bill will raise the purpose of contingency fund from one hundred crore rupees to two hundred crores rupees. The fund will be administered by the Finance Department. বিলখনৰ শেষত যিটো financial memorandum থাকে, তাতে এই কথাটো লিখা থাকে।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে, withdraw হৈছে নিশ্চয়। এতিয়া মই কব বিচাৰিছো যে দফা নং ২ বিধেয়কখনৰ অংশ হ'ব। যিসকল সন্মানীয় সদস্যই ইয়াৰ সপক্ষে আছে কওঁক, হয়। যিসকল সন্মানীয় সদস্যই ইয়াৰ বিপক্ষে আছে কওঁক, নহয়। মই ভাৱো 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে ২ নং দফাটো বিধেয়কখনৰ অংশ হৈছে। বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধীৰ প্ৰস্তাৱ নাই, এতিয়া মই বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ সদনত দাঙি ধৰিলো। প্ৰশ্নটো হ'ল -

বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব। যিসকল সন্মানীয় সদস্যই ইয়াৰ সপক্ষে আছে কওঁক, হয়। যিসকল সন্মানীয় সদস্যই ইয়াৰ বিপক্ষে আছে কওঁক, নহয়। মই ভাৱো 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হৈছে।

এতিয়া মই মাননীয় বিত্ত মন্ত্ৰীৰ হৈ মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, "The Assam Contingency Fund (Augmentation of Corpus) Bill, 2019" পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ প্ৰস্তাৱটো হৈছে "The Assam Contingency Fund (Augmentation of Corpus) Bill, 2019" be passed.

যিসকল সন্মানীয় সদস্যই ইয়াৰ সপক্ষে আছে কওঁক, হয়। যিসকল সন্মানীয় সদস্যই ইয়াৰ বিপক্ষে আছে কওঁক, নহয়। মই ভাৱো 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে প্ৰস্তাৱ পাৰিত হৈছে, বিধেয়কখনো পাৰিত হৈছে বুলি মই ঘোষণা কৰিলো। এতিয়া শেষৰখন বিল আছিল The Assam Excise (Amendment) Bill, 2019 মই প্ৰথমতে বিধেয়কখন সদনত বিবেচনা বাবে উত্থাপন কৰিবলৈ মাননীয় ৰাজ্যপাল মহোদয়ে ২০১৯ চনৰ ২৭ নৱেম্বৰ তাৰিখত এটা বাণী পঠিয়াছে। বাণীটো পঢ়ি দিছো Under the provision of Article 207, sub clause 3 of the Constitution of India I Prof. Jagdish Mukhi, Governor of Assam recommend that, "The Assam Excise (Amendment) Bill, 2019" be taken into consideration by Assam Legislative Assembly.

মই এতিয়া মাননীয় আবকাৰী মন্ত্ৰীক "The Assam Excise (Amendment) Bill, 2019" বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিবৰ বাবে অনুৰোধ কৰিলো।

**শ্ৰীপৰিমল শুক্লবৈদ্য (আবকাৰী বিভাগৰ মন্ত্ৰী)**ঃ মাননীয় অধ্যক্ষ মহোদয়, "The Assam Excise (Amendment) Bill, 2019" বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মই প্ৰস্তাৱটো সদনত দাঙি ধৰিব বিচাৰিছো প্ৰস্তাৱটো হৈছে "The Assam Excise (Amendment) Bill, 2019" be taken into consideration. যিসকল সন্মানীয় সদস্যই ইয়াৰ সপক্ষে আছে কওঁক, হয়। যিসকল সন্মানীয় সদস্যই ইয়াৰ বিপক্ষে আছে কওঁক, নহয়। মই ভাৱো 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে প্ৰস্তাৱ গৃহিত হৈছে।

এতিয়া বিধেয়কখনৰ ২ নং দফাত মাননীয় সদস্য শ্ৰীহাফিজ বছিৰ আহমেদ আৰু সহযোগি

সকলৰ এটা সংশোধনী প্ৰস্তাৱ আছে। মই তেখেতৰ সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰি, তেখেতক বক্তব্য দিবলৈ অনুৰোধ কৰিলো।

**শ্ৰীআমিনুল ইছলাম (ধিং)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো গুৰুত্বপূৰ্ণ - ইয়াতে After sub-clause (v) of clause 2 of the proposed Bill a new sub-clause shall be added as follows -

"(vi) Any tobacco product"

ইয়াত যিখিনি বস্তু নিষিদ্ধ কৰিবলৈ কোৱা হৈছে যেনে spirit, fermented liquor or any alcoholic liquor, intoxicating drugs and other appliances of distallation ইয়াৰ ওপৰিও আমি sub -clause (vi) Any tobacco product যোগ কৰিব খুজিছো। এই কথালৈ বহুত দাবী আহি আছে। কেইবাৰো আলোচনা হৈছে। আৰু এইটো অসমবাসীক বাৰে বাৰে কোৱা হৈছে যে ধপাত জাতীয় বস্তু বন্ধ কৰা হ'ব। আমি দেখিলো বিলখনত যদিও অন্যান্য intoxicating drugs নিষিদ্ধ কৰিছে, ধপাত include কৰা নাই, আমি include কৰিব বিচাৰিছো। এইটো Sub -clause সোমাব লাগে, ধন্যবাদ।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, ইয়াতে কোৱা হৈছে যে আমাৰ এটা শব্দ লিখিব লাগে any tobacco product. চাৰ, আমি ইয়াতে ২নং ত আনিছো গোটেই খিনি আমাৰ লগতে সম্পৰ্ক থকা spirit formatted liquor or any alcoholic liquor for human consumption, spirit or denatured spirits preparation or any intoxicating drugs or till or other applience for destinations for fermanted works and other materials for destination or any other article which the state government may from time-to-time declared to be an exciseable article for the purpose of this Act. আমি আগতে কৈ দিছো any other article. Any other article মানে যিটো আমাৰ এই নিচা জাতীয়ত থাকে সেইটো আমি time-to-time কৰিব পাৰো। আৰু কথাটো হ'ল আজি দিনত চাবলৈ হ'লে আমাৰ বিভাগৰ কথা আছে, কৰ্মচাৰীৰ কথা আছে, বিভাগৰ শক্তিৰ কথা আছে, এই গোটেই খিনি মিলি Tobacco আজিৰ দিনলৈকে হয়তো আমি নোৱাৰিম । কিন্তু আপোনাক আমি আস্বস্থ কৰিম যিহেতু আমাৰ ইয়াৰ Provision আছে যে any other article। আমি যেতিয়া বিভাগত নিযুক্তি দি আমি বিভাগটো শক্তিশালী কৰিব পাৰো তেতিয়া আমি এই সন্দৰ্ভত আপোনালোকৰ লগত আলোচনাৰ কৰি আমি এটা ৰুল নিঃসন্দেহে কৰিম ।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে । আপোনালোকৰ লগত আলোচনা কৰিব বুলি কৈছে । Withdraw কৰিব পাৰিনে ?

**শ্ৰী আমিনুল ইছলাম, বিধায়কঃ**- চাৰ, অসমবাসীৰ এইটো এটা দাবী আছিলে যে চৰকাৰে কোন দিনা কৰিব আৰু অসম খন ড্ৰাই ষ্টেট কৰিব বিচাৰিছো এটা এটাকৈ ষ্টেপ লৈ । বিহাৰৰ নিচিনা যদি সেইটো কৰিব পাৰো । any other article time-to-time চৰকাৰে নিষিদ্ধ কৰিব বুলি কৈছে কিন্তু এইটো এতিয়াও সংবাদ মাধ্যমত প্ৰকাশ হৈ আছে ।

**মাননীয় অধ্যক্ষ** ঃ He has assured you. আপুনি যিটো suggestion দিছে সেইটো বিবেচনা কৰিব । I think on the basis of the assurance you can withdraw.

**শ্ৰী হাফিজ ৰছিৰ আহমেদ, বিধায়ক** ঃ আমি যিটো সংশোধনী বিচাৰিছো সেইতো প্ৰত্যাহাৰ

নকৰো। আমাৰ দাবীটো থাকিলে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে । এতিয়া যিহেতু সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা নাই মই এতিয়া সংশোধনীটো ভোটলৈ দিব বিচাৰিছো। After the sub-clause (5) of clause (2) of the proposed Bill, a new sub-clasue shall be added as follows.

6) Any tobacco product.

যি সকল মাননীয় সদস্য/সদস্যা সংশোধনীটোৰ সপক্ষে আছে কওঁক হয়, যি সকল মাননীয় সদস্য/ সদস্যা সংশোধনীটোৰ বিপক্ষে আছে কওঁক নহয় ।

মই ভাবো নহয় সাপেক্ষে, নহয় সাপেক্ষে, নহয় সাপেক্ষে সংশোধনী প্ৰস্তাৱ নাকচ হৈছে।

দফা নং-২ বিধেয়কৰ অংশ হ'ব । তাৰ কাৰণে মই আপোনালোকৰ ভোট ল'ম ।

যি সকল মাননীয় সদস্য/সদস্যা সংশোধনীটোৰ সপক্ষে আছে কওঁক হয়, যি সকল মাননীয় সদস্য/ সদস্যা সংশোধনীটোৰ বিপক্ষে আছে কওঁক নহয় ।

মই ভাবো হয় সাপেক্ষে, হয় সাপেক্ষে, হয় সাপেক্ষে ২ নং দফাটো বিধেয়কৰ অংশ হৈছে।

এতিয়া ১ টা আৰু সংশোধনী আছে। বিধেয়কৰ ১ নং দফাত মাননীয় সদস্য দেৱব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগী সকলৰ এটা সংশোধন আছে। তেখেত সকলে যি সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰি মই তেখেতক ক'বলৈ অনুৰোধ কৰিলো ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, বিধায়ক ঃ** Hon'ble Speaker Sir, I beg to move that in section-1, sub-section-3 after the word 'force' the word set once shall be added and the word 'on such that' as the State government may be notification in the official Gazette appoint shall be deleted. চাৰ, আমি এই কথাটো এই কাৰণে কৈছো যে immediate effect হ'ব লাগে। কাৰণ কিছু দিন আগতে আমি উজনি অসমৰ চাহ বাগানত লালি গুৰৰ কাৰণে কিমান মানুহ মৃত্যু মুখত কৰিছিল আৰু আপোনাৰ নেতৃত্বতে অসম বিধান সভাৰ এটা প্ৰতিনিধি দল তালৈ গৈছিল। গতিকে এনেকুৱা এটা বিষয় বস্তু আগতে ঘটি গৈছে । সেয়েহে, কেৱল এইটো immediate effect হোৱাৰ কাৰণে এই সংশোধনী প্ৰস্তাৱটো আনিছো । গতিকে এইটো বিবেচনা কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, ইয়াত কোৱা হৈছে যে, in sub-section (3) of clause (1) of the proposed Bill, after the word force appearing in fast time in the fast line. The word at once shall be inserted and the remaining words shall be deleted. কথাটো হৈছে চাৰ, আমি আনিছো আপোনালোকে জানে বিল খন অনাৰ পিছতে আমি যদি official Gazette ত প্ৰকাশ নকৰো তেনেহ'লে এইটো নহয় । আপোনালোকে এইটোৰে সন্দেহ কৰিছে যে official Gazette ত আনিবলৈ দেৰি হ'ব । কিন্তু আমি এই কথাটো আশ্বাস দিব পাৰো যে আমি যিমান সোনকালে যে official Gazette লৈ আনিম । আৰু আপুনি যে এই delete ৰ কথাটো কৈছে, সেই delete ৰ কথাটো আমি ইয়াত delete কৰিব নোৱাৰো কাৰণ যদিহে official Gazette ত নাহে তেনেহ'লে এইটো আইনত পৰিণত নহ'ব । সেই কাৰণে আপোনালোকক উঠাই ল'বলৈ অনুৰোধ কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** Official Gazette ত ওলাব লাগিব ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, বিধায়ক ঃ** মন্ত্ৰী ডাঙৰীয়াই কৈছে এইটো কৰিব লাগিব। যদিহে

কৰাৰ ইচ্ছা আছে at once দিব নালাগে।

**মাননীয় অধ্যক্ষ ঃ** at once দিয়াৰ শব্দ হ'ব নোৱাৰে । এই কাৰণে Gazette notification যিদিনা হ'ব, সেই দিনাৰ পৰাহে হ'বআৰু এইটো official কথা। আমাৰ All Party যিটো প্ৰতিবেদন আছিল তাৰ ওপৰত ভিত্তি কৰি তেখেতে অনা সংশোধনী।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, বিধায়ক ঃ** যদি মন্ত্ৰী ডাঙৰীয়াই সদনত কথা দিয়ে যে এইটো সোনকালে কৰিম তেনেহ'লে আমি এইটো উঠাই ল'ম।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰীঃ** মই আগতে কৈছো যে, আমি যিমান সোনকালে পাৰো সিমান সোনকালে এইটো কৰিম।

**মাননীয় অধ্যক্ষ ঃ** মই এইটোৰ ওপৰত চকু ৰাখিম। সোনকালে কৰিবৰ কাৰণে মন্ত্ৰী মহোদয়ে report বিচাৰিছে। চুলাই মদটোৰ কথা আমি পিছত পাতিম। এতিয়া মই ভাবো প্ৰত্যাহাৰ কৰা হৈছে। সেই কাৰণে এতিয়া মই প্ৰস্তাৱ দিব বিচাৰিছো। বিধেয়ক খন ১ নং দফা, সংক্ষিপ্ত নাম, পৰিষৰ আৰু আৰম্ভণ বিধেয়ক খনৰ অংশ হ'ব । যি সকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে কওঁক হয়, যি সকল মাননীয় সদস্য/সদস্যা বিপক্ষে আছে কওঁক নহয় ।

মই ভাবো হয় সপেক্ষে, হয় সপেক্ষে, হয় সপেক্ষে বিধেয়ক খনৰ, সংক্ষিপ্ত নাম, পৰিষৰ আৰু আৰম্ভণ বিধেয়ক খনৰ অংশ হ'ল। এতিয়া মই মন্ত্ৰী ডাঙৰীয়াক বিধেয়ক খন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো ।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, The Assam Excise (Amendment) Bill, 2019 পাৰিত কৰাৰ কাৰণে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো । The Assam Excise (Amendment) Bill, 2019 be passed those who are in favour say, ayes, those who have against say no, I think, Ayes have it, Ayes have it, Ayes have it প্ৰস্তাৱ পাৰিত হৈছে আৰু বিধেয়ক খনো পাৰিত হোৱা বুলি মই ঘোষণা কৰিলো । এতিয়া অসম বিধান সভাৰ প্ৰাক্কলন সমিতিৰ সভাপতি শ্ৰী বৃন্দাবন গোস্বামী ডাঙৰীয়াই অসম বিধান সভাৰ প্ৰাক্কলন সমিতিৰ ৮৪ তম প্ৰতিবেদন খন দাখিল কৰিব ।

**শ্ৰী বৃন্দাবন গোস্বামী, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ প্ৰাক্কলন সমিতিৰ ৮৪ তম প্ৰতিবেদন খন পবিত্ৰ সদনত দাখিল কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই মাননীয় সদস্যা শ্ৰী অজন্তা নেওঁগ ডাঙৰীয়ানীয়ে অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৫০ নং দফাৰ অধীনত ৰাজ্য খনত অত্যাৱশ্যকীয় সামগ্ৰীৰ আকাশলংঘী মূল্য বৃদ্ধি শীৰ্ষক বিষয়টো খাদ্য আৰু অসামৰিক বিভাগৰ মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিব।

**শ্ৰীমতী অজন্তা নেওঁগ, বিধায়িকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৫০ নং নিয়মৰ অধীনত ৰাজ্য খনত অত্যাৱশ্যকীয় সামগ্ৰীৰ আকাশলংঘী মূল্য বৃদ্ধি সম্পৰ্কীয় ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয় এটা আলোচনাৰ বাবে সদনত উত্থাপন কৰিছো । অধ্যক্ষ মহোদয়, এই বিষয় বস্তুটো বৰ্তমান সময়ত এটা অতি গুৰুত্বপূৰ্ণ বিষয় এই কাৰণেই যে এই ৰাজ্য খনৰ প্ৰায় ৬৫ লাখ পৰিয়ালক চুই গৈছে । বৰ্তমান সময়ত আমাৰ ৰাজ্যত আকাশলম্ভী মূল্যবৃদ্ধি হৈছে। এই মূল্যবৃদ্ধিয়ে সকলো স্তৰৰ মানুহক চুই গৈছে, বিশেষ ভাৱে দৰিদ্ৰ আৰু মধ্যবিত্ত মানুহক আক্ৰান্ত কৰিছে, তেখেত সকল জুৰুলা হৈছে আৰু এই লোক সকলৰ জীৱন যাত্ৰা বিপদগ্ৰস্থ

হৈছে আৰু অসমৰ সৰ্বস্তৰৰ মানুহ অৰ্থনৈতিক ভাৱে কোঙা হৈ পৰিছে। যোৱা কিছু সময়ৰ পৰা আমাৰ ৰাজ্য খনত আমি সকলোৱে প্ৰত্যক্ষ কৰিছো যে যিবিলাক অত্যাৱস্বকীয় সা-সামগ্ৰী আছে আমাৰ খাদ্য-সামগ্ৰী, শাক-পাঁচলি, নিৰ্মাণ কাৰ্য্যত জড়িত হোৱা সকলো আচবাব, ৰাজ্যখনৰ সকলো বস্তুৰে আজি হুৰা হুৰে দাম বৃদ্ধি পাইছে। দুগুণ তিনিগুণ বৃদ্ধি পাইছে। মই এটা সৰু উদাহৰণ দিব বিচাৰিছো যে দাইল, যাক আমি দুখীয়া লোকৰ প্ৰটিন বুলি কওঁ। আমাৰ যিসকল দৰিদ্ৰ লোক আছে, তেখেত সকলে সদায় মাছ-মাংসৰে এখাজ ভাত খাব নোৱাৰে, তেখেত সকলে দাইল ভাত খাই পেত প্ৰবৰ্তায়। আজি আপোনালোকে দেখি আচৰিত হ'ব যে এই দাইলৰ দাম আমাৰ ৰাজ্যখনত কেনেদৰে আকাশলম্ভি হৈছে। মচুৰ দাইল ৬০.০০ টকা, মুগু দাইল ৮৫.০০ টকাৰ পৰা ৯০.০০ টকা, মাটি মাহ ৭০.০০ টকা, পিয়াজ যিটো নহলে আমাৰ বিশেষকৈ গৃহিনী সকলৰ পাকঘৰ নচলে। সেই পিয়াজ আজি চেঞ্চুৰী কোবাইছে। তাৰোপৰি কেৰাচিনৰ দাম ৪৩.০০ টকাৰ পৰা ৪৫.০০ টকা হৈছে। উপাধ্যক্ষ মহোদয়, এই বস্তুবিলাক যেতিয়া আমি পাইকাৰী দৰত ক্ৰয় কৰা হয়, কেতিয়াবা ইয়াৰ পাইকাৰী হাৰত ৩.০০ টকা, ৪.০০ টকা বৃদ্ধি হৈ যায়। তাৰোপৰি আৰু যেতিয়া খুচুৰা দাম হয় তেতিয়া আৰু ৩.০০ টকা, ৪.০০ টকা, ৫.০০ টকা বৃদ্ধি হৈ যায়। এইটোতো খুচুৰা বজাৰ, এই বজাৰ খন সম্পূৰ্ণ অনিয়ন্ত্ৰিত। ইয়াত কোনো ধৰণৰ কন্ট্ৰোল নাই, ব্যৱসায়ী সকলৰ ওপৰত কোনো কন্ট্ৰোল নাই, এটা অনিয়ন্ত্ৰীত পদ্ধতিৰে এই খুচুৰা ব্যৱসায় বোৰ চলি আছে। যাৰ ফলস্ৰুতিত আমি দেখিবলৈ পাইছো যে আমাৰ ৰাজ্য খনতে কোনোবা এখন জিলাত যদি পাচলিৰ দাম কেজিত ৪০.০০ টকা হৈছে সেই একেটা পাচলিৰে আজি অইন এখন জিলাত দুগুণ বৃদ্ধি পাইছে। এনেকুৱা ধৰণৰ অসমাযঞ্জ এটা মূল্য বৃদ্ধি হৈ আছে। ইয়াৰ কাৰণটোৱে হৈছে অনিয়ন্ত্ৰিত বজাৰ। আমি বজাৰ খনক কন্ট্ৰোল কৰিব পৰা নাই আৰু সেই কাৰণে এনেধৰণৰ মূল্যবৃদ্ধিবোৰ হৈ আছে। আজি আমাৰ ৰাজ্যখনলৈ যিমান খাদ্য সামগ্ৰী আহে তাৰ সৰহভাগে বহিৰাজ্যৰ পৰা আহে। আজি বহিৰাজ্যৰ পৰা ট্ৰাকেৰে এই খাদ্য সামগ্ৰীবোৰ আমাৰ ৰাজ্যলৈ সৰবৰাহ হয় আৰু শ্ৰীৰামপুৰ গেটেৰে আমাৰ ৰাজ্য খনৰ ভিতৰলৈ আহি আমাৰ জিলা বিলাকলৈ পৰিবাহিত হয়। এতিয়া কথা হৈছে এই যিবিলাক খাদ্য সামগ্ৰী আছে আমাৰ শাক-পাচলি, কনি, মাছ, মাংস সকলোবোৰ অৰ্থাৎ যিমানবোৰ খাদ্য সামগ্ৰী আছে ইয়াৰ ওপৰত আকৌ শ্ৰীৰাম পুৰৰ গেটৰ পৰা চিণ্ডিকেট হয়। আমাৰ এইখন বিধান সভাত মন্ত্ৰী ডাঙৰীয়াই কৈছে অসমত একো চিণ্ডিকেট নাই। কিন্তু মই দৃঢ়ভাৱে ক'ব পাৰো যে এই বস্তুবিলাকৰ ভিতৰত আমাৰ ৰাজ্যখনত চিণ্ডিকেট চলি আছে। সেই চিণ্ডিকেটৰ বিষয়ে কিমান কম আৰু তথাপিও মই পুনৰবাৰ কৈছো যে যিমান খাদ্য সামগ্ৰী সৰবৰাহ হয় ট্ৰাকেৰে বহি ৰাজ্যৰ পৰা আহি ৰাজ্যৰ ভিতৰলৈ, সেই সামগ্ৰীবিলাকৰ ওপৰত চিণ্ডিকেট হয়। সেই চিণ্ডিকেটৰ ওপৰত চৰকাৰৰ কোনো ধৰণৰ নিয়ন্ত্ৰণ নাই। সেই কাৰণে গোটেই যিটো ব্যৱস্থা আজি মূল্য বৃদ্ধি যে হৈছে ইয়াৰ ওপৰত এই গোটেই কামবিলাক আজি নিয়ন্ত্ৰণহীন বজাৰ, নিয়ন্ত্ৰণহীন খুচুৰা ব্যৱসায়ী সকল, আজি নিয়ন্ত্ৰণহীন চিণ্ডিকেট এই গোটেই বিলাকৰ ক্ৰীয়া আচলতে এই মূল্য বৃদ্ধিত পৰিছে। সেই কাৰণে পুনৰবাৰ মই কৈছো যে এই গোটেই যিটো ইয়াৰ ওপৰত কাৰক হিচাপে প্ৰভাৱিত হৈছে এই কামবিলাক চৰকাৰে নাইকীয়া কৰা উচিত আৰু দৃষ্টি দিয়া উচিত। আজি আমাৰ দেশ খনত ভয়াবহ অৰ্থনৈতিক সংকতৰ দিশে আগবাঢ়ি গৈছো। আমি সকলোৱে জানো, বাতৰি কাকতত ওলাইছে, আমি ইলেক্ট্ৰনিক মেডিয়াত দেখিছো যে অৰ্থনৈতিক মণ্ডাৰস্থা, এক ভয়াবহ অৰ্থনৈতিক মণ্ডাৰস্থাৰ ফালে আমি দেশখন অগ্ৰসৰ হৈছো। ইয়াৰ কাৰণটো আচলতে আমি সাধৰণভাৱে বিশ্লেষণ কৰিব নোৱাৰো। ইয়াৰ অন্তৰালত বহু কাৰকে ক্ৰীয়া কৰিছে। হয়তো মন্ত্ৰী ডাঙৰীয়াই ক'ব যে আন্তঃৰাষ্ট্ৰীয় কাৰক কিছুমান আছে। কিন্তু

আজি আমাৰ দেশৰ যিবিলাক আগশাৰীৰৰ অৰ্থনৈতিকবিদ, নবেল বটা পোৱা অৰ্থনৈতিকবিদ সকলে কৈছে যে ভাৰতবৰ্ষত আজি যিটো অৰ্থনৈতিক মণ্ডাৰস্থাৰ সৃষ্টি হৈছে ইয়াৰ গুৰিতে আছে জি এচ টি আৰু বিমূদ্ৰাকৰণ। তেখেত সকলে সেই কাৰণে জি এচ টি আৰু বিমূদ্ৰাকৰণ প্ৰৱৰ্তনৰ আগত চৰকাৰক বহুবাৰ সকিয়াই দিছিল যে ইয়াৰ ফল কিন্তু সুদূৰ প্ৰসাৰী হ'ব। কিন্তু চৰকাৰে সেই সকিয়ানী বিলাক অৱজ্ঞা কৰিলে। তেওঁলোকে ভাবিলে। উপাধ্যক্ষ মহোদয়, মোক কবলৈ দিয়ক।

**শ্ৰীচক্ৰধৰ গগৈ ঃ** আগৰ চৰকাৰ যেতিয়া আছিল।

**শ্ৰীমতী নন্দিতা দাস ঃ** আপুনি শুনি থাকক। তেখেতে এটা এজেণ্ডাৰ ওপৰত কৈ আছে।

**মাননীয় উপাধ্যক্ষ ঃ** নন্দিতা ডাঙৰীয়ানী আপুনি বহক।

**শ্ৰীমতী অজন্তা নেওগ (গোলাঘাট) ঃ** উপাধ্যক্ষ মহোদয়, মোক কবলৈ দিয়ক। গতিকে এইখিনি কথা মই এই কাৰণে কৈছো যে আজি বিমূদ্ৰাকৰণ আৰু জি এচ টি এইখিনি কথা মই কোৱা কথা নহয় উপাধ্যক্ষ মহোদয়, এইখিনি কথা সেই অৰ্থনৈতিকবিদ সকলে কৈছে যে ইয়াৰ ফল ভয়াবহ হ'ব। তাৰ ফলস্ৰুতিতে আজি দেশখনত দেখিছে যে ভয়াবহ অৰ্থনৈতিক মণ্ডাৰস্থালৈ আমি আগবাঢ়ি গৈছো। আজি আমাৰ মানুহৰ জেপত পইচা নাইকীয়া হৈছে। কাৰণ আমাৰ আয় নাই। আমাৰ আয় কমি গৈছে। দ্বিতীয়তে, আজি গাঁও, চহৰত আজি নিবনুৱা সমস্যা বৃদ্ধি পাইছে। এটা সময়ত ২ কোটি নিবনুৱাক চৰকাৰে চাকৰি দিয়াৰ কথা আছিল। কিন্তু আজি ২ কোটি নিবনুৱাক চৰকাৰী চাকৰি দিয়াটো দূৰৰে কথা আজি এনেকুৱা হৈছে যে যোৱা ৪৫ বছৰত নিবনুৱাই সমস্যাই সকলো ধৰণৰ অভিলেস ভংগ কৰিছে। আজি মানুহৰ ক্ৰয় ক্ষমতা কমিছে আৰু সেই কাৰণে কি হৈছে ইয়াৰ প্ৰভাৱ উদ্যোগ খণ্ডত পৰিছে। উদ্যোগ খণ্ডত বিভিন্ন ধৰণৰ বস্তুৰ কাৰণে তাত টকা invest কৰিব নোৱাৰাৰ কাৰণেও আজি উদ্যোগ খণ্ডটো অৰ্থনৈতিক মণ্ডাৰস্থাই দেখা দিছে। আজি বস্ত্ৰ উদ্যোগকে কওঁক বা নিৰ্মাণ খণ্ডকে কওঁক আজি কল-কাৰখানা, গাড়ী নিৰ্মাণ কৰা খণ্ডতে কওঁক আজি তথ্যপাতিয়ে কৈছে যে ভয়াবহ  মণ্ডাৰস্থাই এই উদ্যোগ বিলাকক গ্ৰাস কৰিছে। তাৰ ফলস্ৰুতিত সেই উদ্যোগ খণ্ডত লাখ লাখ মানুহ নিবনুৱা হৈছে। আজি স্বাস্থ্য শিক্ষা এইবিলাকত অত্যাধিক মূল্যবৃদ্ধি হৈছে আৰু তাৰ ফলস্ৰুতিত আজি সৰ্বসাধৰণ মানুহ ভূক্তভোগী হ'ব লগীয়া হৈছে। আমি কিছুদিন আগত বাতৰি কাকতত আমি পঢ়িলো যে ৰিজাৰ্ভ বেঙ্কে সোণ বিক্ৰী কৰাৰ নিচিনা ঘটনাও ঘটিছে। প্ৰায় ৮০০০ কোটিতকৈ বেছি টকা কেন্দ্ৰীয় চৰকাৰক তেওঁলোকে জমা দিছে। এনেকুৱা ধৰণৰ দূৰ্ভাগ্যজনক পৰিৱেশ কিন্তু আমাৰ ৰাজ্য খনলৈ আহিছে। ইয়াৰ পৰা আমাৰ ৰাজ্যখন বা দেশখন কেনেধৰণে উদ্ধাৰ হ'ব পাৰো সেইটোৱে বৰ্তমান সময়ত ডাঙৰ প্ৰশ্ন। আজি আমাৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী ড° মনমোহন সিং ডাঙৰীয়াই সেইকাৰণে চৰকাৰক কৈছিল যে সোনকালে যদি এটা সুনিৰ্দিষ্ট এটা নীতি যদি গ্ৰহণ নকৰে অৰ্থনৈতিক ক্ষেত্ৰত  ৰাজ্যখন অধিক বা দেশখন অধিক ভয়াবহ দিশে গতি কৰিব। কাৰণ অৰ্থনৈতিক মণ্ডাৰস্থা ইয়াৰ ফল আমাৰ ৰাজ্যখনেও ভোগ কৰিব লগীয়া হৈছে। কাৰণ জি এচ টি আৰু বিমূদ্ৰাকৰণৰ ফল আমাৰ অসম ৰাজ্যও ভোগ কৰিছো। আজি আপোনালোকে দেখিছে যে ডাঙৰ ডাঙৰ উদ্যোগপতি বিলাক তেওঁলোকে হয়তো বেনিফিত লাভ কৰিব পাৰে কিন্তু সৰু সৰু ক্ষুদ্ৰ আৰু মজলীয়া যিবিলাক উদ্যোগ আছে, যিবিলাক ব্যৱসায় আছে তেওঁলোকে কিন্তু পেটত গাঠি মাৰিব লগীয়া এটা অৱস্থা হৈছে। সেই কাৰণে কৈছো যে আজি চৰকাৰে কি কৰিছে চৰকাৰে যিবিলাক ডাঙৰ ডাঙৰ লাভজনক উদ্যোগ সেই উদ্যোগ বিলাক আজি বিক্ৰী কৰিবলৈ গৈছে। আমাৰ অইল ৰিফাইনেৰি বিলাক বিক্ৰীকৰণ হৈছে, ৰাজহুৱা সম্পদ বিলাক আজি বিক্ৰী হৈছে। তাৰ  ফলস্ৰুতিত এই যিটো অৰ্থনৈতিক মণ্ডাৰস্থা অধিক ভয়াৰহ দিশলৈ  আগবাঢ়ি গৈছে। আমি যদি এতিয়াই এইবিলাক

ভেতিব নোৱাৰো তেতিয়াহলে আমি কলৈ যাম আমি কোনোৱে ক'ব নোৱাৰো। উপাধ্যক্ষ মহোদয় আৰু এটা কথা যে কিছুদিন আগত আমি দেখিলো যে আমাৰ ভাৰতৰ বিকাশৰ হাৰ ৪.০৫। ইয়াৰ ওপৰত আমাৰ বিশ্বৰ আগশাৰীৰ যিবিলাক অৰ্থনৈতিক সংস্থা বিলাক আছে, World Bank, International Monetary Fund, Asian Development Bank তেওঁলোকেও শংকা প্ৰকাশ কৰিছে। তেওঁলোকে কৈছে যে এনেধৰণে বিকাশৰ হাৰ যিটো হ্ৰাস হৈছে এইটো এটা অতি ভয়াবহ কথা। যেতিয়া আমাৰ মূল্য বৃদ্ধি হয়, যেতিয়া উৎপাদন বৃদ্ধি হয় তেতিয়া আমি ভাবো সাধাৰনতে কাৰন চাহিদা বেছি হ'ব। কিন্তু এতিয়া হৈছে যে আমাৰ চাহিদা নাই কিন্তু আমাৰ উৎপাদন আছে। সেই কাৰনে মুল্য বৃদ্ধিটো কমি যোৱা নাই। তাৰ বহু ধৰনৰ কাৰক আছে । পেট্ৰল, ডিজেলৰ যিটো আন্তৰাষ্ট্ৰীয় মুল্য আছে তাৰ দ্বাৰা তেলৰ মুল্য নিৰ্দ্ধাৰিন কৰা হয়। যেতিয়া অইলৰ মুল্য বৃদ্ধি হয় তেতিয়া আমাৰ অটোমেটিকেলী আমাৰ খাদ্য সামগ্ৰী বা অন্যান্য সামগ্ৰীৰ মুল্য বৃদ্ধি হয়। এতিয়া মন্ত্ৰী মহোদয়ে হয়তো লিষ্ট এখন দেখুৱাব। Annual CPI and WPI inflation আপোনাৰ হাতত কাগজ থাকিব। আপুনি ১০ বছৰ ১৫ বছৰ তথ্য দেখুৱাব। কিন্তু উপাধ্যক্ষ মহোদয়, আজি মন্ত্ৰী ডাঙৰীয়া উপস্থিত আছে। তেখেতক মই ব্যাক্তিগত ভাবে শ্ৰদ্ধা কৰো, তেখেতক বিধায়ক হিচাপে মই ১৫ বছৰ পাইছো । তেতিয়া কিন্তু এইবিলাক কথা তেখেতে বিধায়ক হিচাপে উত্থাপন কৰিছিল । সেই কাৰনে আজি তেখেতক কৈছো , তেখেতে আজি মোক এটা ব্যতিক্ৰমী উত্তৰ দিব লাগিব। তেখেতৰ উত্তৰ এনেধৰনৰ মই বিচৰা নাই যে, কংগ্ৰেছৰ দিনত Petrol Price ইমান, আজি বি জেপিৰ দিনত Petrol Price ইমান । কংগ্ৰেছৰ দিনত পিয়াঁজৰ দাম ৮০ টকা , এতিয়া ৭০ টকা । এইটো ৰিপ্লাই কিন্তু বিচৰা নাই। এটা ব্যাতিক্ৰমী উত্তৰ বিচাৰিছো উপাধ্যক্ষ মহোদয়। আমাৰ বিৰোধী দলৰ বিধায়ক হিচাপে মোৰ এটা দায়িত্ব আছে। সেই দায়িত্ব মই পালন কৰিছো। চৰকাৰক মই আঙুলিয়াই দিছো মুল্যবৃদ্ধি হৈছে, সৰ্ব্ব সাধাৰণ ৰাইজে ইয়াক উপলব্ধি কৰিছে। চৰকাৰখনেও ইয়াৰ ওপৰত বিশ্লেষণ কৰিব লাগিব গতিকে এটা কথা ক'ব বিচাৰিছো যে, আমাৰ দেশ খনত যি অৰ্থনৈতিক মন্দাৱস্থা যোৱা ১৪ অক্টোবৰ 'হিন্দু কাকতত' ভাৰতৰ মাননীয়া বিত্ত মন্ত্ৰী ডাঙৰীয়ানীৰ নিৰ্মলা সীতাৰমণৰ স্বামী বিশিষ্ট অৰ্থনৈতিক বিশ্লেষক পৰাকলা প্ৰভাকৰে লিখিছিল There is anxiety all over about the economic slow down of the Country but Government is deniel mode of Economic slow down. BJP Govt. should adopt the rousing Economic model instead of criticising Nehruan Socialism এইখিনি কথা উপাধ্যক্ষ মহোদয় আমি কোৱা নাই। স্বয়ং বিত্ত মন্ত্ৰী ডাঙৰীয়ানীৰ স্বামীয়ে কৈছে। আজি দেশখনত এটা পৰিস্থিতি হৈছে চৰকাৰে সেইটো উপলব্ধি কৰা উচিত। যদি ডিনাই কৰিলে তেওলোকে যদি ভাবে এই পৰিস্থিতি নাইকীয়া হ'ব এইটো কিন্তু ভুল কথা। চৰকাৰখনে কৈছে যে "অচ্ছে দিন আয়েগা " ভাল দিন আহিব। পৰিৱৰ্ত্তনৰ কথা কৈছিল। কিন্তু আজিলৈকে ভাল দিন নাহিল আৰু পৰিৱৰ্ত্তনো নহ'ল। আজি মানুহৰ ঘৰলৈ পৰিৱৰ্ত্তন অহা নাই। মানুহৰ জীৱন যাত্ৰা পৰিবৰ্ত্তন হোৱা নাই। নিবনুৱা যুৱক-যুৱতীৰ মুখত হাঁহি অহা নাই।, কৃষক- শ্ৰমিকৰ জীৱন যাত্ৰাৰ কিন্তু পৰিৱৰ্ত্তন হোৱা নাই। সেই কাৰণে কৈছো আমি সকিয়াই দিছো। আপোনালোকে দেৱাল লিখন পঢ়িবলৈ চেষ্টা কৰক। সেই কাৰণে কৈছো অধ্যক্ষ মহোদয় আজি গোটেই ৰাজ্যখনত দেখিছো যে এটা অনিয়ন্ত্ৰিত ব্যৱস্থা চলি আছে। কোনো ফালে এই চিষ্টেমবোৰ নিয়ন্ত্ৰণ নাই। যিবিলাক অসাধু ব্যৱসায়ী আছে ব্লেক মাৰ্কেটিয়াৰ্ছ আছে সেইসকলে কিন্তু এই নিয়ন্ত্ৰণ নোহোৱা পৰিস্থিতিৰ সুযোগ লৈ হোৱাহোৱে মূল্যবৃদ্ধি কৰি আছে। এটা উদাহৰণ

ল'ব পাৰো- এটা চিংৰা এটা কেইদিনমান আগলৈ ৫ টকা আছিল সেইটো আজি ৭ টকা হৈছে। তাত কোনো কাৰণ নাই। অৰ্থ্যাৎ মূল্যবৃদ্ধি হ'ব লাগে হৈ যায়। মই নকওঁ যে কেৱল মন্ত্ৰীৰ দায়িত্ব আছে, ইয়াত আৰক্ষীৰো সহায় লাগিব। এইটো এটা ডাঙৰ Syndicate , এইটো নাইকীয়া কৰিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম তেখেতে এই ক্ষেত্ৰত কঠোৰ পদক্ষেপ গ্ৰহণ কৰক। বিধান সভাত আগতে তেখেতে যেনেকৈ কৈছিলে তেনেকৈ কৰক, তেখেত আজি মন্ত্ৰী, তেখেতৰ হাতত ক্ষমতা আছে। ক্ষমতাৰ সদব্যৱহাৰ কৰক। মুল্যবৃদ্ধি আৰু ব্লেক মাৰ্কেটিয়াছৰ ওপৰত তেখেতে ব্যৱস্থা গ্ৰহণ কৰক। মই আশা কৰো ৰাজ্যখনৰ স্বাৰ্থত, অসমৰ ৬৫ লাখ পৰিয়ালৰ স্বাৰ্থত তেখেতে এটা ব্যাতিক্ৰমী উত্তৰ দিব। এইখিনি কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো অধ্যক্ষ মহোদয়।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া নুৰুল হুদা ।

**শ্ৰীনুৰুল হুদা (ৰূপহীহাট) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যখনৰ অত্যাবশ্যকীয় সামগ্ৰীৰ আকাশলংঘী মুল্যবৃদ্ধি সম্পৰ্কে মাননীয়া বিধায়িকা গৰাকীয়ে কৈ গৈছে। অত্যাৰশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিৰ বাবে জীৱন আৰু জীৱিকাৰ ওপৰত প্ৰভাৱ পৰিছে। কম আয়ৰ মানুহে জীৱন ধাৰণৰ বাবে প্ৰয়োজনীয় সামগ্ৰী কিনিব নোৱাৰা হৈছে। প্ৰয়োজনীয় খাদ্য সামগ্ৰীৰ পৰা বঞ্চিত হয়, যাৰ ফলত মানুহ মানসিকভাৱে বাধাগ্ৰস্থ হয়। গতিকে এই মুল্যবৃদ্ধিৰ বিষয়টো গুৰত্বসহকাৰে চাব লাগে আৰু নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰিব লাগে। আজি মুল্যবৃদ্ধি ইমান আকাশ লংঘী হৈছে যে আমি সদনত আনিব লগা হৈছে কিন্তু এই বিষয়টোৰ ওপৰত শুনিবলৈ শাসক পক্ষৰ ধৰ্য্য, আগ্ৰহ কম। মই অনুৰোধ কৰিছো যাতে এই খিনি কথা শাসক পক্ষই অলপ ধৈৰ্য্য সহকাৰে শুনে । ২০১৩ চনত খাৰুৱা তেলৰ আৰ্ন্তজাতিক বজাৰ মূল্য আছিল ১ বেৰেল তেলত ১৬৮ ডলাৰ ।তেতিয়া আমাৰ অসমত পেট্ৰলৰ দাম আচিল ৬৮ টকা। এতিয়া তেলৰ আন্তৰ্জাতিক মুল্য কমি ১৫৬ ডলাৰ হৈছে । এতিয়া এইটো হাৰত হিচাপ কৰিলে ২২-২৩ টকা প্ৰতি লিটাৰ তেলত কম হ'ব লাগে। কিন্তু হোৱা নাই। আচৰিতভাবে পেট্ৰলৰ মূল্য বৃদ্ধি হৈছে। আজিৰ জিনত ১ লটাৰ পেট্ৰলৰ মূল্য ৭৫.৪০ টকা হৈছে। ইয়াৰ আঁৰত কি ৰহস্য আছে? এই কথাবোৰ আমি আলোচনা কৰিব লাগিব। কাৰণ দ্ৰব্য মুল্যৰ বৃদ্ধিয়ে সকলো শ্ৰেণীৰ মানুহৰ ওপৰত প্ৰভাৱ পেলাইছে। কৃষক সকলে খৰাং বতৰত বড়ো ধানৰ খেতি কৰে। তাৰ বাবে প্ৰতি সপ্তাহত দুবাৰকৈ পানী দিব লগা হয়। চেলো টিউৱেলৰ যোগেদি পাৱাৰ পাম্পৰ দ্বাৰা পানী উঠোৱা হয়। তাৰ বাবে ডিজেলৰ দৰকাৰ হয়। তাৰ পিচত শস্য কটাৰ পিচত সেইখিনি গাড়ীৰ দ্বাৰা বজাৰলৈ লৈ যাব লগা হয়। এতিয়া পেট্ৰল- ডিজেলৰ মূল্য বৃদ্ধিৰ ফলত খেতিয়কসকলে অতিৰিক্ত মুল্য ভৰিবলগীয়া হৈছে। ইয়াৰ ফলত খেতিয়কসকলৰ মূৰত মাধমাৰ পৰিছে। তেওঁলোকে কপালৰ ঘাম মাটিত পেলাই খেতি কৰে। শাৰীৰিক পৰিশ্ৰম কৰি খাদ্য শস্য উৎপাদন কৰে। মূল্যবৃদ্ধিৰ ফলত তেখেতসকলে লোকচানৰ সন্মুখীন হ'বলগীয়া হৈছে। হাঁহাকাৰ অৱস্থাৰ সন্মুখীন হ'বলগীয়া হৈছে। গতিকে উপাধ্যক্ষ মহোদয় এই কথাখিনি গুৰুত্বসহকাৰে ল'বলৈ আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক ৰাইজ আৰু কৃষকৰ হকে অনুৰোধ জনালো । আজি অত্যাৰশ্যকীয় সামগ্ৰী যেনে আলু, পিয়াঁজৰ দাম অত্যন্ত বাঢ়ি গৈছে। এসময়ত পিয়াঁজৰ দাম বৃদ্ধি হোৱা কাৰণে শ্ৰী প্ৰশান্ত ফুকন ডাঙৰীয়া দেৰে পিয়াঁজৰ মালা পিন্ধিছিল। যি সকলে পিয়াঁজৰ দাম ১৬ টকা হওঁতে মালা পিন্ধি আন্দোলন কৰিছিলে সেইসকলৰ আজি চকু মুদা কুলিৰ ভাওঁ ধৰি সদনত বহি থাকে। তেওঁলোকে একো নকয়। কিন্তু আমি ৰাইজৰ স্বাৰ্থত কথা ক'ব লাগিব। এই অত্যাৰশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি হোৱাৰ কাৰণে দৰিদ্ৰ লোক সকল যথেষ্ট ক্ষতিগ্ৰস্ত হৈছে। ঠিক তেনেকৈ কংগ্ৰেছৰ দিনৰ ৯-১০ টকা আলুৰ দাম আজি ৩৫ টকা হৈছেগৈ। এইদৰে প্ৰত্যেকটো অত্যাৰশ্যকীয় সামগ্ৰীৰ দাম যথেষ্ট বৃদ্ধি

হৈছে। ............

................................ সদনত হুলস্থুল.............................................

এইবিলাক কথা আলোচনাৰ কাৰণে সুযোগ দিব লাগে। শিশু সকলৰ খাদ্যৰ দামো যথেষ্ট বৃদ্ধি হৈছে। আজি দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা লোক সকলে নিজৰ সন্তানক প্ৰটিন জাতীয় খাদ্য দিব নোৱাৰে। ১০০ টকা দামটো এতিয়া ৩০০ টকা হৈছেগৈ। আজি মানৱ জীৱনৰ ৰক্ষাকাৰী দৰৱৰ দাম যথেষ্ট বৃদ্ধি হৈছে। ২০১৫ চনত যিটো দৰৱৰ দাম ১ টকা আছিলে আজি বজাৰত ৩০ টকালৈ বৃদ্ধি হৈছে। ............

. ................................ সদনত হুলস্থুল.............................................

এসময়ত গেছৰ দাম ৪২০ টকালৈকে বৃদ্ধি হোৱা কাৰণে গৰু গাড়ীত গেছ লৈ আন্দোলন কৰিছিলে। আজি সেই আন্দোলনকাৰী সকল চৰকাৰী পক্ষত আছে। বৰ্তমান গেছৰ দাম ১০০০ টকা। আজি ঘৰখন বীজানুমুক্ত কৰিবৰ কাৰণে আমি যি ফেনাইল, চিত্ৰনলা ব্যৱহাৰ কৰো তাৰো দাম বৃদ্ধি হৈছে। আজি এনেকুৱা পৰিস্থিতিৰ সৃষ্টি হৈছে যে নাপিতৰ কেচি খনৰো দাম বৃদ্ধি হৈছে। লজ্জা নিবাৰণৰ কাৰণে ব্যৱহাৰ কৰা কাপোৰৰ দাম যথেষ্ট হৈছেগৈ। এই কথাবিলাকৰ এটা সুদুত্তৰ আপোনালোকে নিশ্চয় দিব লাগিব। এই মূল্যবৃদ্ধি যদি আজি নকমাই অসমৰ জনসাধাৰণৰ জনজীৱন আৰু অধিক নিম্নগামী হ'ব। গতিকে আজি শাৰিৰীক মানসিক ভাৱে আগবাঢ়ি যাবৰ কাৰণে, দুখীয়া সকলৰ সহায়ক হ'বৰ কাৰণে যাতে তেওঁলোকে পুষ্টিকৰ খাদ্য খাব পাৰে তাৰ বাবে বজাৰৰ মূল্য নিয়ন্ত্ৰণ কৰিব লাগিব। সেয়ে এই মূল্যবৃদ্ধি ৰোধ কৰি জনসাধাৰণৰ জীৱন যাত্ৰাত যাতে কম দামত খাদ্য সামগ্ৰী যোগান ধৰিব পাৰি তাৰ বাবে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাই মোৰ বক্তব্য সামৰনি মাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** শ্ৰী ৰফিকুল ইছলাম।

**শ্ৰী ৰফিকুল ইছলাম, জনীয়া ঃ** মাননীয় উপাধক্ষ্য মহোদয়, বিষয়টি অত্যন্ত গুরুত্বপূর্ণ আজকে মূল্যবৃদ্ধি শুধু এ ইউ ডি এফ এর জনগণের জন্য নয়, বা কংগ্রেসের জনগণের জন্য নয়। আমি সম্মানীয় সদস্য সবাইকে অনুরোধ করব যে বিষয়টা যেহেতু গুরুত্বপূর্ণ সেজন্য যেন সবাইকে ছুঁয়ে যায়। যখন আমরা বাজারে পেঁয়াজ কিনতে বা সব্জি কিনতে যাই তখন বিজেপির বা কংগ্রেসের অনুগামী হোক বা এআইইউডিএফ র হোক সকলেরই কিন্তু আমাদের নিজের পকেট থেকে টাকা দিতে হয়। তাই বিষয়টি সকলেই গুরুত্ব সহকারে নিয়ে আলাপ আলোচনার মাধ্যেমে একটি সমাধান বের করা অতি আবশ্যকীয়। তাই আমি শাষক দলের সমস্ত সদস্যবৃন্দকে অনুরোধ করব বিষয়টি গুরুত্বপূর্ণ ভাবে আলোচনা করে এর একটা সমাধানসূত্র বের করা দরকার। আমি দু-তিন মিনিটে আমার আলোচনা শেষ করব। ইতিমধ্যে আলোচনা হয়েছে সব্জী ও পেঁয়াজের সম্বন্ধে। আমি বরপেটা থেকে বিলং করি। জোনি আমার ভাষা। বরপেটা রোড খুব বড় একটি সব্জি বাজার। আমরা সকলেই জানি যারা সব্জি উৎপাদন করে তারা কিন্তু আমরা গুয়াহাটীতে যে মূল্যে সব্জি কিনে খাই সেই মূল্য কিন্তু তারাপায়না। **১০** বা **১২** টাকায় তারা বিক্রী করে । সেই সব্জি গুয়াহাটীতে **৬০, ৭০** টাকায় আমাদের কিনতে হয়। সেই **১০** টাকার সব্জি গুয়াহাটীতে **৭০** টাকা কিভাবে হল সেটা সম্মনীয় মন্ত্রীর কাছে আমি জানতে চাই। আমি অনুরোধ করব মধ্যে যদি কিছু থেকে থাকে সেটা সিণ্ডিকেটই হোক বা অন্য কোনো দালাল চক্রই হোক বা আরোও অন্য কিছু হোক, সেটার অনুসন্ধান করতে হবে। কৃষকরা উৎপাদন করছে, তারা যদি **৫০** টাকা পায় তাহলে আমাদরে কোনো আপত্তি ছিলনা। কেননা তারা পরিশ্রম করে ফসল করে। কিন্তু তারা সেই দাম পাচ্ছে না।

খারুপেটিয়া হোক বা অন্যান্য নগাঁও, করিমগঞ্জ যেখানেই সব্জি উৎপাদন হয় আসল কৃষকরা সেই মূল্য পায়না। মধ্যভোগী বা অন্য কিছু চক্র যদি থেকে থাকে সেটাকে কঠোর হাতে দমন করে কৃষকরা যাতে সঠিক মূল্য পায় এর ব্যবস্থা করতে হবে। আর এই ব্যবস্থা করলে দুদিকে লাভ হবে। কৃষকরাও উপকৃত হবে, আর আমারা যারা **৭০** টাকায় সব্জি কিনে খেতে হয়, সেই **১০** টাকার সব্জি **৩০/৪০** টাকায় পাব। পেঁয়াজ আমাদের অসমে খুব বেশি উৎপাদন হয় না। বাইরে থেকে আসে, বাইরে থেকে আসার সময় রাস্তায় যদি কিছু চক্রান্ত চলতে থাকে , সেটাকে যাতে আমরা কন্ট্রল করতে পারি সেই দিকে দৃষ্টি দিতে হবে। আমি মনে করি সম্মনীয় মন্ত্রী যদি একটু দৃষ্টি দেন, উনি অনেক খুব ভালো লোক, একটু নজর দিলে অনেকটা মূল্য কমাতে পারবেন পেঁয়াজের নিশ্চিত ভাবে। সম্মানীয় উপাধ্যক্ষ মহাশয় আজ জনগণের পকেটে টাকা কম। টাকা কম কেন? আমি কিছু দিন আগে চেন্নাই থেকে ভেলু রের দিকে রওয়ানা হয়েছিলাম। রাস্তায় যিনি আমার সাথে ছিলেন, তিনি বললেন এই ইণ্ডাস্ট্রিটা বন্ধ। এটা সপ্তাহে চার দিন চলে। তিন দিন বন্ধ থাকে । আমি জিজ্ঞেস করলাম কেন? উনি বললেন যে, ইণ্ডাস্ট্রিটা চলছে না। অটোমবাইল সেক্টরে গাড়ী মানুষ কিনতে পারছে না। মানুষের কাছে টাকা নেই। আমি একজন বিধায়ক হয়েও আমি ভাড়া গাড়ী নিয়ে চলাফেরা করছি। আমি ভয় পাচ্ছি যে গাড়ীর এত দাম কিভাবে কিনব। বিধানসভায় আমি সত্যি কথাটাই বললাম। গাড়ী কেনার মত **২২/২৪** লক্ষ টাকা যেটা দরকার সেটা সত্যিই আমার কাছে নেই। যখন একজন বিধায়কের কাছে এই টাকা না থাকে, তখন সাধারণ মানুষের কি অবস্থা হবে? আমি উদাহরণ দিচ্ছি। আজ ক্রয় ক্ষমতা কমেছে, সেজন্য অটোমবাইল সেক্টর বা বিভিন্ন সেক্টরে বিক্রী কম হওয়ার জন্য এইসমস্ত সমস্যার সৃষ্টি হয়েছে। লক্ষ লক্ষ কর্মচারী যেখানে কর্মরত ছিল তারা বাড়ীতে চলে আসছে, তাদের চাকরী নেই। কিন্তু তাদেরও চাল, ডাল, আটা, পেঁয়াজ সব কিছুই কিনতে হয়। বাজারে আকাশছোঁয়া মূল্যবৃদ্ধি। তাই আমি মন্ত্রী মহোদয়কে অনুরোধ করব, সরকারের যে স্লোগান ছিল কৃষকদের উৎপাদন ক্ষমতা দ্বিগুন বাড়বে, সেই কৃষি সামগ্রীর উৎপন্ন ক্ষমতা বাড়াবে সেটা কিন্ত হচ্ছেনা আমরা লক্ষ করছি। আমি আমার বক্তব্য শেষ করছি, উপাধ্যক্ষ মহোদয় সেদিকেও নজর দেওয়া হোক যে উৎপাদন ক্ষমতা যাতে বৃদ্ধি হয়। আমরা চাল কিনে খাচ্ছি বাইরে থেকে এনে। সাবসিডিতে দেওয়া হয় **৫০**হাজার কুইন্টেল বাইরে থেকে আনা হয়। এখানে যদি উৎপাদন হয় তাহলে কিছুটা দাম কমবে। একদিকে উৎপাদন করা হোক, আর অন্যদিকে দাম কমানো হোক, সেদিকে লক্ষ্য রাখা হোক। কিন্তু সেটা হচ্ছেনা। অধিক মূল্যে কিনতে কেননা আমাদের বাইরে থেকে আনতে হয়। আর এই সব সমস্যার সৃষ্টি হয়েছে, জি এস টি হোক বা ডিমনিটাইজেশন এসবের জন্য আজ জিডিপি কমেছে। বিভিন্ন কারখানা বন্ধ হচ্ছে। ইনডাস্ট্রি বন্ধ হওয়ার কর্মচারীরা জিডিপি তে তারা যোগদান করছে না। এসব করার জন্য ভারতের অর্থনীতি একদম ভেঙ্গে গেছে। সেটাকে ঠিক না করলে জিনিসের মূল্য আরও বাড়বে। তাই অর্থনীতির অবস্থা কি ভাবে ঠিক করা যায় সেদিকে নজর দিতে হবে। আমি সেদিন দাবী রেখে ছিলাম পেঁয়াজ, সরষের তেল, ডাল এই তিনটা জিনিসকে পিডি এসের আওতায় নিয়ে, যেভাবে কেরোসিন, চাউল, আটা দেওয়া হয় সেভাবে দিলে জনগণ এই মূল্য বৃদ্ধি থেকে একটু রেহাই পাবে। তাই মন্ত্রী মহোদয়কে মূল্য বৃদ্ধি কন্ট্রোল করার জন্য আহ্বান জানিয়ে আমি আমার বক্তব্য শেষ করছি। ধন্যবাদ।

**উপাধ্যক্ষ ঃ** মাননীয় সদস্য ৰূপজ্যোতি কূৰ্মীয়ে কওঁক।

**শ্ৰী ৰূপজোতি কূৰ্মী (মৰিয়নী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি দেখা গৈছে মূল্য বৃদ্ধি আকাশলংঘী হৈছে। এই শিতানত আমি যি বক্তব্য ৰাখিছো উদ্বিগ্নতা প্ৰকাশ কৰিছো ৰাইজৰ হৈ,

সংবাদ মাধ্যমৰ যোগেদি ইতিমধ্যে অসমৰ ৰাইজে প্ৰত্যক্ষ কৰিছে। অসমৰ সৰ্বসাধাৰণ দুখীয়া ৰাইজক আৰু প্ৰত্যেক মানুহকে বিষয়টোৱে চুই গৈছে। সেয়েহে এই পবিত্ৰ বিধানসভাত আলোচনা কৰাটো জৰুৰী। এইক্ষেত্ৰত চৰকাৰী পক্ষৰ পৰা কেনে ধৰণৰ ব্যৱস্থা ল'ব মূল্য বৃদ্ধি হ্ৰাস কৰাৰ ক্ষেত্ৰত এইয়া আমি নিশ্চয় আশা কৰিম। ২০১৪ চনলৈ মোৰ আজি মনত পৰিছে। 'অচ্চা' দিনৰ কথা। বৰ্তমানৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই কৈছিল। মোৰ সমষ্টিতো BJP দলক বহুত ৰাইজে ভোট দিছে। ভোটাৰ ৰাইজৰ মাজত মই যেতিয়া গৈছিলো তেতিয়া ককা আইতা সকলেও BJP দলক ভোট দিছিল বুলি ক'লে। অচ্চা দিন আহিব, মূল্যবৃদ্ধি ৰোধ হ'ব, আমি বস্তুৰ দাম কমত পাম।

২০১৪ চনৰ পিছত আমি দেখা পালো সেই সময়ত পিয়াজৰ দাম আছিল খুৱ বেছি ৪০-৫০ টকা। ২০১৬ চনত যেতিয়া বিমুদ্ৰাকৰণ কৰিলে তাৰ পিচত ২০১৭ চনত যেতিয়া GST আনিলে, এতিয়া আমি দেখিলো কণীৰ মূল্যও বাঢ়িছে। আগতে যিটো কণীৰ মূল্য ৪ টকা আছিল বৰ্তমান প্ৰতিটো কণীৰ মূল্য ৭ টকা। অসমত এতিয়া যথেষ্ট মূল্যবৃদ্ধি হৈছে। ভাল দিন অহাৰ কাৰণে পিয়াজৰ মূল্য ১২০ টকা হৈছে। মোৰ ১ মিনিট সময় গ'ল আৰু ১ মিনিটত 'ভগৱান, আল্লা, গুৰুজনাক প্ৰাৰ্থনা কৰিছো যে বস্তুৰ দাম কমক, হে প্ৰভু আমাৰ অচ্চা দিন আহক।'

**উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া। ----হুলস্থুল------

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰ দিয়াৰ আগতে মই মন্ত্ৰী মহোদয়ক এটা কথা জনাওঁ যে Prices Stability Fund বুলি আমি বাজেটত অনুমোদন জনাইছো মূল্যবৃদ্ধি হোৱাৰ কাৰণে। মূল্যবৃদ্ধি ৰোধ কৰিবলৈ চৰকাৰে ২০০ কোটি টকা আৱন্টন লৈছিল। Prices Stability Fund বাজেটত ধাৰ্য্য কৰা হৈছিল। সেইটো কি কৰিলে তাক যাতে অলপ উনুকিয়াই যায়।

**মাননীয় উপাধ্যক্ষ ঃ** আপোনালোকৰ ৪ জনে কৈছে-----হুলস্থুল---

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো মোক ক'বলৈ দিয়াৰ বাবে। আজি এই বিষয়বস্তুৰ ওপৰত আলোচনা দিয়াৰ বাবে মাননীয় অধ্যক্ষ ডাঙৰীয়াকো ধন্যবাদ জ্ঞাপন কৰিছো আপোনাৰ জৰিয়তে।

আমি যেতিয়া মানুহৰ মাজলৈ যাওঁ, মানুহে আমাক প্ৰশ্ন কৰে যে আমি খোৱা বস্তু কিনিব নোৱাৰো। মূল্যবৃদ্ধি হোৱাৰ ফলত আমি থাকিবলৈ ঘৰ নিৰ্মাণ কৰিব খুজিলেও তাত মূল্যবৃদ্ধি, Hospital গ'লে তাত মূল্যবৃদ্ধি, অত্যাৱশ্যকীয় সামগ্ৰীৰ ক্ষেত্ৰতো মূল্যবৃদ্ধি হৈছে। ----হুলস্থুল----অৰ্থাৎ পিন্ধিবলৈ, খাবলৈ, থাকিবলৈ, আৰু বেমাৰ আজাৰৰ পৰা বাচিবলৈ সকলো ক্ষেত্ৰতে মূল্যবৃদ্ধি। আপোনালোকে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বৰ চৰকাৰক সুধিব, এই চৰকাৰখনে আমাক জীয়াই থাকিবলৈ দিবনে নাই? সেয়েহে ৰাইজৰ প্ৰশ্ন মহাশয়, আজি আপোনাৰ জৰিয়তে চৰকাৰক সুধিব বিচাৰিছো------হুলস্থুল-------মই এতিয়া শেষ কৰিম মোক ক'বলৈ দিয়ক। এই যে শাসক পক্ষৰ বিধায়ক সকলে যিমান চিঞৰি আছে, চিঞৰি থাকিলেও ৰাইজৰ পৰা ক্ষমা নাপায়।

**(সদনত হুলস্থুলীয়া পৰিৱেশ বিৰাজমান)**

**মাননীয় উপাধ্যক্ষঃ** আপোনালোকক মন্ত্ৰীৰ উত্তৰ নালাগে নেকি? আপোনালোক সকলোৱে বহক।

**(সদনত হুলস্থুল)**

মাননীয় মন্ত্ৰী ডাঙৰীয়া, আপুনি উত্তৰটো দিয়ক।

**শ্ৰী ফণীভূষণ চৌধুৰী (খাদ্য আৰু সামৰিক যোগান বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই প্ৰথমতে আজি এই বিষয়টো উত্থাপন কৰাৰ বাবে মাননীয় সদস্যা শ্ৰী মতী অজন্তা নেওগ ডাঙৰীয়ানীক ধন্যবাদ জ্ঞাপন কৰিছো। মই তেখেতক এই কাৰণে ধন্যবাদ জ্ঞাপন কৰিছো কাৰণ ইয়াৰ জৰিয়তে ৰাজ্যখনৰ বৰ্তমানৰ বাস্তৱ প্ৰতিচ্ছবি সদনৰ জৰিয়তে অসমৰ সৰ্বসাধাৰণ ৰাইজক জনাবলৈ সুবিধা পাইছো। এতিয়া বিষয়টো হৈছে- ৰাজ্যখনৰ অত্যাৰশ্যকীয় সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধি। ইয়াত মই যিখন কাগজ পাইছো তাত ব্যাখ্যামূলক টোকা দিছে- অতি সম্প্ৰতি নিত্যাৰশ্যকীয় প্ৰতিটো সামগ্ৰীৰ বিশেষকৈ খাদ্য সামগ্ৰীৰ অতিপাত মূল্যবৃদ্ধিয়ে সামগ্ৰিকভাৱে জীৱনক কোঙা কৰি পেলাইছে। ইয়াত যিহেতু খাদ্য সামগ্ৰীৰ কথা কৈছে সেয়েহে মই মোৰ উত্তৰটো খাদ্য-সামগ্ৰীৰ ওপৰতে সীমাবদ্ধ ৰাখিম। মই Petrol, Diesel, Gas, G.S.T. Demonetization, G.D.P ৰ ওপৰত উত্তৰ নিদিওঁ।

**শ্ৰী কমলাক্ষ দে’ পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** কাৰণ আপনালোকৰ ওচৰত ইয়াৰ উত্তৰ নাই।

**( লগে লগে সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়)।**

**শ্ৰী ফণীভূষণ চৌধুৰী (খাদ্য আৰু সামৰিক যোগান বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বিৰোধী পক্ষৰ এজন সদস্যই ইতিমধ্যে কৈছে যে আমাক জীয়াই থাকিবলৈ দিয়ক। তাৰ মানে বস্তু -বাহানিৰ দাম ইমানেই বাঢ়িছে যে মানুহে এতিয়া তেওঁলোকক সুধিছে- আমাক জীয়াই থাকিবলৈ দিয়ক। সেয়েহে মই বাস্তৱ প্ৰতিচ্ছবি এখন দাঙি ধৰিব বিচাৰিছো। আমি মুখেৰে কথা ক’লে নহ’ব। আমাৰ কথা তথ্যৰে দাঙি ধৰিব লাগিব। ২০১৬ চনৰ জানুৱাৰী মাহৰ আৰু কালি ৩ ডিচেম্বৰ, ২০১৯ৰ সামগ্ৰীৰ দাম সমূহ মই কৈ দিছো। তেতিয়া আপোনালোক সকলোৱে পাৰ্থক্যটো বুজি পাব। ২০১৬ চনত Gram Dal ৰ দাম আছিল ৬৬ টকাৰ পৰা ৭১ টকা। আজিৰ দিনত Gram Dal ৰ দাম ৬০ টকাৰ পৰা ৬৭ টকা। Urad Dal ৰ দাম আছিল ১৩৪ ৰ পৰা ১৬৫ টকা ।

**(সদনত পুনৰ হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়)**

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ ( সৰুক্ষেত্ৰী)ঃ** পিয়াজৰ বৰ্তমানৰ মূল্যৰ বিষয়ে কিয় নকয় ?

**শ্ৰী ফণীভূষণ চৌধুৰী (খাদ্য আৰু সামৰিক যোগান বিভাগৰ মন্ত্ৰী)ঃ** ২০১৩ চনত পিয়াজৰ মূল্য ৮০ টকা আছিল। সেই কথাটো আপোনালোকে কিয় পাহৰে? ২০১৬ চনৰ এপ্ৰিল মাহলৈকে আপোনালোকৰ চৰকাৰ থকা সময়ত আলুৰ দাম আছিল ১৫ ৰ পৰা ১৮ টকা আছিল আৰু বৰ্তমান আলুৰ মূল্য হ’ল ১৬ টকাৰ পৰা ২০ টকা।

**(সদনত আকৌ হুলস্থূল)**

**মাননীয় উপাধ্যক্ষ ঃ** কমলাক্ষ দে’ পুৰকায়স্থ, আপোনালোকক মন্ত্ৰীৰ উত্তৰ লাগে নে নালাগে? যদি

লাগে তেন্তে আপোনালোকে ধৈৰ্য সহকাৰে মন্ত্ৰীৰ উত্তৰ শুনক।

**(সদনত পুনৰ হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়)**

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)ঃ** সঁচা তথ্য দিব লাগিব। মন্ত্ৰীয়ে মিছা তথ্য দিলে আমি মানি নলওঁ।

**(সদনত পুনৰ হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়)**

**(সদনত অধ্যক্ষ মহোদয়ে পুনৰ প্ৰৱেশ কৰে আৰু সদন পৰিচালনা**

**কৰে)।**

**(কংগ্ৰেছ বিধায়িনী দলে সদনত মূল্য বৃদ্ধিৰ ওপৰত প্ৰতিবাদ জনাই সদন ত্যাগ কৰে)।**

÷±òòïûþÕñËŽÂÐ মন্ত্ৰী ডাঙৰীয়া, আপুনি দৰকাৰী কথাকেইটা কৈ দিয়ক। কাৰণ ইয়াৰ সঠিক উত্তৰ আমি পাব লাগিব।

এইখিনিতে, With the consent of the House, I would like to extend the House for some time.

**শ্ৰী ফণীভূষণ চৌধুৰী (খাদ্য আৰু সামৰিক যোগান বিভাগৰ মন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয়, পিয়াজৰ মূল্যবৃদ্ধি সম্পৰ্কত মই ক'ব বিচাৰিছো, পিঁয়াজ আমাৰ গোটেই দেশখনক ১ মাহত লাগে ১৫ লাখ মেট্ৰিকটন আৰু সেই মতে এদিনত লাগে ৫০,০০০ মেট্ৰিকটন। আমাৰ ৰাজ্যখনত দৈনিক পিঁয়াজৰ চাহিদা হৈছে ৭০০ মেট্ৰিকটন। কিন্তু আমাৰ ৰাজ্যত পিঁয়াজ উৎপাদন নহয়। আমি পিঁয়াজ ৰাজস্থান, মধ্যপ্ৰদেশ, গুজৰাট, মহাৰাষ্ট্ৰ, বিহাৰ, পশ্চিমবঙ্গ, কৰ্ণাটক, অন্ধ্ৰপ্ৰদেশ আদি ৰাজ্যৰ পৰা পিঁয়াজ আনিব লাগে। এইবাৰ প্ৰায় তিনি-চাৰি সপ্তাহ দেৰীকৈ মনচুন আহিছে । অতিপাত বৰষুণ হৈছে যাৰ ফলত বিশেষকৈ নাচিকত পিঁয়াজৰ খেতি যথেষ্টভাৱে নষ্ট হৈছে। যাৰ বাবে পিঁয়াজৰ দাম উৰ্দ্ধগামী হৈছে। এতিয়া বৰ্তমান আমি কেৱল ৰাজস্থানৰ আৱালৰ পৰাই পিঁয়াজ আনিছো। আজিৰ দিনটোত আৱালৰ পিঁয়াজৰ দাম হৈছে ৮০ ৰ পৰা ৮৪ টকা। ইন্দোৰত হৈছে ৮২ টকাৰ পৰা ৮৪ টকা। আমি নাচিকৰ পৰা পিঁয়াজ আনিব নোৱাৰো কাৰণ নাচিকৰ পৰা পিঁয়াজ আনিবলৈ হ'লে ৭ ৰ পৰা ৮ দিন লাগে। পিঁয়াজ Perishable Goods হয় যাৰ ফলত ৭-৮ দিনত পিঁয়াজবোৰ নষ্ট হৈ যাব। সেয়েহে বৰ্তমান আমাৰ ৰাজ্যখনত কেৱল আলাৰ ৰাজস্থানৰ পৰা পিঁয়াজ আহি আছে। ৰাজস্থানত পিঁয়াজৰ মূল্য হৈছে ৮০ ৰ পৰা ৮৫ টকা। আমাৰ ৰাজ্যখনত তাৰ পৰা ট্ৰাকেৰে পিঁয়াজসমূহ অনা হয় আৰু প্ৰতি কিলো পিঁয়াজত খৰছ পৰে ৯ ৰ পৰা ১০ টকা। আজিৰ দিনটোত ৰাজস্থানৰ পৰা অসমলৈ অনা পিঁয়াজৰ Landing Cost হৈছে ৯০ টকাৰ পাৰ ৯২ টকা। গতিকে পিঁয়াজ যিহেতু Perishable Goods হয় সেইকাৰণে বিশেষকৈ গুৱাহাটীত হলচেলাৰ ৰেটতকৈ পাইকাৰী মূল্যত ৬ টকা বেচিকৈ লাভ কৰিবলৈ উপায়ুক্ত ডাঙৰীয়াই চৰকাৰী নিৰ্দেশ দিছে। সেইকাৰণে ৬ টকা বেচিকৈ লাভ কৰিব পাৰে। যদিহে ৯০ টকা হয়, তাত দাম হ'ব ৯৬ টকা। অকল অসমতে যে পিঁয়াজৰ মূল্য বৃদ্ধি হৈছে তেনে নহয়। মই ভাৰতৰ Price Monitoring Cell ৰ তথ্য অনুসৰি কৈছো যে গোটেই ভাৰতবৰ্ষতে পিঁয়াজৰ মূল্য বৃদ্ধি হৈছে। মই ভাৰতবৰ্ষৰ কেইখনমান ঠাইৰ নাম উল্লেখ কৰি দিছো যেনে-চণ্ডীগড়ত ১০০ টকা, দিল্লীত ৯৪ টকা, চুৰাটত ৯২ টকা, মোম্বাইত ৯৮ টকা, কলিকতাত ৯০ টকা, গেংটকত ১০০ টকা। এনেকৈ পিঁয়াজৰ দামবিলাক নিৰ্দ্ধাৰণ হৈছে আৰু অসমত যোৱাকালি পিঁয়াজৰ দাম আছিল ৮০ ৰ পৰা ৯২ টকা। আমি যিহেতু Consuming State হয়, সেয়েহে আমি য'ৰ পৰা পিঁয়াজ উৎপন্ন হয়, তাৰ পৰা আনিব লাগে। গতিকে যিহেতু গাড়ীভাড়া আছে, Loading, unloading Cost আছে, সেয়েহে আমাৰ যিটো মূল্য সৈইটো মোটামুটি উৎপাদন স্থলীতকৈ আমাৰ দামৰ ১৫-১৬ টকা পাৰ্থক্য হ'ব । ইন্দোৰত যদি পিঁয়াজৰ মূল্য ৯০ টকা হয়, ইয়াত আমাৰ ১০৬ টকা দাম হ'ব। অনা খৰছ, পচি যোৱা, বেয়া হোৱা খৰছ, Loading, unloading Cost, Shortage এই গোটেইবিলাক লৈ ১৫-১৬ টকা বেচিকৈ ধৰিছো। কিন্তু কথাটো হৈছে যে এইটো যে অকল অসমতে হৈছে, এনে নহয়, গোটেই ভাৰতবৰ্ষতে এইটো হৈছে আৰু ভাৰতবৰ্ষত হোৱাৰ ফলত কেন্দ্ৰীয় চৰকাৰে ৯ নৱেম্বৰত কেবিনেট সচিবৰ

অধ্যক্ষতাত এখন সভা অনুষ্ঠিত হৈছিল যিহেতু পিঁয়াজৰ এইটো অৱস্থা হৈছে। গতিকে পিঁয়াজ বাহিৰৰ পৰা import কৰাৰ কাৰণে তেওঁলোকে এটা সিদ্ধান্ত লৈছে আৰু ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এতিয়া পিয়াজ অহা ডিচেম্বৰ মাহৰ ১০, ২৪ আৰু ৩১ ডিচেম্বৰ তাৰিখে ইজিপ্তৰ পৰা ১১৬০ মেট্ৰিকটন পিঁয়াজ আহি পাব। ঠিক তেনেধৰণে তুৰ্কীৰ পৰা প্ৰায় ১১হাজাৰ মেট্ৰিকটন পিঁয়াজ জানুৱাৰী মাহৰ ২ তাৰিখৰ পৰা ১২ তাৰিখলৈ আহি পাব। যিটো আমদানিকৃত পিঁয়াজ আহি পাব তাৰে আমাৰ চৰকাৰে আমাক ১ হাজাৰ মেট্ৰিকটন পিঁয়াজ লাগে বুলি কেন্দ্ৰীয় চৰকাৰক জনাইছে । এই পিঁয়াজখিনি মুম্বাই আহি পোৱাৰ পিছত আমাৰ ৰাজ্যখনত আহি পাওঁতে প্ৰায় ১০-১২ দিন সময় লাগিব। তেতিয়া হয়তো পিঁয়াজৰ দামটো কিছু নিয়ন্ত্ৰণ হ'ব। আমাৰ চৰকাৰে ব্যৱসায়ী সকলৰ লগত কথা পাতি গম পাইছো পাইছো যে এইবাৰ আমি পিঁয়াজৰ ফাণ্ড এটা পাইছো। আমাক অসম চৰকাৰে ৫০ লাখ টকা মোকলাই দিছে আৰু কেন্দ্ৰীয় চৰকাৰে আমাক ১৫০ কোটি লৈকে মোকলাই দিব। ২০০ কোটি টকাৰ এটা ক'ৰপাচ ফাণ্ড হ'ব আৰু এই ক'ৰপাচ ফাণ্ডৰ জৰিয়তে আমাৰ অহা বছৰ যাতে পিঁয়াজৰ মূল্য বৃদ্ধি নহয় আৰু গ্ৰাহকক যাতে কম দামত পিঁয়াজ দিব পাৰো তাৰ কাৰণে আমি চিন্তা-চৰ্চা আমি কৰিছো। গতিকে মই ভাৰো যে এই পিঁয়াজৰ যিটো মূল্য বৃদ্ধি এই মূল্য বৃদ্ধি খুব বেছি এক মাহলৈ থাকিব। কিন্তু তথাপিতো আমি মাননীয় মুখ্যমন্ত্ৰী আৰু বিত্ত মন্ত্ৰী মহোদয়ৰ লগত যোগাযোগ কৰি থকা হৈছে। মাননীয় মুখ্যমন্ত্ৰী আৰু বিত্ত মন্ত্ৰী মহোদয় তেখেতসকল দিল্লীত আছে। তেখেত সকল আহি পোৱাৰ পিছত তেখেত সকলৰ লগত পিঁয়াজৰ এই মূল্য বৃদ্ধিৰ সম্পৰ্কত কিবা ব্যৱস্থা কৰিব পৰা যায় নেকি তাৰ আলোচনা কৰিম। এই মূল্য বৃদ্ধিৰ কিবা ব্যৱস্থা গ্ৰহণ কৰিব পাৰিলে কিছু হ'লেও দুখীয়া ৰাইজক আমি সকাহ দিব পাৰিম বুলি আশা কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এইধৰণে যদি কিবাকৈ দুখীয়া ৰাইজক কিছু পৰিমাণে সকাহ দিব পাৰো তেন্তে ভাল হ'ব। কিবা আছিল নেকি?

**শ্ৰী সত্যব্ৰত কলিতা (কমলপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পিঁয়াজৰ দামটো আগে-পিছেও বঢ়া-টুটা হৈ থাকে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই মোক বিধায়ক হিচাপে এটা পৰামৰ্শ দিছিল যিহেতু মোৰ ঘৰ ওচৰতে গুৱাহাটী। গতিকে মোক পিঁয়াজৰ কাৰণে এটা স্পেচিয়েল Cold Storage বনাবলৈ পৰামৰ্শ দিছিল। সেইকাৰণে গুজৰাটৰ পৰা মই এটা টেক্‌ন'ল'জি আনি আমাৰ মুখ্যমন্ত্ৰী আৰু বিত্ত মন্ত্ৰী মহোদয়লৈ আগবঢ়ালো। কিন্তু অতি দুখৰ কথা যে যোৱা ডেৰ বছৰ ধৰি গোটেই ফাইলটো কো-অপাৰেটিভ বিভাগত পৰি থাকিল আৰু তাৰ পিছত তেওঁলোকে কৈছে যে দিব নোৱাৰে। কিন্তু পইচাটো NCDC য়ে দিম বুলি কৈছিল। যদি আমি Cold Storage ৰ ক্ষেত্ৰত অলপ বিবেচনা কৰো আৰু অলপ সংৰক্ষণ কৰি ৰাখিব পাৰো তেনেহ'লে পিঁয়াজৰ যিটো বাঢ়িব খোজা দাম সেইটো নিয়ন্ত্ৰণ কৰিব পাৰ যাব। এই কথাটো অলপ বিবেচনা কৰিব লাগে আৰু দৰকাৰ হ'লে আমাৰ যোগান বিভাগেও অলপ Cold Storage কৰক। আমি যাতে বিপদৰ সময়ত এটা সুবিধাজনক দামত দুখীয়া মানুহখিনিক দিব পৰো। সেইকাৰণে মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীক জনাব বিচাৰিছো যে মোৰ ফাইলটো এতিয়াও আছে আৰু অন্তত এটা Cold Storage খুলিবৰ বাবে সুবিধা দিয়ক। বৰ্তমান সকলো প্ৰজেক্ট দি আছে আৰু এইটো Technically viable আৰু বিত্ত মন্ত্ৰীয়ে অনুমোদন দিয়াৰ পিছত আৰু মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই কোৱাৰ পিছতো কো-অপাৰেটিভ বিভাগ এই ফাইলটো ডেৰ বছৰলৈ পেলাই থলে আৰু পিছত নহ'ব বুলি ক'লে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এইটো আপুনি এখন চিঠি দিব। মন্ত্ৰীয়েও চাওঁক। we will

take action. Thank you

**শ্ৰীবিমল বড়া (টিংখং)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মূল্য বৃদ্ধিৰ সম্পৰ্কত যেতিয়া আলোচনা হৈছিল, সেই আলোচনাত এটা অশোভনীয় আচৰণ কৰি কংগ্ৰেছ দলে walk out কৰিলে কিন্তু তেওঁলোকৰ শুনিবলৈ ধৈৰ্য্য নহ'ল। মাননীয় মন্ত্ৰী মহোদয়ে যেতিয়া Comparative Statement দি আছিল তেওঁলোকে এনেকুৱা বক্তব্য ৰাখিছে যে মানুহ জীয়াই থকাৰ কাৰণে এতিয়া অশান্তি হৈ গ'ল। কিন্তু তেওঁলোকৰ সময়ত এতিয়াতকৈ বেছি মূল্যবৃদ্ধি হৈছিল। গতিকে সেই কথাখিনি মাননীয় মন্ত্ৰী মহোদয়ক আৰু অকনমান add কৰি দিবৰ কাৰণে অনুৰোধ জনাইছো। কাৰণ অসমৰ ৰাইজলৈ এটা বেয়া বাৰ্তা যাব।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ-** অধ্যক্ষ ডাঙৰীয়া, মই এইটো কথা ক'ব বিচাৰিছো, যে ইয়াত আপুনি আজি দুখন চৰকাৰী বিল বাদ দি ৰাজ্যখনৰ এটা জলন্ত সমস্যা হিচাপে গন্য কৰি মূল্যবৃদ্ধিটো ইয়াত আনিব দিছে। কিন্তু যিহেতু দিছে আমি ভাল পাইছো, আপোনাক আমি আদৰণিও জনাইছো। গতিকে তেখেত সকলৰ বক্তব্যখিনি ৰাখিছে, ঠিক আছে কিন্তু ইয়াত দেখা গৈছে যে এইবাৰ বিধান সভাখনত কোনো নীতি-নিয়ম শৃংখলা নাইকিয়া হৈছে। সেই কাৰণে মই ভাবো আপুনি সকলো দলৰ দলপতি সকলক কাইলৈ মাতি এটা সিদ্ধান্ত ল'ব লাগে। কাৰণ ইয়াত মূল্যবৃদ্ধিৰ ওপৰত তেওঁলোকে যিখিনি ক'লে, আমাৰ মন্ত্ৰীয়ে ইয়াৰ যিটো comparative Statement দিলে যে ক'ৰ পৰা কেনেকৈ হ'ল, এইটো তেওঁলোকে শুনিব লাগিছিল। শুনি যদি কয় যে মন্ত্ৰীয়ে যি কৈছে, ৰাজস্থানত ইমান দাম নহয়, ইমানহে দাম, তেওঁলোকে সেইটো মন্ত্ৰীক সোধক। কিন্তু সেইটো নকৰি তেওঁলোকে হাউচ বয়ক ট কৰিলে আৰু মই সিফালৰ পৰা আহি আছিলো, দৈনিক যুগশঙ্খৰ মালিকো আহিছিল আৰু ইয়াৰ পৰা মই দেখিছো যে "যোগান মন্ত্ৰী, হায় হায়," বুলি কৈ কংগ্ৰছৰ বিধায়ক সকল ওলাই গৈছে। মই বয়কট কৰা বুলি নাজানো। মই কাষেৰে গুছি আহিছো। ইয়াৰ আগদিনা সেই খিনিত গোটেই বিলাক শুই থাকিল। অধ্যক্ষ ডাঙৰীয়া, মই এটা কথা ভাবো যে অধ্যক্ষ ডাঙৰীয়াই যেতিয়া এটা ৰুলিং দিয়ে মই ভাবো সেইটো সকলোৱে সেইটো মানি চলা উচিত। যেতিয়া আপুনি কৈছে যে মই আপোনাক বৰ্খাস্ত কৰিলো। অধ্যক্ষ ডাঙৰীয়া মই এটা কথা কওঁ ইয়াৰ পৰৱৰ্তী দিনত কিন্তু কোনোবাই যদি কথা কয় উত্তৰটো শুনি সন্তুষ্ট নহ'লে তেওঁলোকে বয়কট কৰক। কিন্তু উত্তৰটো শুনাৰ ব্যৱস্থা হ'ব লাগিব। সেই কাৰণে অধ্যক্ষ ডাঙৰীয়া এখন মিটিং পাতক, parliamentary Affairs Minister হিচাপে আপোনাক অনুৰোধ কৰিছো। কাৰণ হাউচত এইবাৰ যিবিলাক কথা হৈছে, সকলোবোৰ হাউচক অৱমাননা কৰাৰ নিচিনা হৈছে। এইখন হ'ল highest house of the people. **মাননীয় অধ্যক্ষ** ঃ মোৰ পইন্টটো এইটো যে তেওঁলোকে বিৰোধীত বহাৰ যিটো ইচ্ছা থাকিব লাগে, বিৰোধীত বহিলে কিখিনি সহ্য কৰিব লাগে, ১৫ বছৰ নাথাকিল কাৰণে বুজাই নাই তেওঁলোকে কথাটো। তেওঁলোকে এতিয়াও শাসকীয় দল বুলিয়েই ভাৱে।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ এইবাৰৰ বিধান সভাখনত প্ৰত্যেকটো কথা হাউচক অপমানজনক কথা হৈছে। হাউচক অৱমাননা কৰি নোৱাৰে কাৰণ এইখন people's house নিয়ম গতিকে অধ্যক্ষ মহোদয়,বিধান সভা আৰু দুদিন আছে। আপুনি এখন মিটিং কৰক আৰু তাত এইবিলাক কথা আলোচনা কৰক। তেওঁলোকে মন্ত্ৰী উত্তৰ শুনিব লাগিব। তেওঁলোকে কৈছে যে মূল্য বৃদ্ধি হৈছে , মন্ত্ৰী উত্তৰ তেওঁলোকে শুনিব লাগিব। যদি সন্তুষ্ট নহয়, তেওঁলোকে

তেতিয়া বয়কট কৰক। তেওঁলোকে কথাখিনি ক'ৰ আৰু মন্ত্ৰীয়ে উত্তৰ দিয়াৰ আগতে, হায় হায়, বুলি কৈ ওলাই যাব, আৰু টিভিৰ আগত ওলাব। টি ভি ৰ প্ৰৱনতাটো কিয়? আমিওটো মন্ত্ৰী, আমিটো নাযাওঁ এই প্ৰৱনতাটো যদি আপুনি নকমায়, because you are the custodian of the House সকলোতকৈ মোৰ দুখ লাগিছে এটা কথাত যে আপুনি বিৰোধী পক্ষক যিমান দিছে, মই ১৯৮৫ ৰ পৰা এই বিধান সভাত সাক্ষী, বিৰোধী পক্ষৰ কোনো বিধায়কে ইমান privilege পোৱা নাই। তাৰ পাছতো আপোনাৰ প্ৰতি নিম্নতম সন্মানখিনি তেওঁলোকে দেখুৱাব নোৱাৰাটো মই নিন্দা কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মই কথাটো কৈছো যে আজি আমাৰ শেষ দিন। কালিলৈ Speaker initiative আছে আৰু আমি দুখন বিল তেওঁলোকৰ স্বাৰ্থতে কালিলৈ পঠিয়াইছো যে বিৰোধীয়ে মূল্য বৃদ্ধি আনিছে আৰু আমি হাউচে কথা পাতিব লাগে, এইটো ময়ো অনুভৱ কৰো। কথা পাতিবৰ কাৰণেই এইটো কৰিছিলো। তেখেত সকলে বোধ কৰো যিমান গভীৰভাবে কথাটো ভাৰিব লাগিছিল, মন্ত্ৰী উত্তৰটোৰ পাছতো তেওঁলোকে protest কৰিব পাৰে। কিন্তু মাজতে কৰিছে। মই এটাই ক'ব খুজিছো যে আমি সকলো বিধায়ক, সকলো সমান। মই এইখন চকীত বহি আছো আপোনালোকে দিয়াৰ কাৰণে হে বহিছো। প্ৰাথমিকতে আমি সকলো বিধায়ক। বিধায়কৰ কাম হৈছে নিজৰ সমষ্টিটোৰ যিখিনি মূল কথা আৰু দেশখনৰ ৰাজ্যখনৰ যিখিনি মূল কথা, অধ্যয়ন কৰি ইয়াত ক'ব লাগে। যি সকল নতুন বিধায়ক আহে তেওঁলোকে নিজৰ সমষ্টিৰ কাৰণে বেছি ভাবিবলৈ বাধ্য হয়। আমিও আছিলো এসময়ত নতুন বিধায়ক। কিন্তু যেতিয়া মই লাহে লাহে পুৰণা হ'বলৈ আৰম্ভ কৰিলো তেতিয়া আমি অসমৰ কথা বেছিকৈ পাতো। নিজৰ সমষ্টিৰ কথা বহু বেছি প্ৰশ্ন নকৰো। সেই কাৰণে আমি ইয়াত দেখিছো যে কেইবাজনো জ্যেষ্ঠ নেতা আজিও ইয়াত বিৰোধী পক্ষত আছে। তেওঁলোকে ১৫ বছৰ মন্ত্ৰী হৈছে। মই বিছাৰো, তেওঁলোকে যেতিয়া কথা পাতে, হাউছ টো সদায় কৈছো যে বিৰোধীক এই কাৰণেই দিব লাগে যে তেতিয়া lively হয় । আমাৰ যদি একো নোহোৱাকে পাছ হৈ যায় ভাল নালাগে, আৰু অলপ হুলস্থুল হ'বই এইটো মই বুজি পাওঁ, কিন্তু আজি যিবিলাক হৈ আছে, কালি যিবিলাক হৈছে ভাল হোৱা নাই। মই আজি তথাপি মাফ কৰিছো। মই কৈছো যে ক্ষমাই হৈছে মানুহৰ মূল ভূষণ। যেতিয়া কোনোবাই ক্ষমা বিচাৰে আমি ক্ষমা কৰাটো প্ৰয়োজন। কিন্তু বহুতে হয়টো মোৰ কথাটো ভাল নাপাব। মই তেনেকৈ ভাবো। ২য় কথাটো হৈছে মই তেখেতক কালিও কৈছো আজি যিটো কাৰণে বাহিৰত শুই আছে, কিহৰ কাৰণে তেওঁলোকে special motion আনিব খুজিছে। special motion যোৱাকালি ফাইল কৰিছে। special motion ৰ resolution প্ৰথমতে হয়। হাজৰিকাই ১ নং ত দিছে। ২ নং ত তেওঁ দিছে। এই দুখন মোৰ হাতত আছেই। কিন্তু হাজৰিকাই টো একো কোৱা নাই। মই তেখেতক বুজাই দিলো যে special motion এইবিলাক আমি private Members day ৰ বাদে বেলেগ দিনত আনিব নোৱাৰো। গতিকে মই ক'লো যে যিহেতু বিধান সভা শেষ হোৱাৰ পাছত আমাৰ মাজত ব্যৱধান এটা হ'ব। it is a huge thing, land policy is a huge thing. এইটো ভালকৈ আলোচনা হোৱাটো ভাল হ'ব। সেই কাৰণে মই এই কথাটো কলো যে আমি এইটো অহাবাৰ দিম। তেখেতে বুজিলে। মই তেওঁকো ক'লো। তেওঁ সেইটো বুজি কিয় নাপায়, এজন senior MLA আগতেও আছে। আগতেও এবাৰ মই তেওঁৰ ওপৰত action ল'ব লগীয়া হৈছে। তেওঁ আহি ইয়াত কিতাপ দেখুৱাই মোক ৰুলৰ কথা কয়। ৰুলটো যদি মোৰ ভুল হয়, মই মানি লম। ৰুলটো মোক শিকোৱাত মোৰ আপত্তি নাই। মোৰো কেতিয়াবা ভুল হ'ব পাৰে। কিন্তু ৰুলত যিটো স্পষ্টকৈ কৈছে, নাই। তেওঁ

সেই কথাটো কিয় বুজি নাপায়। special motion will get privilege over motion আৰু যিমান special motion ইয়াত আহিছে আমি সেই দিনাই দিওঁ। যদি হাউচত তেওঁ dictate কৰিবলৈ যায়, মই তেতিয়া হ'লে চকীত বহি থকাৰ কি প্ৰয়োজন আছে? গতিকে আপুনি কোৱাটো হয়, এইটো tolerance ৰ অভাৱ হৈছে। আমি শুনাৰ ধৈৰ্য্যটো নাই। আপুনি মোক খুব বেয়াকৈ ক'লে, মইও আপোনাক ক'লো, ইটো সিটোক শুনিহে সিদ্ধান্তটো ল'ব লাগিব, কোনটো শুদ্ধ। এই কথাবিলাক আজি শেষৰ দিন কাৰণে ক'লো। কাইলৈ Special Discussion আছে। পৰহিলৈ মহামানৰ মহাত্মা গান্ধীৰ শ্ৰদ্ধাঞ্জলীৰ কাৰণে আলোচনা আছে। এটা কথা যে, আমি House ত control কৰিব পাৰিব লাগিব। প্ৰত্যেকৰে এজন-দুজন Senior Leader থাকে। তেতিয়া আমি সকলোৱে সমিল-মিলেৰে House আগবঢ়াই লৈ যাব পাৰো। কিন্তু মই সুখী। মই সুখী মানে কৈছো কোনে Judge কৰিব। Public will judge. What we are doing here. মই সকলোৰে কথা কৈছো, আমি ইয়াত ৰণ জিকিব নোৱাৰো। We can raise our grievances. চৰকাৰে ইয়াত কথাবিলাক শুনিব, চৰকাৰে যদি Positive দেখে, তেওঁ সেইটো শেষ কৰিব আৰু তেতিয়া চৰকাৰৰ ভাল হ'ব। সেইটো আমি সকলোৱে জানো। সেই কাৰণে মই সকলোকে কৈছো, শাসক দলৰ সদস্যসকলক সময় মই কমকৈ দিও। তেখেতসকলে আপোনালোকক লগ কৰি কেতিয়াবা সুধিব পাৰে, তথাপিও মই চেষ্টা কৰো এটা হ'লেও দিবৰ কাৰণে। কিন্তু শাসক দলৰ সদস্যৰ সংখ্যাই বেছি আছে, supplementary যেতিয়া দিবলৈ আহে। বিৰোধী সংখ্যা কম হ'লেও তেওঁলোকক minimum দুয়োটা দলকে দুটাকৈ মই দিবলৈ চেষ্টা কৰো। 3rd টোহে মই কেতিয়াবা দিওঁ। গতিকে এই গোটেই কথাবিলাক এইটোৱেই যে, আমাৰ দোষ-ক্ৰটীবিলাক, যিহেতু এই সদনত Speaker হিচাপে মোৰ যি দায়িত্ব, চৰকাৰ খনক ভালধৰণে লৈ যোৱাত বা পৰিচালনা কৰাত মোৰ পৰা Maximum opportunity পাব, কিন্তু চৰকাৰখন ৰক্ষা কৰাৰ দায়িত্ব এজন Speaker ৰ আছে। সেইটো মই কোৱা কথা নহয়। বাবু বসন্ত দাসে Ministry safe কৰিছিল। তেওঁ কংগ্ৰেছৰ আছিল। যেতিয়া Almost equal vote হৈছিল cut motion ত, Speaker জন তেওঁ বিৰোধীত থকাৰ পাছতো শাসক দলৰ ফালে দিছিল কাৰণ মোৰ কাম চৰকাৰখনক destabilise কৰা নহয়। সেই কাৰণে মই কথাবিলাক বুজি পাও। মই তেওঁলোকৰ নিৰ্বোধতাক, কি কৰিম? আপুনি কোৱাটো কিন্তু সত্য, আপুনি এটা কথা কৈছে। আমাৰ ৰুলটো বহুত কথা clerify হৈ থকা নাই কাৰণে কৰিব লাগিব। শ্ৰী ফনীভূষণ চৌধুৰী, পুৰণা মানুহ, তেখেতসকল আছে, শ্ৰী হাফিজ বচিৰ আহমেদ, মই কৈছো যে আ পোনাৰ কথাবিলাকে আমাক খুব inspire কৰে। গতিকে এনেকুৱা ধৰণৰ আমাৰ মানুহ আছে, আপোনালোকৰ ইয়াতো আছে, শাসক পক্ষৰো আছে কেইবাজনো। গতিকে আমি ভাবো যে আমি অকনমান ৰুলবিলাক সকলোৱে পঢ়ি সেইবিলাকো change ৰ কথা ভবা হ'ল। যিটো কৰিলে সদনত এটা শুদ্ধ আলোচনা হয়। মই সকলোকে ধন্যবাদ জনাইছো আৰু আপুনি যিটো Statement lay কৰি দিলে, সেইটো যাতে সম্পূৰ্ণভাৱে যায়।

**মই এতিয়া সদন ০৫-১২-২০১৯ তাৰিখে পুৱা ৯.৩০ বজালৈ স্থগিত ৰাখিছো।** কাইলৈ আমাৰ Speaker's Initiative ত Schedule Cast and Schedule Tribes ৰ সমস্যাৰ ওপৰত আলোচনা হ'ব। তাৰ পাছত দুখন বিল হ'ব।

---